## ভিতৰৰ পৃষ্ঠাত


| | |
|---|---|
| আঞ্চলিক | পৃষ্ঠা ৩ |
| নাৰ্জী ফুলৰ ঔষধীয় গুণাগুণ | পৃষ্ঠা ৫ |
| অস্কাৰ বঁটা প্ৰাপক জুলি | পৃষ্ঠা ৬ |
| অনুবাদ গল্প | পৃষ্ঠা ৮ |
| অসমৰ শাক্ত সাহিত্যৰ ধাৰা | পৃষ্ঠা ৯ |



RNI No. ASSASS/2014/56974

asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■Vol :8 ■Issue :24 ■Guwahati ■Wednesday ■ 3 February, 2021 ■ Rs. 5 ■বছৰ - ৮ ■সংখ্যা -২৪ ■গুৱাহাটী ■ বুধবাৰ ■ ২০ মাঘ, ১৯৪২ শক ■মূল্য ঃ ৫ টকা




ভাতৃস্নেহ! স্বাস্থ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক কেক খুৱাই জন্মদিনৰ শুভেচ্ছা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

## বাজেটত বিকাশৰ বিশ্বাস পৰিস্ফুট হৈছেঃ মোডী

**নতুন দিল্লীঃ** কেন্দ্ৰীয় বাজেটক উচ্চ প্ৰশাংসা কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। এক বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়— ২০২১ ৰ বাজেটখন অসাধাৰণ পৰিস্থিতিৰ মাজত উত্থাপন কৰা হৈছে। ইয়াত যথাৰ্থৰ অনুভৱ বিদ্যমান হোৱাৰ লগতে বিকাশৰ বিশ্বাসো পৰিস্ফুট হৈছে। ক'ৰোনাই পৃথিৱী জুৰি যি প্ৰভাৱ বিস্তাৰিত কৰিছিল, সিয়ে সমগ্ৰ মানৱ জাতিকে বিতত কৰি পেলাইছিল। এনে পৰিস্থিতিৰ মাজত আজিৰ এইখন বাজেটক ভাৰতৰ আত্মবিশ্বাসক উজ্জীৱিত কৰিব পৰা বিধৰ আৰু লগতে পৃথিৱীকো এক নতুন আত্মবিশ্বাস দিব পৰা বিধৰ বুলি উল্লেখ কৰিব পাৰি। বাজেটখনত আত্মবিশ্বাসৰ 'ভিজন'তো আছেই, প্ৰতিগৰাকী নাগৰিক, প্ৰতিটো বৰ্গৰ সমাৱেশো আছে। আমি এইখন বাজেটত যিবোৰ সিদ্ধান্ত স্বীকাৰ কৰি আগবাঢ়িব খুজিছো, সেয়া হৈছে উত্তৰণৰ বাবে সুযোগ, নতুন সম্ভাৱনাৰ পৰিসৰ সম্প্ৰসাৰিত কৰা, ২ পৃষ্ঠাত

## ৩৪.৮৩ লাখ কোটি ব্যয়ৰ লক্ষ্যৰে অভিলাষী বাজেট দাখিল বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ

# বিক্ৰী হ'ব আধা ডজন ৰাষ্ট্ৰায়াত্ত কোম্পানী

## বাজেটক বাস্তৱমুখী আখ্যা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সোমবাৰে লোক সভাত দাখিল কৰা ২০২১-২২ বৰ্ষৰ বাজেটখনক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বাস্তৱমুখী, জনমুখী আৰু উন্নয়নমুখী বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰী ২ পৃষ্ঠাত

## ৰঞ্জিত দাসৰ মন্তব্য বাজেটত আশা-আকাংক্ষা প্ৰতিফলিত হৈছে

**গুৱাহাটীঃ** কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সোমবাৰে সংসদত উত্থাপন কৰা কেন্দ্ৰীয় বাজেটক আদৰণী জনাইছে ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশে। বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিৎ কুমাৰ দাসে বিত্ত মন্ত্ৰী সীতাৰমণে ২ পৃষ্ঠাত

## বিৰোধীৰ মতে এইখন ফোপোলা বাজেট

**নতুন দিল্লীঃ** কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে যোৱা সোমবাৰে সংসদত দাখিল কৰে ২০২১-২২ বৰ্ষৰ বাজেট। বিত্ত মন্ত্ৰী গৰাকীয়ে সংসদত দাখিল কৰা বাজেটত ৩৪.৮৩ লাখ কোটি টকা ব্যয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কোৰোনাত বিধ্বস্ত হোৱা দেশৰ অৰ্থনীতি পুনৰ উদ্ধাৰৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে সংসদত দাখিল কৰে বাজেট। এই বাজেটত দেশৰ স্বাস্থ্য খণ্ডক অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। দেশত প্ৰথমবাৰৰ বাবে কাগজবিহীন বাজেট দাখিল কৰি বিত্ত মন্ত্ৰী গৰাকীয়ে সংসদত কয় যে, ২০২১-২২ বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ১২ লাখ কোটি টকা ঋণ গ্ৰহণ কৰিব। ৩৪.৮৩ লাখ কোটি টকীয়া বাজেটত মূলধনী ব্যয়ৰ পৰিমাণ ৫.৫৪ লাখ কোটি বুলি উল্লেখ কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে, ২০২১ বৰ্ষত বিত্তীয় ঘাটি আছিল জি ডি পিৰ ৯.৫ শতাংশ ২ পৃষ্ঠাত



আমিনগাঁৱত সোমবাৰে মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰে ৰাজ্যৰ প্ৰথমটো সংহত উপায়ুক্তৰ কাৰ্যালয়। এই কাৰ্যালয়টোত ১৩ টা বিভিন্ন বিভাগৰ কাৰ্যালয় সংলগ্ন হৈ আছে।

# নলবাৰীত শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ নামত ভয়াৱহ কেলেংকাৰী

## উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব অ বি বি শিক্ষক

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** দীৰ্ঘদিন ধৰি বিভিন্ন প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত হৈ থাকিও বিভিন্ন কাৰণত চাকৰি নিয়মীয়াকৰণ নোহোৱা শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ নামত নলবাৰী জিলাত ভয়াৱহ কেলেংকাৰী সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ২০০১ চনত নিযুক্তি লাভ কৰি পৰৱৰ্তী সময়ত বিভাগৰ দ্বাৰা বৰ্খাস্ত হোৱা একাংশ অ' বি বি শিক্ষকৰ লগতে কোনোদিনে বিদ্যালয়লৈ নোযোৱা একাংশকো জালিয়াতিৰে নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি দিয়াৰ অভিযোগক কেন্দ্ৰ কৰি জিলাখনৰ শিক্ষানুৰাগী ৰাইজৰ মাজত ভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জিলাখনৰ বিশেষকৈ টিহু-বৰমা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ কেইবাখনো বিদ্যালয়ত ২০০১ চনত বৰ্খাস্ত কৰা অ' বি বি শিক্ষকে বৰ্তমানেও পাঠদান কৰি থকা বুলি দেখুৱাই চাকৰি নিয়মীয়াকৰণৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। একেদৰে জিলাখনৰ আন শিক্ষা খণ্ডসমূহতো এনে ঘটনা সংঘটিত হোৱাৰ ২ পৃষ্ঠাত

## বাঁহীবাদক হৰেকৃষ্ণ তালুকদাৰক মোহন ভাইৰা বঁটা প্ৰদান

**অসম ভূমি বিশেষ সেৱা, নলবাৰীঃ** বিশিষ্ট বাঁহীবাদক, লোক-সংস্কৃতিৰ সাধক নলবাৰী জিলাৰ নিবাসী হৰেকৃষ্ণ তালুকদাৰক সোমবাৰে প্ৰদান কৰা হয় ২০২১ বৰ্ষৰ মোহন ভাইৰা স্মাৰক বঁটা। উক্ত বঁটাত আছে নগদ ধন, স্মাৰক, ফুলাম জাপি, ফুলাম গামোছা, মানপত্ৰ, চেলেং আদি। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু জিলা উন্নতি সভাৰ উদ্যোগত নলবাৰী জিলা ছাত্ৰ সন্থাৰ ছহিদ ভৱনৰ বাকৰিত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উক্ত বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে বিশিষ্ট সংগীতজ্ঞ ৰমেন চৌধুৰীয়ে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকে সভাপতিত্ব কৰা তথা সাধাৰণ সম্পাদক অক্ষয় ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বঁটা প্ৰদান কৰি সংগীত পৰিচালক ৰমেন চৌধুৰীয়ে কয় যে, কলাৰ সৃষ্টি যিসকল শিল্পীয়ে কৰি আছে সেইসকল শিল্পীক ছাত্ৰ-সন্থাই দিয়া মৰম প্ৰশংসনীয়া। মনোবল থাকিলে কলা-সংস্কৃতিৰ জগতখনত আগুৱাই যাব পাৰি। বিশিষ্ট শিল্পীগৰাকীয়ে লগতে ইয়াকো কয় ২ পৃষ্ঠাত



১ পৃষ্ঠাৰ পৰা

# বিক্ৰী হ'ব আধা ডজন ৰাষ্ট্ৰায়াত্ত কোম্পানী

আৰু ২০২২ বৰ্ষৰ ঘাটিৰ পৰিমাণ ৬.৮ শতাংশলৈ হ্ৰাসৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ২০২১ বৰ্ষৰ বিত্তীয় ঘাটি পুৰাবলৈ বজাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰে অতিৰিক্তভাৱে ৮০ হাজাৰ কোটি টকাৰ ঋণ গ্ৰহণ কৰিব। বাজেটত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বাবে ৪.৭৮ লাখ কোটি, শিক্ষা বিভাগৰ বাবে ৯৩.২২৪ কোটি, ঘাইপথ মন্ত্ৰালয়লৈ ১,১৮,১০১ কোটি আৰু ৰেল মন্ত্ৰালয়ৰ বাবে ধাৰ্য কৰা হৈছে ১,১০,০৬৫ কোটি টকা। দেশৰ সৰ্ববৃহৎ জীৱন বীমা কোম্পানী ভাৰতীয় জীৱন বীমাৰ অংশপত্ৰ বিক্ৰী, জীৱন বীমা খণ্ডত বৰ্তমানৰ ৪৯ শতাংশৰ পৰা ৭৪ শতাংশপৰ্যন্ত বিদেশী বিনিয়োগৰ বাট মুকলি কৰি দিয়াৰ লগতে বিত্ত মন্ত্ৰী সীতাৰমণে প্ৰায় আধা ভজন ৰাষ্ট্ৰায়াত্ত কোম্পানীৰ নিবিনিয়োজনৰ সংকল্পৰ কথা ঘোষণা কৰে। ২০২১-২২ বিত্তীয় বৰ্ষত নিবিনিয়োজন কৰিব লগা ৰাষ্ট্ৰায়াত্ত কোম্পানীকেইটা হ'ল ভাৰত পেট্ৰ'লিয়াম কপ'ৰেচন লিমিটেড, এয়াৰ ইণ্ডিয়া, শ্বিপিং কৰ্পৰেচন অব ইণ্ডিয়া, কণ্টেইনাৰ কপ'ৰেচন অব ইণ্ডিয়া, আই ডি বি আই বেংক আৰু ভাৰত আৰ্থ শুভাৰ্ছ লিমিটেড। এই কোম্পানীকেইটাৰ উপৰি বিত্ত মন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে যে আৰু দুটা ৰাষ্ট্ৰায়াত্ত বেংক আৰু এটা জেনেৰেল ইন্সিওৰেন্স কোম্পানীৰ নিৰ্বিনিয়োজনৰ সিদ্ধান্ত কেন্দ্ৰই ঘোষণা কৰিছে। তাৰ বাবে চলিত বাজেট অধিৱেশনতে সংশোধনী অনা হ'ব। বিত্ত মন্ত্ৰীগৰাকীয়ে আশা কৰে চলিত বৰ্ষত নিৰ্বিনিয়োজনৰ জৰিয়তে কেন্দ্ৰই ১.৭৫ লাখ কোটি টকা লাভ কৰিব। ২০২১-২২ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ব্যয়ৰ সৰ্বাধিক ধন প্ৰত্যক্ষ আৰু পৰোক্ষ কৰাৰ জৰিয়তে সংগ্ৰহ কৰা হ'ব। টকাটোৰ ৫৩ শতাংশ আহিব প্ৰত্যক্ষ আৰু পৰোক্ষ কৰা পৰা, ৩৬ শতাংশ আহিব ঋণৰ পৰা। আনহাতে নিৰ্বিনিয়োজনৰ দৰে অনা কৰা ৰাজহ শিতানত টকাটোৰ ৬ শতাংশ আৰু ৫ শতাংশ আহিব অনা কৰ মূলধনৰ পৰা। প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ ৫৩ শতাংশৰ সামগ্ৰী সেৱা কৰাৰ পৰা টকাটোৰ ১৫ শতাংশ, কোম্পানীৰ কৰৰ পৰা ১৩ শতাংশ, আবকাৰীৰ কৰৰ পৰা ৮ শতাংশ, সীমা শুল্কৰ পৰা ৩ আৰু আয়কৰৰ পৰা ১৪ শতাংশ আহৰণ কৰিব কেন্দ্ৰই। ব্যয়ৰ শিতানত টকাটোৰ ২০ শতাংশ সুত প্ৰদামত, ১৬ শতাংশ ৰাজ্যসমূহক কৰৰ অংশ পৰিশোধত প্ৰতিৰক্ষাত ৮ শতাংশ, কেন্দ্ৰীয় আঁচনিত ১৪ শতাংশ, কেন্দ্ৰৰ পৃষ্ঠপোষকতাৰ আঁচনিত ৯ শতাংশ, বিত্তীয় আয়োগৰ অনুমোদন ধন প্ৰদানত ১০ শতাংশ ৰাজসাহায্যত ৮ শতাংশ, পেন্সনত ৫ শতাংশ আৰু অন্যান্য শিতানত ১০ শতাংশ ব্যয় হ'ব। ইপিনে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে দাখিল কৰা বাজেটখন এখন ফোপোলা বাজেট বুলি আভিহিত কৰিছে বিৰোধী দলসমূহে। কোৰোণা মহামাৰীৰৰ আগৰে পৰা দুৰ্বল হৈ অহা দেশৰ অৰ্থনীতি মহামাৰীটোৱে আৰু জুৰুলা কৰিলে। সেই বাবে এতিয়া দেশৰ অৰ্থনীতি সৰল কৰাৰ বাবে প্ৰয়োজন আছিল ষ্টিৰয়ডৰ, কিন্তু মোডী চৰকাৰে পেৰাচিতামল দিয়েই দায়িত্ব সামৰিলে বুলি বাজেটক সমালোচনা কৰিছে দেশৰ বিৰোধী দলসমূহে। আনহাতে কেন্দ্ৰীয় বাজেটখনক আদৰণি জনাই বাজেটখনে ব্যাপক পৰিসৰত আন্তঃগাঁথনিগত উন্নয়নক প্ৰতিফলিত কৰিছে বুলি মন্তব্য কৰিছে 'ফেজাৰেচন অব ইণ্ডাষ্ট্ৰি এণ্ড কমাৰ্চ অব নৰ্থ-ইষ্টাৰ্ন ৰিজিয়ন' (ফাইনাৰ)ৰ সভাপতি পৱিত্ৰ বুঢ়াগোহাঁয়ে।

# নলবাৰীত শিক্ষকৰ চাকৰি

অভিযোগ উঠিছে। শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ তালিকা জিলাখনৰ শিক্ষা বিষয়াসকলে পুনৰীক্ষণ কৰাৰ পাছত এনে অভিযোগ লাভ কৰা সত্ত্বেও অভিযোগক গুৰুত্ব নিদি কেৱল মাত্ৰ ওপৰ মহলে তালিকা বনাইছে বুলি কৈয়েই দায়সৰা মন্তব্য দিয়াৰো অভিযোগ তুলিছে একাংশ অ' বি বি শিক্ষকে। উল্লেখ্য যে সংশ্লিষ্ট বিদ্যালয়ৰ প্ৰধান শিক্ষক, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক 'মেনেজ' কৰিয়েই এইসকল বিতাড়িত শিক্ষকে বিদ্যালয়ত কৰ্মৰত বুলি প্ৰমাণপত্ৰ দাখিল কৰি চাকৰি নিয়মীয়াকৰণৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে নলবাৰী জিলাত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত পূৰ্বৰে পৰাই ভয়াৱহ কেলেংকাৰী সংঘটিত হৈ আহিছে। ১৯৯৯ চনত, ২০01 চনত জিলাখনত শিক্ষক নিযুক্তিৰ কেলেংকাৰীয়ে সংবাদ মাধ্যমৰো শিৰোনাম দখল কৰিছিল। জে'ললৈ যাবলগীয়া হৈছিল কেইবাজনো শিক্ষা বিষয়া, দালাল, প্ৰধান শিক্ষকো। কিন্তু ইয়াৰ পাছতো জিলাখনৰ শিক্ষা বিভাগত যেন ওৰ নপৰিল কেলেংকাৰীৰ। প্ৰকৃত শিক্ষকক বঞ্চিত কৰি পিছদুৱাৰেৰে চাকৰি নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া অদ্যাপি চলি থকাত শিক্ষানুৰাগী ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ক্ষেত্ৰভিত্তিক পুনৰীক্ষণৰ ব্যৱস্থা কৰি জিলাখনত শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ শিক্ষা মন্ত্ৰীক আহ্বান জনাইছে জিলাখনৰ শিক্ষানুৰাগী ৰাইজে। এইক্ষেত্ৰত অনিয়মত লিপ্ত হোৱাসকলক চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি বিহাৰ লগতে কোনো প্ৰকৃত শিক্ষক যাতে চাকৰি নিয়মীয়াকৰণৰ তালিকাৰ পৰা বাদ পৰি নাযায়, তাক নিশ্চিত কৰিবলৈও শিক্ষা বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ লগতে বিভাগীয় মন্ত্ৰীক জিলাখনৰ সচেতন ৰাইজে আহ্বান জনাইছে। উল্লেখ্য যে উক্ত তালিকাত সংঘটিত অনিয়মৰ বিৰুদ্ধে টিহু-বৰমাৰ একাংশ অ'বি বি শিক্ষকে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলিও জানিবলৈ দিছে।

# বাঁহীবাদক হৰেকৃষ্ণ

যে, জাতি-মাটি-ভেটিৰ কথা কোৱাতকৈ কাম কৰিব লাগিব। তেতিয়াহে সংস্কৃতি পথাৰ চহকী হ'ব। জীৱিত কালত মানুহক প্ৰেৰণা দিব লাগে বুলি মন্তব্য কৰি চৌধুৰীয়ে কয় তেতিয়াহে নতুনসকল ওলাই আহিবলৈ প্ৰেৰণা লাভ কৰিব। সংগীত পৰিচালক চৌধুৰীয়ে অসমৰ কৃষ্টি-সংস্কৃতিৰ আধাৰত ৰচিত বিভিন্ন গীত-মাতৰ ৯ খন চিডি সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে ছাত্ৰ সন্থা আৰু উন্নতি সভাক অৰ্পণ কৰে। ইপিনে বঁটা গ্ৰহণ কৰি প্ৰবীণ শিল্পী হৰেকৃষ্ণ তালুকদাৰে মনৰ অনুভৱ ব্যক্ত কৰি কয় যে, মই আজি অভিভূত। ছাত্ৰ সন্থাৰ এই মৰম মই চিৰজীৱন মনত ৰাখিম। তালুকদাৰে বাঁহীবাদন কৰি উপস্থিত ৰাইজক মোহিত কৰে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে কয় যে, মোহন ভাইৰাই নিজৰ সাধনাৰ জড়িয়তে অসমক ধন্য কৰিছিল। ঢোল বাদনৰ লগতে অংগী ভংগী গিয়াত পাকৈত মোহন ভাইৰাই অতি কষ্টেৰে নিজৰ সাধনা কৰিছিল বুলি মত ব্যক্ত কৰি মোহন ভাইৰাৰ দুখীয়া পৰিয়ালক বিশেষ ব্যৱস্থাৰ দ্বাৰা চৰকাৰে সা-সুবিধা প্ৰদান কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী জনায়। উক্ত অনুষ্ঠানত প্ৰয়াত মোহন ভাৱৰীয়াৰ সহধমিনী সৰস্বতী বৰ্মন, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহিক সদস্য ৰিয়াজউদ্দিন আহমেদ, অসম উন্নতি সভাৰ নলবাৰী জিলাৰ সবাপতি ৰাধা নাথ কলিতা, সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন, সাধাৰণ সম্পাদক নৱ কুমাৰ ডেকাকে আদি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বাজেটক বাস্তৱমুখী আখ্যা মুখ্যমন্ত্ৰীৰ

সোণোৱালে লগতে ৰাজ্যৰ পথ যোগাযোগ খণ্ডৰ উন্নয়ন আৰু চাহ শ্ৰমিকৰ কল্যাণৰ বাবে কেন্দ্ৰীয় বাজেটত ধাৰ্য কৰা উল্লেখযোগ্য পুঁজিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বিত্ত মন্ত্ৰীগৰাকীক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই বাজেটে মানৱ সম্পদৰ বিকাশ আৰু উদ্ভাৱনীমূলক চিন্তা-চেতনা পুনৰ জাগ্ৰত কৰাৰ লগতে দেশৰ স্বাস্থ্যসেৱাখণ্ড, অৰ্থনীতি, আন্তঃগাঁথনি নিৰ্মাণ আৰু সামগ্ৰিক বিকাশ ত্বৰাণ্বিত কৰিব। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে দাকিল কৰা বাজেটত সন্তুষ্টি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ২০১৬ চনৰে পৰা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অভূতপূৰ্ব সহ্যোগিতাৰ ফলত পথ যোগাযোগ খণ্ডত অসমত উল্লেখযোগ্য পৰিৱৰ্তন সম্ভৱ হৈছে। চলিত বৰ্ষৰ বাজেটত অহা ৩ বছৰৰ ভিতৰত ৰাজ্যত ১৩০০ কিলোমিটাৰৰো অধিক ৰাষ্ট্ৰীয় খাইপথ নিৰ্মাণৰ বাবে ৩৪ হাজাৰ কোটি টকা ধাৰ্য কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে ৰাজ্যত ১৯ হাজাৰ কোটি টকা ব্যয়ৰে ৰূপায়ণ হৈ থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহে ইতিমধ্যে ৰাজ্যৰ পথ যোগাযোগ ক্ষেত্ৰখনক বিশেষ গতি প্ৰদান কৰিছে। এই বাজেটত অসম আৰু পশ্চিম বংগৰ চাহ শ্ৰমিকসকলৰ বিশেষকৈ নাৰী আৰু শিশুসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ মুখ্যমন্ত্ৰী সোণোৱালে শলাগ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাহ জনগোষ্ঠীৰ নাৰী আৰু শিশুসকলৰ কল্যাণৰ বাবে ধাৰ্য কৰা ১ হাজাৰ কোটিৰ পুঁজিয়ে জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব।

# বাজেটত আশা-আকাংক্ষা

দাখিল কৰা বাজেটক জনমুখী আখ্যা দিছে। তেওঁ কয় যে এই বাজেটত বৃদ্ধসকলৰ পৰা শিশু সকললৈকে সমাজৰ সকলোস্তৰৰ জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত হৈছে। ৭৫ বছৰৰ উৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিকসকলক সকলো ধৰণৰ আয়কৰৰ পৰা মুক্ত কৰাটো জ্যেষ্ঠসকলৰ প্ৰতি ভাৰতীয় জনতা পাৰ্টীৰ দায়বদ্ধতাৰ প্ৰতিফলন। অন্নদাতা কৃষকৰাইজৰসকলৰ উপাৰ্জন দুগুণ কৰাৰ লক্ষ্য বাজেটখনত প্ৰতিফলিত হোৱাতো আমাৰ সকলোৰে বাবে আনন্দৰ বিষয়। বিশেষকৈ কৃষকসকলৰ খৰচতকৈ ১.৫ গুণ বেছিৰ নূন্যতম সমৰ্থন মূল্যৰে উৎপাদিত সামগ্ৰী ক্ৰয়ৰ ব্যৱস্থা ঐতিহাসিক। দেশক ক'ভিজৰ আতংকৰ পৰা মুক্ত কৰাৰ সংকল্পৰে টীকাকৰণৰ বাবে ৩৫.০০০ কোটি টকা ব্যয়ৰ বাবে কৰা বাজেট প্ৰস্তাৱত সুস্থ-সবল ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত ঐতিহাসিক পদক্ষেপ। অসমত আন্তঃগাঁথনি বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে ৩,৪০০ কোটি টকাৰ নিৰ্ধাৰণ সবাতোকৈ আদৰণীয় পদক্ষে হিচাপে ভাৰতীয় জনতা পাৰ্টীয়ে অভিহিত কৰিছে। ইয়াৰ লগতে, অসমৰ চাহ শ্ৰমিক ৰাইজৰ কল্যাণৰ বাবে ১,০০০ কোটি টকা নিৰ্ধাৰণ অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এঠা বিবৃতিত দাসে বাজেটক 'আত্মনিৰ্ভৰ ভাৰত' গঢ়াৰ ঐতিহাসিক বুনিয়াদ হিচাপে অভিহিত কৰিছে।

# বাজেটত বিকাশৰ বিশ্বাস পৰিস্ফূত হৈছেঃ মোডী

যুৱ-প্ৰজন্মৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰা। মানৱ সংসাধনক এক নতুন মাত্ৰা প্ৰদান কৰা। আন্তঃগাঁথনি নিৰ্মাণৰ বাবে নতুন নতুন ক্ষেত্ৰ বিকশিত কৰা, আধুনিকতাৰ অভিমুখী হৈ আগবাঢ়ি যোৱা, নতুন সংস্কাৰ সম্পন্ন কৰা। মোডীয়ে কয়- নিয়ম আৰু প্ৰক্ৰিয়াসমূহক সৰল কৰি তুলি সৰ্বাসাধাৰণ ৰাইজৰ জীৱনলৈ 'স্বাচ্ছন্দ্যৰে জীৱন অতিবাহিত কৰা'ৰ অৱকাশ বৃদ্ধিৰ বাবে বাজেটখনত গুৰুত্ব আৰোপ কৰা হৈছে। এইখন বাজেটে ব্যক্তি, বিনিয়োগকাৰী, উদ্যোগ আৰু ইয়াৰ লগতে আন্তঃগাঁথনি খণ্ডলৈ বহুত ইতিবাচক পৰিৱৰ্তন কঢ়িয়াই আনিব। মই ইয়াৰ বাবে দেশৰ বিত্ত মন্ত্ৰী নিৰ্মলা জী আৰু তেওঁৰ সতীৰ্থ মন্ত্ৰী অনুৰাগ জী আৰু তেওঁৰ দলটোক বহুত বহুত অভিনন্দন জ্ঞাপন কৰিছো। এনে ধৰণৰ বাজেট খুব কমেই দেখিবলৈ পোৱা যায়, য'ত প্ৰথম এটা-দুটা ঘণ্টাতে ইমানবোৰ ইতিবাচক প্ৰতিক্ৰিয়া লাভ কৰিব পৰা গৈছিল। বহু বিশেষজ্ঞই ক'ৰোনাৰ অজুহাতত সৰ্ব সাধাৰণ নাগৰিকৰ ওপৰত বোজা বৃদ্ধি কৰা বাজেটৰহে পূৰ্বানুমান কৰি আহিছিল। পিচে, বিত্তীয় সুলভ-নতুনত্বৰ প্ৰতি নিজৰ দায়িত্বক গুৰুত্ব প্ৰদান কৰি চৰকাৰে বাজেটৰ আকাৰ বঢ়োৱাত বিশেষ গুৰুত্ব দিছে। বাজেট স্বচ্ছ কৰাৰ বাবে আমাৰ চৰকাৰে নিৰন্তৰ প্ৰয়াস কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে পুনৰ কয় যে- ক'ৰোনাৰ যুঁজত ভাৰত 'ৰিয়েক্টিভ' হোৱাৰ পৰিৱৰ্তে সদায়ে 'প্ৰোএক্টিভ' হোৱাৰহে নিদৰ্শন দাঙি আহিছে। সেয়া লাগিলে ক'ৰোনা কালত সম্পন্ন কৰা সংস্কাৰেই হওক, কিম্বা আত্মনিৰ্ভৰ ভাৰত'ৰ সংকল্পই হওক। এই 'প্ৰোকক্টিভনেছ'ক বৃদ্ধি কৰিয়েই আজিৰ বাজেটতো 'ৰিয়েক্টিভিটী'ৰ সামান্য উপস্থিতিয়ো ৰখা হোৱা নাই। আমি অৱশ্যে কেৱল সক্ৰিয় হৈয়ে ক্ষান্ত থকা নাই, আমি এখন বাজেটতো, 'প্ৰোএক্টিভ' বাজেট প্ৰদান কৰি দেশৰ সন্মুখত 'প্ৰোএক্টিভ' হোৱাৰ বাৰ্তা প্ৰদান কৰিব বিচাৰিছো। বাজেটখনে সেইবোৰ খণ্ডত বিশেষভাবে লক্ষ্য নিবদ্ধ ৰাখিব বিচাৰিছে, যাৰ দ্বাৰা সম্পদ আৰু কল্যাণ সাধন, দুয়োটাৰে গতি দূৰন্ত গতিৰে ত্বৰাণ্বিত হ'ব পাৰে। 'জান ভী জাহান ভী'। ইয়াত 'এমএছএমই' আৰু 'আন্তঃ গাঁথনি নিৰ্মাণ'ত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। সেইদৰে এইখন বাজেটে যেনেকৈ স্বাস্থ্য সেৱা খণ্ডত লক্ষ্য নিবদ্ধ কৰিছে, সেয়াও নিতান্তই অভুতপূৰ্ব। এইখন বাজেটে দেশৰ প্ৰতিটো ক্ষেত্ৰৰ বিকাশ, অৰ্থাত সৰ্বাত্মক উন্নয়নণত গুৰুত্ব আৰোপ কৰিব খুজিছে। বিশেষকৈ, মোৰ ভাল লাগিছে, বাজেটখনত দক্ষিণৰ ৰাজ্য, আমাৰ পূৰ্বোত্তৰৰ ৰাজ্য আৰু উত্তৰৰ লেহ লাডাখৰ দৰে অঞ্চলসমূহৰ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই বাজেটে ভাৰতৰ উপকূলীয়া ৰাজ্য, যেনে- তামিলনাডু, কেৰালা, পশ্চিম বংগক একোটা বাণিজ্যিক শক্তি-কেন্দ্ৰৰ ৰূপত গঢ় দিয়াৰ লক্ষ্যৰে লদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ দিছে। অসমৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যৰ ইমান দিনে 'অনাৱিষ্কৃত সম্ভাৱনা'সমূহক বিচাৰি উলিয়াৰ ক্ষেত্ৰতো বাজেটখনে বিশেষ সহযোগিতা আগবঢ়াব। বাজেটখনত গতৱেষণা আৰু উদ্ভাৱনৰ বাতাবৰণ গঢ়ি তোলাৰ প্ৰসংগত যিধৰণে গুৰুত্ব আৰোপ কৰা হৈছে, ইয়াৰ বাবে যিবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে, তাৰ পৰা আমাৰ যুৱ-প্ৰজন্মই বিশেষ সহযোগিতা লাভ কৰাৰ লগতে ভাৰতে উজ্জ্বল ভৱিষ্যতৰ দিশে দৃঢ় পদক্ষেপ আগবঢ়াবলৈ সক্ষম হ'ব। এইখন বাজেটত 'আত্মনিৰ্ভৰতা'ক সেই পথেৰে লৈ আগবাঢ়িব খুজিছে, যাৰ সৈতে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ প্ৰগতি সংপৃক্ত হৈ আছে। এই বাজেটে এইটো দশকৰ বাবে এক শক্তিশালী বুনিয়াদ ৰচনা কৰিব। সকলো দেশবাসীক, 'আত্মনিৰ্ভৰ ভাৰত'ৰ এই মহত্বপূৰ্ণ বাজেটৰ বাবে বহুত বহুত শুভকামনা জনাইছো। পুনৰবাৰ বিত্ত মন্ত্ৰী জী আৰু তেওঁৰ দলটোক বহুত বহুত অভিনন্দন জ্ঞাপন কৰিছো, ধন্যবাদ জনাইছো।

# শিৱসাগৰত গাঁওৰক্ষী সংগঠনৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

## হৰিনাৰায়ণ বৰুৱাৰ প্ৰতিমূৰ্তি গুৱাহাটীত স্থাপনৰ বাবে ডিজিপিক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**শিৱসাগৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা শুকুৰবাৰে শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত আয়োজিত সদৌ অসম গাঁওৰক্ষী সংগঠনৰ ৭২ তম প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক হৰিনাৰায়ণ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল যে ভাৰতবৰ্ষৰ আত্মা গাঁৱতহে বাস কৰে। ভাৰতবৰ্ষৰ প্ৰায় ৮৪ শতাংশ লোক গাঁৱত বাস কৰে। ভাৰতবৰ্ষক শক্তিশালী কৰিব লাগিলে ৮৪ শতাংশ লোকে বসবাস কৰা গ্ৰামাঞ্চলক শক্তিশালী কৰিব লাগিব। ভাৰতবৰ্ষৰ প্ৰতিখন গাঁৱৰ গএগাই একবিংশ শতিকাত শক্তিশালীভাৱে অৱতীৰ্ণ হোৱাৰ বাবে নিষ্ঠাসহকাৰে অৱতীৰ্ণ হৈছে। অসমৰ ২৬ হাজাৰ খন গাঁৱৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আমি সকলোৱে সন্মিলিত প্ৰচেষ্টা চলাব লাগিব। গ্ৰামাঞ্চলৰ সাৰুৱা মাটিত উৎপাদন বৃদ্ধিৰ বাবে আমি প্ৰচেষ্টা চলাব লাগিব। উঠি অহা প্ৰজন্মক আমাৰ পাঁচ হেজাৰ বছৰীয়া সভ্যতা সংস্কৃতিৰ উমান দিব লাগিব। মানৱীয় অনুভূতিৰে উঠি অহা প্ৰজন্মৰ মাজত মানৱতাবোধৰ সৃষ্টি কৰিব লাগিব। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষক ৰাম ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল। গাঁওৰক্ষী বাহিনীৰ সদস্যসকলে নিজৰ নিজৰ গাঁৱক সুৰক্ষিত কৰি ৰাখিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গাঁওসমূহত যাতে কোনো অপৰাধমূলক ঘটনা সংঘটিত নহয় তাৰ বাবে গাঁওৰক্ষী বাহিনীৰ জোৱানসকলে নিষ্ঠাৰে কাম কৰিব লাগিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক হৰিনাৰায়ণ বৰুৱাৰ এটা প্ৰতিমূৰ্তি গুৱাহাটীত স্থাপনৰ পদক্ষেপ ল'বলৈ আৰক্ষী সঞ্চালকপ্ৰধানক নিৰ্দেশ দিয়াৰ লগতে গাঁওৰক্ষী বাহিনীৰ জোৱানসকলে স্মাৰক পত্ৰ প্ৰদানৰ জৰিয়তে উল্লেখ কৰা সমস্যাসমূহ সমাধানৰ দিশত চৰকাৰে ইতিবাচকভাৱে পদক্ষেপ ল'ব বুলিও আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে গাঁওৰক্ষী বাহিনীসমূহৰ মাননি বৰ্তমানৰ ২৫০০ টকাৰ পৰা বৃদ্ধি কৰাৰ দিশতো চৰকাৰে পদক্ষেপ ল'ব বুলি কয়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বিশিষ্ট সেৱাৰ বাবে ৩৪ টা গাঁওৰক্ষী সংগঠন তথা ২৬ টা মণ্ডল পৰ্যায়ৰ সংগঠনক মান পত্ৰ প্ৰদান কৰে। গাঁওৰক্ষী বাহিনীৰ মুখ্য নিয়ন্ত্ৰক দিগন্ত বৰাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ আৰু আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়কসকল ক্ৰমে প্ৰদীপ হাজৰিকা, কুশল দুৱৰী, নৱনিতা সন্দিকৈ, গাঁওৰক্ষী বাহিনীৰ মুৰব্বী অঞ্জন কুমাৰ বৰা, শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণুকমল বৰা, অসম ক্ৰিকেট সন্থাৰ ৰমেন দত্ত প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# ৰঙাপৰাত অসম জাতীয় পৰিষদৰ সমষ্টি সমিতি গঠন

**ৰঙাপৰাঃ** অসমৰ বুকুত 'অসম প্ৰথম, সদায় আৰু চিৰদিন' এই লক্ষ্যৰে গঠন হোৱা অসম জাতীয় পৰিষদে ৰঙাপৰা বিধান সভা সমষ্টিৰ কমলা ভৱন প্ৰেক্ষাগৃহত যোৱা ২৮ জানুৱাৰীত ৰঙাপৰা নগৰ সমিতিৰ প্ৰাক্তন সভাপতি মেঘেন্দ্ৰ কুমাৰ ডেকাৰ সভাপতিত্ব সমষ্টি সমিতি গঠন আৰু যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জাতীয় পৰিষদৰ জিলা আহ্বায়ক চহিদুৰ ৰহমানে। উদ্দেশ্য ব্যাখ্যাত ৰহমানে উল্লেখ কৰে যে আগন্তুক সময়ত জাতীয় পৰিষদৰ সাংগঠনিক ভেটি মজবুত কৰাৰ লক্ষ্যৰে ১৯ টা আঞ্চলিক সমিতি, বুথ সমিতি আৰু সমষ্টি সমিতি গঠনৰ লক্ষ্য স্থিৰৰে এই সভাৰ আয়োজন কৰা হৈছে। ইপিনে জিলাৰ আহ্বায়ক ক্ৰমে কুশল বৰা, নৃপেন মহন্ত, মিঠু মালাকাৰ, ৰূপক মেধীৰ লগতে জাতীয় পৰিষদৰ ভগ্নী সংগঠন মহিলা শক্তিৰ আহ্বায়িকা জয়া দাস শইকীয়া, জাতীয়, পৰিষদৰ ৰাজ্যিক সদস্যা নিশা বৰাৰ উপস্থিতিত জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক জান বৰাই উল্লেখ কৰে যে বহু চিন্তা-চৰ্চাৰ অন্তত জাতীয় সংগঠন আৰু অসমৰ ৰাইজৰ চিন্তাৰে জন্মলাভ কৰা অসম জাতীয় পৰিষদ সকলো জাতি-জনগোষ্ঠীক লগত লৈ অসম জাতীয় পৰিষদ দলে আগবাঢ়ি যাব। ধৰ্মৰ নামত ৰাজনীতি কৰাৰ বিপৰীতে এক সুস্থ জাতীয়তাবাদী চিন্তা লৈ অসম জাতীয় পৰিষদে ৰাজনীতি কৰি আহিছে। জাতীয় পৰিষদে আগন্তুক দিনত হিতাধিকাৰী সৃষ্টি কৰাৰ বিপৰীতে ঘৰে ঘৰে নিয়োগ সৃষ্টি কৰাৰ লক্ষ্যৰে পৰিয়াল সমন্বয়ক নিয়োগ গঠন কৰিব বুলি সদৰী কৰে। ইফালে সভাখনত বহুকেইজন বক্তাই নিজৰ বক্তব্য আগবঢ়োৱাৰ পাছত কেইবাগৰাকী ব্যক্তিয়ে একাংশ ৰাজনৈতিক দলৰ সদস্যই উক্ত অনুষ্ঠানত অসম জাতীয় পৰিষদ দলত যোগদান কৰাৰ লগতে ৰঙাপৰা সমষ্টিৰ সমিতিখন গঠন কৰে। সভাপতিৰূপে হেমেন চন্দ্ৰ শইকীয়া, উপ সভাপতিৰূপে ক্ৰমে ৰূপক মেধী, হৰেন বৰুৱা, দীপালী ওৰাং, চৌকত আহমেদ, ৰমেন্দ্ৰ দাস, সম্পাদক হিচাপে অচিত তাঁতী আৰু পাৰ্থ প্ৰতিম ডেকাক দায়িত্ব অৰ্পণ কৰে। আনহাতে সমষ্টিৰ মহিলা সমষ্টি সমিতিৰ সভানেত্ৰী হিচাপে দীপালী গোহাঁইক দায়িত্ব দি আন এখন মহিলা সমষ্টি সমিতি গঠন কৰে। সভা আৰম্ভ হোৱাৰ প্ৰাকক্ষণত জাতিধ্বংসী 'কা' আন্দোলনত শ্বহীদ হোৱাসকলৰ প্ৰতি সন্মান জনাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে।


# দদৰাত সাতগৰাকী অৱসৰী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা

**উত্তৰ গুৱাহাটীঃ** সমাজৰ উত্তৰণত শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শিক্ষকসকলে শিক্ষাৰ্থীসকলৰ মাৰ্গ দৰ্শক হিচাপে যিদৰে সেৱা আগবঢ়ায় তেনেদৰে শিক্ষকসকলে নিজকে সমাজৰ কামত অহাকৈ নিৰ্মাণ কৰিব লাগিব। সমাজৰ কামত অহা শিক্ষকৰ অৱসৰ নাই। শিক্ষকসকলে সমাজক ৰূপান্তৰৰ পথ দেখুৱাব পাৰে। যোৱা শুকুৰবাৰে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সাতগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্ভাষণ জনাবলৈ আয়োজন কৰা সভাত ভাষণ দি বিশিষ্ট শিক্ষাবিদ তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ আৰু কয় যে বিদ্যালয় এখনৰ কৃতিত্বৰ পৰিচয় পোৱা যায় বিদ্যালয়খনে সমাজৰ বাবে প্ৰয়োজন মানৱ সম্পদৰ সৃষ্টিৰ ওপৰত। এই কাম কেৱল দায়বদ্ধ শিক্ষকেহে কৰিব পাৰে। দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটৰ সভাপতি নুৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত সন্মানিত অতিথি হিচাপে উপস্থিত থাকি বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মধুসুদন মেধিয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক নিষ্ঠা আৰু সততাৰে নিজৰ সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলকো অধ্যয়ন স্পৃহা অটুট ৰাখিবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে পূৰ্বৰ অধ্যক্ষ পৰেশ বৈশ্যৰ নেতৃত্বত দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যি ৰূপান্তৰ হ'ল তাক বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে ধৰি ৰাখিব লাগিব। সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি যোগেন ঠাকুৰীয়াই ভাগ লয়। বিদ্যালয়খনৰ সাতগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্ভাষণ জনোৱা হয়। সম্বৰ্ধিত শিক্ষক-শিক্ষয়িত্ৰীসকল হ'ল ক্ৰমে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্য, বিষয় শিক্ষয়িত্ৰী গীতা দেৱী আৰু মঞ্জুলা কলিতা, সহকাৰী শিক্ষক ক্ৰমে নবীন চন্দ্ৰ ৰাজবংশী, পৱিত্ৰ দাস, চুৰেয়া বেগম আৰু প্ৰধান শিক্ষক বাণেশ্বৰ বৈশ্য। আৰম্ভণিতে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৰৎ কলিতাই শুভেচ্ছামূলক ভাষণ দিয়ে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে ভাষণ দি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নতি কামনা কৰে। সভাত শিক্ষক গোটৰ তৰফৰ পৰা বিষয় শিক্ষয়িত্ৰী ভনিতা বৈশ্য, সহ শিক্ষয়িত্ৰী দীপাঞ্জলী মিশ্ৰ, ৰাজীৱ ডেকা, খনীন্দ্ৰ ডেকা আদিয়ে ভাষণ দি বিদ্যালয়খনলৈ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে আগবঢ়াই যোৱা বৰঙণিৰ কথা স্মৰণ কৰে। সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে।

## নিখিল বাথৌ মহাসভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে গৌথাৰ বাথৌ সান উদযাপন

# 'বাথৌ ধৰ্ম-সংস্কৃতিৰ সমগ্ৰ বিশ্বৰ মানৱ জাতিৰে আত্মীয়তা আছে'

**অসম ভূমি বিশেষ সেৱা, শালবাৰীঃ** মাঘ মাহৰ দ্বিতীয় মঙলবাৰৰ দিনটোত উদযাপিত বড়ো জনগোষ্ঠীৰ পৱিত্ৰ উৎসৱ 'গৌথাৰ বাথৌ সান' নিখিল বাথৌ মহাসভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে বাক্সা জিলাৰ বৰিমুখৰ বাথৌ খানশালিত অলপতে বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসুচীৰে উদযাপিত গৌথাৰ বাথৌ সানৰ বিয়লি নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় উপ সভাপতি মহন স্বৰ্গীয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত বৰ্ষীয়ান শিল্পী— লেখক ঘনশ্যাম স্বৰ্গীয়াৰীয়ে কয় 'বাথৌ ধৰ্ম সংস্কৃতি অকল বড়ো জনগোষ্ঠীৰ বাবেই নহয়। বাথৌ ধৰ্মৰ তাৎপৰ্য বিশ্লেষণ কৰিলে দেখা যায় মানৱ জাতিৰ মংগলৰ, কল্যাণৰ বাবে নীতি সন্নিৱিষ্ট হৈ আছে। গতিকে বাথৌ ধৰ্ম-সংস্কৃতিৰ সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ সৈতে আত্মীয়তা আছে।' বাথৌ ধৰ্ম সংস্কৃতিক মূল ভেটিৰূপে লৈ গঠিত নিখিল বাথৌ মহাসভাই এখন সংস্কাৰপূৰ্ণ, সুন্দৰৰ সমাজ প্ৰতিষ্ঠাৰ বাবে, বিশ্ববাসীৰ কল্যাণৰ বাবে সুদীৰ্ঘ সময় আধ্যাত্মিক আন্দোলন অব্যাহত ৰাখিছে বুলিও বৰ্ষীয়ান শিল্পী লেখক ঘনশ্যাম স্বৰ্গীয়াৰীয়ে তেওঁৰ ভাষণত কয়। সভাত নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক কান্তেশ্বৰ বৰগয়াৰীয়েও নিৰ্দিষ্ট ভাষণ দিয়াৰ লগতে নিখিল বাথৌ



মহাসভাৰ কেন্দ্ৰীয় অধ্যক্ষ হলিৰাম মুছাহাৰী, উপ সভাপতি জ্বলেন্দ্ৰ নাৰ্জাৰী, মাইনাও হানজাৰ উপ সভানেত্ৰী কবিতা বসুমতাৰী, নিকাছি জ্ঞানপীঠ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মনেশ্বৰ বড়ো, বড়ো চলচ্চিত্ৰ প্ৰযোজক-পৰিচালক দীপক ৰামচিয়াৰী, অনাতাঁৰ শিল্পী পদ্মধৰ বসুমতাৰী, অসম সৰ্বশিক্ষা মিছনৰ বিষয়া মীনা খেৰকটাৰীৰ লগতে বহুতো বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে উপস্থিত থাকে। নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বসন্ত স্বৰ্গীয়াৰীয়ে আদৰণী ভাষণ দিয়া আৰু আঁত ধৰা মুকলি সভাখন মুছলপুৰ স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰিয়নাথ বসুমতাৰীয়ে উদ্বোধন কৰি দিয়া ভাষণত বড়ো জনগোষ্ঠীৰ পৱিত্ৰ বাথৌ ধৰ্ম আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টি পৱিত্ৰ নামধৰ্মৰ তুলনামূলক বিশ্লেষণ কৰে। সভাত কেইবাগৰাকীও বাথৌ ধৰ্মৰ বৰ্ষীয়ান একনিষ্ঠ সেৱকক নিখিল বাথৌ মহাসভাৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। দিনজোৰা কাৰ্যক্ৰমণিকাত পুৱাৰ ভাগত বাথৌ খানশালি শুদ্ধিকৰণ আৰু সমূহীয়াভাৱে বাথৌ আৰোজ (প্ৰাৰ্থনা) কৰা হয়। ইয়াৰ পাছতে পতাকা উত্তোলন কৰে নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় উপ-সভাপতি মহন স্বৰ্গীয়াৰীয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় অধ্যক্ষ হলিৰাম মুছাহাৰীয়ে। দিনৰ দহ বজাৰ পাৰ বৰিমুখ অঞ্চলত সামাজিক শান্তি সমন্বয়ৰ বাবে উলিওৱা ধৰ্মীয় সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বড়ো কথাছবিৰ প্ৰযোজক-পৰিচালক দীপক ৰামচিয়াৰীয়ে। নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

অসম ভূমি ■ ৩ ফেব্ৰুৱাৰী, ২০২১ ■

সম্পাদকৰ মেজৰ পৰা ...

## পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি

পেট্ৰ'ল-ডিজেলৰ মূল্যৰ সৈতে দেশৰ অৰ্থনীতি প্ৰত্যক্ষভাৱে জড়িত। ইন্ধন হিচাপে ব্যৱহৃত এই সামগ্ৰী দুবিধৰ মূল্য বাঢ়ি গ'লে সকলো সামগ্ৰীৰে উৎপাদন ব্যয় বৃদ্ধি হয় আৰু পৰিবহণ ব্যয়ো অধিক হয়। তাৰ ফলত উপভোক্তাই সকলো সামগ্ৰীৰ বাবে অধিক ধন ব্যয় কৰিব লগা হয়। ভাৰতে দৈনিক চাহিদা পূৰণৰ বাবে খাৰুৱা তেল আমদানি কৰিব লাগে। আমদানিকৃত খাৰুৱা তেল ভাৰতৰ শোধনাগাৰবোৰত শোধন কৰাৰ পাছত পেট্ৰ'ল আৰু ডিজেলৰ ৰূপত বিক্ৰী কৰা হয়। সেই শোধিত তেলৰ মূল্য নিৰ্ধাৰণ কৰে তেল কোম্পানীবোৰে। চৰকাৰৰ এই ক্ষেত্ৰত প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাই। উৎপাদন, পৰিবহণ ব্যয়, এজেণ্টৰ কমিছন আদি যোগ কৰাৰ পাছত আহে চৰকাৰক পৰিশোধ কৰিব লগা বিভিন্ন শুল্ক আৰু কৰ। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্যৰ হ্ৰাস বৃদ্ধিৰ সৈতে সংগতি ৰাখি ভাৰততো পেট্ৰ'ল-ডিজেলৰ মূল্য বঢ়া-টুটা হয়। ভাৰতৰ আন ৰাজ্যবোৰৰ লগতে অসমতো পেট্ৰ'ল-ডিজেলৰ মূল্য আকাশলংগী হৈছে। এফালে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস পাইছে আৰু আনফালে প্ৰতি লিটাৰ পেট্ৰ'ল বা ডিজেলৰ বাবে অধিক ধন ভৰিব লগা হৈছে। ইয়াৰ কাৰণ কি? আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেল অৰ্থাৎ ১৫৯ লিটাৰত বৰ্তমান ৫২.৩০ ডলাৰৰ আশে-পাশে চলি আছে। হিচাপ নিকাচৰ অন্তত ওলাই পৰে যে এক লিটাৰ খাৰুৱা তেলৰ মূল্য আন্তৰ্জাতিক বজাৰত ২৪ টকামান হয়। প্ৰতি লিটাৰ খাৰুৱা তেল পৰিশোধনত ২.৬২ টকা আৰু পৰিবহণত প্ৰায় ৩.৩১ টকা খৰচ হয়। সেই হিচাপত কৰ আৰোপ কৰাৰ পূৰ্বে প্ৰতিলিটাৰ পৰিশোধিত তেলৰ মূল্য প্ৰতি লিটাৰত ২৯.৯৩ টকা। কিন্তু অসমত প্ৰতি লিটাৰ পেট্ৰ'ল-ডিজেলৰ মূল্যই শতকৰ ঘৰ স্পৰ্শ কৰিবলৈ ওলাইছে। ইয়াৰ কাৰণ হৈছে পেট্ৰ'ল-ডিজেলৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে অত্যধিক হাৰত আৰোপ কৰা শুল্ক, কৰ-উপকৰ আদি। অসমত প্ৰতি লিটাৰ পেট্ৰ'লৰ বাবে গ্ৰাহকে শোধ কৰা ধনৰ ৩২.৯৮ টকা যায় কেন্দ্ৰ চৰকাৰৰ আৱকাৰী শুল্ক আৰু পথ উপকৰ শিতানত, ডিজেলৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ হ'ল ৩১.৮৩ টকা। তাৰ উপৰি প্ৰতি লিটাৰ পেট্ৰ'লত ২২.৬০ টকা আৰু ডিজেলত ১৭.৪৫ টকাকৈ ভেট হিচাপে ৰাজ্য চৰকাৰক গ্ৰাহকে আদায় দিব লাগে। তাৰ লগত আছে ডিলাৰৰ কমিছন ৩.৬২ টকা। এনেদৰে অসমৰ একোজন গ্ৰাহকে প্ৰতি লিটাৰ পেট্ৰ'লত ৫৫.৬১ টকা আৰু প্ৰতি লিটাৰ ডিজেলত ৪৯.২৪ টকাৰ কৰ আদি চৰকাৰক আদায় দি আছে। তাৰ উপৰি ক'ৰোনা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত অতিৰিক্ত ৫ টকাকৈ ভেট আৰোপ কৰিছিল। ক'ৰোনা শাম কাটিলেও সেই অতিৰিক্ত কৰ প্ৰত্যাহাৰ কৰা হোৱা নাই। উল্লেখযোগ্য যে ছয়বছৰ পূৰ্বে ক্ষমতালৈ অহাৰ পাছৰে পৰা পেট্ৰ'ল-ডিজেলৰ ওপৰত আৰোপ কৰা আৱকাৰী শুল্ক দহবাৰ বৃদ্ধি কৰা হৈছে। জনস্বাৰ্থৰ প্ৰতি চকু ৰাখি এই ইন্ধন দুবিধৰ ওপৰত আৰাপ কৰা অত্যধিক কৰৰ বোজা অতি শীঘ্ৰে হ্ৰাস কৰিব লাগে।

# অসমৰ শাক্ত সাহিত্যৰ ধাৰা

**ৰজনী কান্ত দেৱ শৰ্মা**

অসমৰ শাক্ত সাহিত্য সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰ অধ্যাপক ড০ সতেন্দ্ৰ নাথ শৰ্মাদেৱে ড০ নিৰ্মল প্ৰভা বৰদলৈৰ 'দেৱী' গ্ৰন্থৰ পাতনিত এইদৰে অভিমত ব্যক্ত কৰিছে— 'অসমীয়া ভাষা শক্তিদৰ্শন সমন্বিত শাক্ত সাহিত্যৰে বৰ চহকী নহয়। পুৰণি বৈষ্ণৱ সাহিত্য যিমান বিশাল সেই অনুপাতে শাক্ত শাহিত্য কম। পুৰণি শাক্ত সাহিত্যৰ ভিৰত মাথোন কেইখনমান গ্ৰন্থৰ নামহে ল'ব পাৰি। ৰংগৰাজ দ্বিজ আৰু মধুসূদন মিশ্ৰৰ চণ্ডীৰ দুটা পদানুবাদ আৰু অনন্ত আচাৰ্য অনূদিত শংকৰাচাৰ্যৰ সৌন্দৰ্য লহৰীৰ অসমীয়া পদানুবাদ। এই তিনিখনেই মাত্ৰ উল্লেখযোগ্য গ্ৰন্থ। অৱশ্যে সংস্কৃততো দুখনমান গ্ৰন্থ ৰচিত হৈছিল— সেইকেইখন হ'ল কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আৰু কামাখ্যাতন্ত্ৰ। এই তিনিখন সংস্কৃত গ্ৰন্থ অসমৰ পণ্ডিতে ৰচনা কৰা বুলি ধাৰণা কৰা হয়।' মহাভাৰত খ্যাত কামৰূপৰ ৰজা ভগদত্তৰ পিতৃ নৰকৰ (খ্ৰীঃপূঃ ১৪০০-২০০০) ৰাজত্বকালৰ পৰাই নীলাচল পাহাৰ ওপৰত অৱস্থিত শক্তিপীঠ কামাখ্যাক কেন্দ্ৰ কৰি শাক্তদৰ্শনে অসমত বিস্তৃতি লভিছিল যদিও পঞ্চদশ-যোড়শ শতিকাৰ ভিতৰত মহাপুৰুষ শংকৰদেৱৰ (১৪৪৯ খ্ৰীষ্টাব্দত আবিৰ্ভাৱ আৰু ১৫৬৮ খ্ৰীষ্টাব্দত মহাপ্ৰয়াণ) নেতৃত্বত সূচনা হোৱা বৈষ্ণৱ সাহিত্যৰ লগত অসমীয়া পাঠকৰ যিমান পৰিচয় ঘটিছিল শাক্তদৰ্শনৰ অসমীয়া সাহিত্যৰ লগত সিমান পৰিচয় ঘটা নাছিল। ইয়াৰ এটা মূল কাৰণ হয়তো শাক্তদৰ্শনৰ সাহিত্য কিছু কঠিন। সৰ্বসাধাৰণ শ্ৰেণীয়ে মানসিক আনন্দৰ উপাদান ইয়াত বিচাৰি নোপোৱাৰ উপৰিও সেইবোৰ গ্ৰন্থত অন্তৰ্নিহিত হৈ থকা অৰ্থও অনুধাৱন কৰাত উজুটি খাব লগা হয়। এতিয়ালৈকে অসমত সংস্কৃত আৰু অসমীয়া ভাষাত ৰচিত হোৱা শাক্তদৰ্শনৰ গ্ৰন্থ আৰু মৌখিক শাক্তদৰ্শনৰ সাহিত্যৰ বিষয়ে এই নিবন্ধৰ যোগেদি এটি সম্যক আলোচনা দাঙি ধৰিবলৈ বিনম্ৰ প্ৰচেষ্টা কৰা হৈছে।

**কালিকাপুৰাণঃ** কালিকাপুৰাণ পুৰণি অসমৰ ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক ইতিহাস ৰচনাৰ ক্ষেত্ৰত এখনি অন্যতম প্ৰসিদ্ধ শাক্তদৰ্শনৰ গ্ৰন্থ। কিছুমান পণ্ডিতে কালিকাপুৰাণ দশম শতিকাত ৰচিত হোৱা বুলি অনুমান কৰে। ড০ হৰিনাথ শৰ্মাদলৈয়ে— 'কালিকাপুৰাণ' একাদশ শতিকাত অসমত সাহিত্য' নামৰ গ্ৰন্থত এইদৰে লিখিছে— 'অকল কামৰূপত বিৰচিত শাক্ত গ্ৰন্থৰ ভিতৰতেই নহয়, সমগ্ৰ শাক্ত গ্ৰন্থৰাজিৰ মাজতেই কালিকাপুৰাণ এখন অতি প্ৰসিদ্ধ গ্ৰন্থ। আলোচনাৰ মাজেদি আগতেই কৈ অহা হৈছে যে, খ্ৰীষ্টীয় একাদশ শতিকাৰ কোনো এটা সময়ত কামৰূপতেই এই গ্ৰন্থ প্ৰণয় কৰা হৈছে। শাস্ত্ৰগত মতানুসৰি আন পুৰাণৰ নিচিনা এই পুৰাণো ব্যাসদেৱ বিৰচিত। সূক্ষ্ম অধ্যয়নৰ পৰা কিন্তু নিশ্চিতভাৱে বুজা যায়— শক্তি পূজাৰ নানা দিশ আৰু গূঢ়তত্ত্বত ব্যাপক জ্ঞান অৰ্জন কৰা শক্তিবাদৰ বিশেষজ্ঞ কোনো ব্ৰাহ্মণ পণ্ডিতে এই গ্ৰন্থ ৰচনা কৰিছে। পুৰণি অসমৰ ধৰ্মীয় সাংস্কৃতিক আৰু সামাজিক ইতিবৃত্তিৰ নিৰ্মাণৰ ক্ষেত্ৰত কালিকাপুৰাণ শ্ৰেষ্ঠতম গ্ৰন্থ।'

> **সৃষ্টিৰ বৰ্ণনা, সংহাৰৰ বৰ্ণনা, পুনৰ সৃষ্টিৰ বৰ্ণনাৰ লগতে দেৱতা, ঋষি-মুনি আৰু ৰজা-মহাৰজাৰ বংশ তালিকাৰ বৰ্ণনাও ইয়াত অন্তৰ্ভুক্ত হৈছে। জীৱৰ মুক্তি লাভৰ উপায় বিভিন্ন স্থানত দিয়া হৈছে। সৃষ্টিৰ বিভিন্ন ৰহস্য বুজাবলৈ বিভিন্ন আখ্যান ইয়াত বৰ্ণিত হৈছে। যেনে নৰকৰ আখ্যান, বশিষ্ঠৰ আখ্যান, অৰুন্ধতীৰ আখ্যান, হিমালয় নন্দিনী পাৰ্বতীৰ জন্ম আৰু শিৱৰ লগত হোৱা বিয়াৰ আখ্যান, ব্ৰহ্মপুত্ৰ নদৰ জন্মৰ আখ্যান, ব্ৰহ্মাৰ মানস পুত্ৰ কামদেৱৰ জন্ম, শিৱৰ কোপানলত কামদেৱৰ মৃত্যু পুনৰ জন্মৰ আখ্যান এই গ্ৰন্থত অতি সুন্দৰভাৱে সন্নিৱিষ্ট হৈছে।**

প্ৰাচীন কামৰূপত শাক্তদৰ্শনৰ প্ৰসাৰৰ বাবেই কালিকাপুৰাণ ৰচিত হৈছিল এই কথা গ্ৰন্থখনত বৰ্ণিত তথ্যই সুন্দৰকৈ প্ৰমাণ কৰে। বৃহৎ কলেৱৰৰ এই গ্ৰন্থখনত নবৈটা অধ্যায় আছে। কালিকাপুৰাণ উপপুৰাণ বুলি বৰ্ণিত হ'লেও মহাপুৰাণত থাকিবলগীয়া প্ৰায় সকলোবোৰ লক্ষণেই ইয়াত বৰ্তমান বুলি পণ্ডিতসকলে কয়। ধৰ্মীয় ক্ৰিয়া পদ্ধতি, ধৰ্মোপদেশ, ভক্তি, দান, ব্ৰত, যোগ, জ্যোতিষ, ৰাজনীতি, ৰাজধৰ্ম আদি কথা ইয়াত অন্তৰ্ভুক্ত হোৱা দেখা গৈছে।

সৃষ্টিৰ বৰ্ণনা, সংহাৰৰ বৰ্ণনা, পুনৰ সৃষ্টিৰ বৰ্ণনাৰ লগতে দেৱতা, ঋষি-মুনি আৰু ৰজা-মহাৰজাৰ বংশ তালিকাৰ বৰ্ণনাও ইয়াত অন্তৰ্ভুক্ত হৈছে। জীৱৰ মুক্তি লাভৰ উপায় বিভিন্ন স্থানত দিয়া হৈছে। সৃষ্টিৰ বিভিন্ন ৰহস্য বুজাবলৈ বিভিন্ন আখ্যান ইয়াত বৰ্ণিত হৈছে। যেনে নৰকৰ আখ্যান, বশিষ্ঠৰ আখ্যান, অৰুন্ধতীৰ আখ্যান, হিমালয় নন্দিনী পাৰ্বতীৰ জন্ম আৰু শিৱৰ লগত হোৱা বিয়াৰ আখ্যান, ব্ৰহ্মপুত্ৰ নদৰ জন্মৰ আখ্যান, ব্ৰহ্মাৰ মানস পুত্ৰ কামদেৱৰ জন্ম, শিৱৰ কোপানলত কামদেৱৰ মৃত্যু পুনৰ জন্মৰ আখ্যান এই গ্ৰন্থত অতি সুন্দৰভাৱে সন্নিৱিষ্ট হৈছে।

কালিকাপুৰাণৰ কেইবাটাও অধ্যায়ত শিৱ আৰু দেৱী শক্তিৰ মাহাত্ম্যৰ বৰ্ণনাৰ লগতে শক্তিপূজা আৰু শক্তিসাধনাৰ পুংখানুপুংখ বৰ্ণনা অতি সুন্দৰভাৱে বৰ্ণিত হৈছে। এই গ্ৰন্থত প্ৰকাশিত হোৱা ভিন ভিন আখ্যানৰ বৰ্ণনাৰ শিৱ মাহাত্ম্যই দেৱীক পৰম শক্তিৰূপে প্ৰতিষ্ঠা হোৱাত সহায় কৰিছে। শক্তিপীঠৰ অধিষ্ঠাত্ৰী কামাখ্যা দেৱীৰ পূজা বিধিৰ বহুল বৰ্ণনা কালিকাপুৰাণত আছে। আৰু ইয়ে অতি প্ৰাচীন কালৰ পৰাই যে দেৱী কামাখ্যা কামৰূপৰ অধিষ্ঠাত্ৰী দেৱী আছিল সেই কথা প্ৰতিপন্ন কৰিছে।

শাৰদীয় দুৰ্গা পূজাৰ ফল, দেৱী দুৰ্গাৰ বোধন, পূজন, বিসৰ্জনৰ সকলো বিৱৰণ কালিকাপুৰাণত বৰ্ণিত হৈছে। পূজাৰ বিস্তৃত বিধি ব্যৱস্থাও ইয়াত পূৰ্ণ ৰূপত দাঙি ধৰিছে। শক্তিৰ পূজাত বলিৰ প্ৰয়োজন সম্পৰ্কে ইয়াত বিশদভাৱে বৰ্ণিত হৈছে। কিন্তু আটাইতকৈ তাৎপৰ্যপূৰ্ণ কথাটো হ'ল দেৱীক জগতজননীৰূপে যেতিয়া কালিকাপুৰাণত স্তুতিৰ কথা কৈছে তেতিয়াই দেৱীক বিষ্ণুমায়া বুলি অভিহিত কৰি সৃষ্টিতত্ত্বৰ মূল সত্য 'ব্ৰহ্ম'কহে স্বীকৃতি প্ৰদান কৰিছেবুলি অনুভূত হয়।

**যোগিনীতন্ত্ৰ ঃ** পণ্ডিতসকলে যোগিনীতন্ত্ৰখন চৈধ্যশ শতিকাত অসমত ৰচিত হোৱা বুলি নিশ্চিতি প্ৰদান কৰিছে। তন্ত্ৰ শব্দৰ আভিধানিক অৰ্থ শাক্তদৰ্শনৰ পূজাৰ বিধান থকা শাস্ত্ৰ বা ৯ পৃষ্ঠাত

# নাৰ্জী ফুলৰ ঔষধীয় গুণাগুণ



নাৰ্জীফুলৰ প্ৰয়োগ সম্পৰ্কে কিছুমান ঘৰুৱা উপায় আছে। সেইমতে সৰ্বপ্ৰথমে একাপ উতলা পানীত কেইটামান নাৰ্জীফুলৰ পাহি মিহলাৱক আৰু কিছুসময়ৰ পাছত গেছ বন্ধ কৰি পাত্ৰটোত ঢাকন দি ৰাখক। ঠাণ্ডা হোৱাৰ পাছত পানীখিনি ভালদৰে চাকি ছালত লগাব পাৰে।

শীতকালত আকৰ্ষণীয় শোভাৰে সুগন্ধ বিলাই ঘৰ-দুৱাৰ, আলি-পদূলি, বাগিচা তথা চৌপাশৰ পৰিৱেশ অনন্য সুন্দৰ কৰি তোলা নাৰ্জীফুলৰ বিষয়ে সকলোৱে জানে। নাৰ্জীফুলৰ মালাবোৰ সাধাৰণ জীৱনত অধিক মাত্ৰাত প্ৰয়োগ কৰা হয়। ইয়াৰ পুলিবোৰ বাৰিষাৰ বতৰত লগোৱা হয় আৰু অসমৰ লগতে সমগ্ৰ দেশতে কৰা হয়। ইয়াৰ গছ ৮০ৰ পৰা ১৩০ ছেঃমিঃ লৈকে ওখ হোৱা দেখা যায়। ইয়াৰ পাতবোৰ দুইৰ পৰা পাঁচ ছেঃমিঃ দীঘল আৰু খাজকটা প্ৰকৃতিৰ হয়। পাতবোৰ মোহাৰি দিলে ভাল সুগন্ধ ওলায়। ইয়াৰ ফুলবোৰ হালধীয়া আৰু কমলা দুই ৰঙৰ হয়, যি অক্টোবৰ-নৱেম্বৰ মাহৰ পৰা ফুলিবলৈ ধৰে।





নাৰ্জীফুলৰ প্ৰয়োগ ঔষধি হিচাপেও কৰা হয়, অথচ এই বিষয়ে বহু কম লোকেহে গম পায়। পুৰণিকালৰ পৰাই নাৰ্জীফুলৰ বিভিন্ন অংশৰ প্ৰয়োগেৰে বহু ৰোগৰ চিকিৎসা কৰি অহা হৈছে।

নাৰ্জিফুলৰ কেইটামান ঔষধীয় গুণ—

(১) নাৰ্জীফুলে ক্ষতিকাৰক বীজাণু আৰু পোকবোৰ দূৰ কৰে। এই ফুলৰ গছ ঘৰত লগালে মেলেৰিয়া ৰোগ উৎপন্ন কৰা মহবোৰ আঁতৰি যায়।

(২) ইয়াৰ পাতৰ ৰস কাণত লগালে কাণৰ বিষ দূৰ হয়। জ্বৰ হলেও ইয়াৰ ফুলৰ ৰস প্ৰয়োগ কৰাৰ নিয়ম আছে।

(৩) নাৰ্জী ফুলৰ ৰস নাৰিকল তেলৰ লগত মিহলাই লাহে লাহে মালিচ কৰি কিছু সময়ৰ পাছত স্নান কৰিলে মূৰত হোৱা যিকোনো ধৰণৰ সংক্ৰমণ, খহু-ফোহা আদি উপসৰ্গসমূহত আৰাম পোৱা যায়।

(৪) কাহ আৰু ডিঙিৰ বিষ হ'লে নাৰ্জী ফুলৰ গা-গছৰ ১০ গ্ৰাম চূৰ্ণ দৈৰ লগত মিহলাই সেৱন কৰিব লাগে।

(৫) অৰ্শ ৰোগত নাৰ্জী ফুলৰ ৫-১০ গ্ৰাম ৰস উলিয়াই দিনে ২-৩ বাৰ সেৱন কৰিলে বহুখিনি সুফল পোৱা যায়। ৰক্তপ্ৰদৰ অথবা অত্যধিক মাত্ৰাত শৰীৰৰ পৰা তেজ বৈ গ'লেও এই নিয়ম পালন কৰিব লাগে।

(৬) নাৰ্জী ফুলৰ পাতবোৰ পিহি প্ৰলেপ তৈয়াৰ কৰি চকুযুৰি বন্ধ কৰি ইয়াৰ পতাত প্ৰয়োগ কৰিলে চকুৰ বিষ দূৰ হয়।

(৭) নাৰ্জী ফুলৰ পঞ্চাংগ, যেনেঃ শিপা, পাত, গা-গছ, ফল আৰু ফুলৰ ৰস উলিয়াই মালিচ কৰিলে শৰীৰত পোৱা আঘাত, বিষ ইত্যাদিত আৰাম পোৱা যায়।

(৮) নাৰ্জী ফুলৰ ডাঠ ৰসেৰে কুলকুলি কৰিলে দাঁতৰ বিষত তৎকালে আৰাম পোৱা যায়।

(৯) ১০ গ্ৰাম নাৰ্জী ফুলৰ পাত পিহি ইয়াৰ ৰসত মিচিৰি মিহলাই দিনে তিনিবাৰ সেৱন কৰিলে বৈ যোৱা প্ৰসাৰ মুকলি হৈ বাহিৰলৈ ওলাই আহে।

(১০) শৰীৰৰ কোনো অংশত খৰ-খজুৱতি হ'লে নাৰ্জিফুলৰ ৰস দুই-তিনিবাৰ প্ৰতিদিনে লগাব লাগে।

(১১) বৈজ্ঞানিক গৱেষণা অনুসৰি নাৰ্জিফুলত থকা এক বিশেষ ধৰণৰ উপাদানে কেঞ্চাৰ ৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। তদুপৰি ই কেঞ্চাৰ ৰোগ সৃষ্টি কৰিব পৰা কোষিকাবোৰৰ বিকাশত বাধা প্ৰদান কৰে।

(১২) নাৰ্জী ফুলত ভিটামিন চি প্ৰচুৰ মাত্ৰাত পোৱা যায়। ই এবিধ শক্তিশালী এণ্টিঅক্সিডেণ্ট। সেইকাৰণে এই ফুলেৰে তৈয়াৰ কৰা সুগন্ধিৰে হৃদৰোগ, কেঞ্চাৰ, ষ্ট্ৰক ইত্যাদিবোৰ প্ৰতিৰোধ কৰাত সহায়ক হয়। এইদৰে এই সুন্দৰ ফুলবিধ ব্যৱহাৰ কৰি বিভিন্ন ধৰণৰ বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাব পাৰে।

**ঘৰুৱা উপায়ঃ**

নাৰ্জিফুলৰ প্ৰয়োগ সম্পৰ্কে কিছুমান ঘৰুৱা উপায় আছে। সেইমতে সৰ্বপ্ৰথমে একাপ উতলা পানীত কেইটামান নাৰ্জীফুলৰ পাহি মিহলাৱক আৰু কিছুসময়ৰ পাছত গেছ বন্ধ কৰি পাত্ৰটোত ঢাকন দি ৰাখক। ঠাণ্ডা হোৱাৰ পাছত পানীখিনি ভালদৰে চাকি ছালত লগাব পাৰে। যদি বিচাৰে এই পানীখিনি ফ্ৰিজত ৰাখি নিজৰ ইচ্ছা অনুসৰি প্ৰয়োগ কৰিব পাৰে। ইয়াৰ উপৰিও এটা কাচৰ বটলত জলফাইৰ তেলৰ লগত নাৰ্জীফুলৰ কেইটামান পাহি মিহলাই দহদিনলৈকে ৰ'দত ৰাখক। এতিয়া তেলখিনি চাকি পুনৰ এটা কাচৰ বটলত ভৰাই থওক।

ৰিদিপ ৰঞ্জন চেতিয়া



# অস্কাৰ বঁটা প্ৰাপক ‘জুলি’ চাহ বাগিচাৰ ‘জুন’ৰ ভনীয়েক

বিশ্ববিখ্যাত অভিনেত্ৰী অস্কাৰ বঁটা প্ৰাপক জুলি ক্ৰিষ্টি যে উজনি অসমৰ এখন চাহ বাগিচাৰ জুনৰ ভনীয়েক এই কথা হয়তো বহুতৰে বিশ্বাস কৰিবলৈকে টান লাগিব। বিশ্বাস কৰক বা নকৰক এইটোৱে এটা একেবাৰে সঁচা কথা তাক লণ্ডনৰ বিখ্যাত বাতৰি কাতত ‘THE MAIL’ত প্ৰকাশ পোৱা প্ৰৱন্ধ এটাই প্ৰমাণ কৰি দিছে। ২০০৮

**সুশীল কুৰ্মী**

চনৰ ১১ ফেব্ৰুৱাৰীত প্ৰকাশ পোৱা প্ৰবন্ধটিৰ লেখকদ্বয় হ’ল এণ্টনিয়া হয়েল আৰু চাইমন পেৰি। গৱেষণা মূলক প্ৰবন্ধ লিখাত দুয়োৰে নামা আছে। পুৰণি কথা খুচৰি উলিওৱাত দুয়ো সিদ্ধহস্ত বুলি সমগ্ৰ ইউৰোপে জানে। প্ৰবন্ধটি যুগুত কৰি থকা কালত অভিনেত্ৰী জুলি আৰু ভায়েক ক্লাইভক কেইবাবাৰো লগ ধৰিছিল যদিও বায়েক জুনৰ কথা ক’বলৈ তেওঁলোকে সদায় কৃপণালি কৰিছিল আৰু বহুকথা লুকুৱাবলৈ চেষ্টা কৰাহে দেখা গৈছিল বুলি লেখকদ্বয়ে উল্লেখ কৰিছে। কোনো দিনে সিহঁতে মুখ খুলি বায়েকৰ কথা ব্যক্ত কৰা নাছিল। কিন্তু প্ৰবন্ধটি প্ৰকাশ পোৱাৰ লগে লগে বিশ্বৰ চিনেমা জগতত এক চাঞ্চল্য সৃষ্টি হয়। ড০ ঝিভাগো, ডাৰ্লিং আৰু ড’ণ্ট-লুক নাউ আদি বিশ্ববিখ্যাত চিনেমাত সফল অভিনয় কৰি প্ৰচুৰ খ্যাতি অৰ্জন কৰা আৰু অস্কাৰ বঁটাৰে বিভূষিত মোহময়ী এই বৃটিছ অভিনেত্ৰী গৰাকীৰ কথা লৈ বলিউডতো তোলপাৰ লাগে। বিশ্ব বিশ্ৰুত অভিনেত্ৰীগৰাকী কেনেকৈ অসম মুলুকৰ চাহ বাগিচা এখনৰ জুন নামৰ মহিলা এগৰাকীৰ ভনীয়েক হ’ব পাৰে তাক লৈ আমেৰিকা আৰু ইউৰোপৰ দৰে পশ্চিমীয়া দেশত কৌতূহলৰ সৃষ্টি হয়। কাগজ-আলোচনীত পৃষ্ঠা ভৰাই জুন-জুলিৰ বিষয়ে অসংখ্য লেখক-সাংবাদিকে লিখিব ধৰিলে। লিখনিৰ মাজেদি নিতৌ ন-ন কথাৰ উদঘাটন হ’ব ধৰাত জুন আৰু জুলিৰ বিষয়ে বহু নজনা কথা জনাৰ সুবিধা বিশ্ববাসীয়ে পালে। বিশ্বৰ আনবোৰ দেশৰ কাগজ-আলোচনীতো কথাবোৰ ওলাল। অসমৰ কাগজত প্ৰবীণ লেখক ছাঈফুল ইছলামে লিখি অসমক জনালে। এইদৰে লুপ্ত হৈ যাব ধৰা চিংলি জান চাহ বাগিচাৰ মজদুৰ গাভৰুৰ গৰ্ভত জন্ম লাভ কৰা জুন আৰু বিলাতী গাভৰুৰ গৰ্ভত জন্ম লাভ কৰা জুলি যে একেজন ফ্ৰাংক চাহাবৰ কন্যা সেই কথা অন্ধকুপৰ পৰা পোহৰলৈ আহে। জুলিতকৈ জুন ৬ বছৰৰ ডাঙৰ।

জুনৰ জীৱন বুৰঞ্জী খুচৰিব খুজিলে তাহানিৰ বৃটিছ যুগলৈ ঘূৰি যাব লাগিব। সেয়া আছিল ১৯৩০-৩২ চন মানৰ কথা। বৃটিছৰ হাতৰ পৰা দেশ স্বাধীন কৰাৰ উদ্দেশ্য গান্ধীজীৰ নেতৃত্বত আন্দোলনৰ জুই জ্বলি থকা কালত অসমৰ প্ৰায় সকলোবোৰ চাহ বাগিচাতে বগাচাহাব আছিল। বৰচাহাব, চোটচাহাব, কামজাৰি চাহাব, কলঘৰ চাহাব, পাইলট চাহাব আদি কাম অনুযায়ী চাহাবৰ ভাগে ভাগে নাম। বাগিচাত তেতিয়া কোনো ক’লা চাহাব নাছিল। বিলাতী বগা চাহাবৰ লগতে কোনো কোনো বাগিচাত কলঘৰত কাম কৰা চীনাচাহাব আছিল। কলঘৰত কাম কৰা বিলাতী চাহাবক যিদৰে কলঘৰ চাহাব বুলিছিল সিহঁতক কিন্তু সেইবুলি কোৱা নাছিল। কলঘৰ চাহাবৰ সলনি সিঁহতক মিস্ত্ৰী চাহাব বুলিহে কৈছিল। কলঘৰত সিহঁতক অৱশ্যে বিলাতী চাহাবৰ দৰে চাহাবী টংগত কাম কৰিবলৈ দিয়া হোৱা নাছিল। সিহঁতক দিছিল মিস্ত্ৰীৰ দৰে কলঘৰত মিস্ত্ৰীৰ কাম কৰিবলৈহে। সেয়ে বোধহয় বিলাতী চাহাবৰ দৰে পুৰা পুৰি চাহাব হ’ব নোৱাৰিলেও চাহাবৰ দৰে বগা চালৰ অধিকাৰী হৈ মিস্ত্ৰী চাহাব ৰূপে পৰিগণিত হৈছিল। দেশ স্বাধীন হোৱাৰ পাছতো এই বিলাতী চাহাব আৰু চীনা চাহাববোৰ আছিল। এসময়ত বহুতো বাগিচাৰ নিজা উৰাজাহাজ আছিল। এই জাহাজেৰে বিলাতী চাহাববোৰে বাগিচাৰ কামত কলকাতালৈ অহা-যোৱা কৰিছিল। জাহাজ চলোৱা চাহাববোৰক পাইলট চাহাব বুলিছিল।

সেই তাহানিতে বৃটিছৰ আমোলতে বিগত শতিকাৰ ত্ৰিশ দশকতে ডিব্ৰুগড় জিলাৰ চিংলি-জান চাহ বাগিচাত ফ্ৰাংক চেণ্ট জন ক্ৰিষ্টি নামৰ চাহাব এজনে কাম কৰিছিল। বৃটিছৰ দিনত চাহ বাগিচাবোৰৰ চেহেৰাই বেলেগ আছিল। বাগিচাৰ কাম-কাজবোৰো ঠিক নিয়মমতে চলিছিল। তেতিয়া চাহাব-বাবু-শ্ৰমিক কোনেও কামত ফাঁকি দিয়া নাছিল। বগা চাহাবৰ কাঢ়া হুকুমৰ তলত বশৱৰ্তী হৈ সকলোৱে সময়মতে কামত হাজিৰ হৈছিল। নিৰ্ধাৰিত সময়ত কলঘৰত বাজি উঠা ঘণ্টা অথবা বিংগুলৰ আৱাজে সকীয়াই দিছিল সকলোকে কামজাৰি যোৱাৰ সময় হোৱাৰ কথা। নিয়মমতে যিদৰে কাম চলিছিল সেইদৰে চাহাবে নিয়ম মতে শ্ৰমিকক ৰেচন-পাতি হাজিৰা দিছিল। বগা চাহাবে পিঠিত মাৰিলেও পেটত মৰা নাছিল বুলি বুঢ়া মেথাসকলে আজিও সেই কথা স্মৰণ কৰে। আজি চাহ বাগিচাত তাৰ ওলোটা ছবি এখনহে দেখা পোৱা যায়। বগা চাহাবৰ ঠাই অধিকাৰ কৰা ক’লা চাহাবে আজি শ্ৰমিকসকলক পিঠিত মৰাৰ সলনি পেটত মাৰে। তাৰ মাজতে শ্ৰমিকৰ মূৰত কঠাল ভঙা এক শ্ৰেণীৰ সুবিধাবাদী দালালো সোমাই পৰিছে। যাৰ ফলস্বৰূপে সেউজী পাতৰ আঁৰত আপোন ভোলা হৈ জীৱন অতিবাহিত কৰা শ্ৰমিক শ্ৰেণীৰ মাজত সময়ে জংগি আন্দোলনো আহি পৰিছে।

সকলো বগা চাহাবে বাগিচালৈ মেম অনা নাছিল। বহুতে ব্যক্তিগত সুবিধা-অসুবিধাৰ বাবে হয়তো বিবাহিতা বিলাতী মেমক বিলাততে এৰি থৈ আহিছিল। অবিবাহিত চাহাবসকলৰ কথা সুকীয়া। বিলাতী মেম এৰি থৈ আহি বাগিচাৰ আটক ধুনীয়া প্ৰকাণ্ড বাংলাত অকলশৰীয়া ৰূপে থাকি বাগিচাত কাম কৰিছিল। গাড়ী-ঘোঁৰা, চাকৰ-বাকৰ এসোপা থাকিলেও অকলশৰীয়া অনুভৱ কৰাটো স্বাভাৱিক। এই অকলশৰীয়া জীৱন সাময়িকভাৱে পূৰণ কৰিবৰ বাবে জীৱন সংগী বাগিচাতে গোটাই লৈছিল। বিলাতত থকা বিলাতী মেমৰ অগোচৰে অকলশৰীয়া জীৱন কটোৱা কোনো কোনো চাহাবে বাগিচাৰ ধুনীয়া মজদুৰ গাভৰুৰ ৰক্ষিতা মেম কৰি বাংলাত ৰাখিছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সিঁচৰতি হৈ থকা বিভিন্ন বাগিচাৰ বিভিন্ন চাহাবে কাক ক’ত মেম কৰি ৰাখিছিল সকলোবোৰ জনাৰ উপায় নাই। তেজপুৰ এণ্ড ঘগৰা চাহ বাগিচাৰ মিনি মেমৰ দৰে ক’ত মেম আছিল সকলোৰে বিষয়ে জনাটো অসম্ভৱ। চাহ বাগচাৰ পুৰণি দিনৰ বহু পুৰণি কথা আজি পাহৰণিৰ গৰ্ভত। ১৯২১ চনত বৃটিছৰ গুলিত প্ৰাণ হেৰুৱা স্বাধীনতা আন্দোলনত অসমৰ প্ৰথম মহিলা ছহিদ উল্লেখিত মাংৰি মেমো পাহৰণিৰ গৰ্ভত হেৰাই গৈছিল। সময়ত উদ্ধাৰ হ’ল মাংৰিৰ জীৱন কাহিনী। অসমে জানিলে মাংৰিৰ ব্যথাভৰা জীৱনৰ এক বিস্মিত অধ্যায়। মাংৰিৰ বিষয়ে আজি বিভিন্ন কাতত আলোচনীত লিখা মেলা চলিছে। জীৱনী গ্ৰন্থ প্ৰকাশ পাইছে। সেই মাংৰিৰ দৰে হেৰাই যাব ধৰা জুনৰ কথা আজি ভাবিব নোৱাৰা ধৰণে পোহৰলৈ আহিলে। পোহৰলৈ আনিলে লণ্ডনৰ সেই বিখ্যাত কাকতখনে।

ওপৰত কৈ অহা চিংলি-জান বাগিচাৰ ফ্ৰাংক চাহাবে সেইখন বাগিচাৰে এগৰাকী মজদুৰ গাভৰুক এদিন ৰক্ষিতা মেম কৰি বুকুত সাৱটি ল’লে। সময়ত যুগ্ম জীৱনৰ চিন স্বৰূপে এটি কন্যা সন্তানৰ জন্ম হ’ল। নাম থ’লে ‘জুন’। বোধহয় শিশুটিৰ জন্ম হৈছিল জুন মাহত আৰু সেই কাৰ তাইৰ নাম জুন ৰাখিছিল যদিও জনা নাযায়। চাহাবে মাক-জীয়েক দুয়োকে খুব মৰম কৰিছিল। বাগিচাৰ মজদুৰ ছোৱালী বা ৰক্ষিতা মেম বুলি কেতিয়াও তাইক হেয় জ্ঞান নকৰিছিল। মাক-জীয়েকৰ যাতে কোনো কষ্ট নহয় তাৰ ওপৰত সদায় নজৰ ৰাখিছিল। এই ক্ষেত্ৰতে ৰক্ষিতা মেম ৰখা অন্য চাহাবৰ তুলনাত ফ্ৰাংক চাহাব আছিল ব্যতিক্ৰম। তিনিটা সন্তান জন্ম দিয়া কোনোবা ৰক্ষিতা মেমে এটাও সন্তানক কোলাত লৈ মাকৰ গাখীৰ এটোপাল খাবলৈ নিদি চকুৰ আঁতৰলৈ কোনোবা অজ্ঞাত স্থানলৈ সন্তান পঠিয়াই দিয়া মমতাবিহীন সেই বগা চাহাবজনৰ দৰে কিন্তু ফ্ৰাংক চাহাব নাছিল। এইজন চাহাবে জুনক সদায় মাকৰ কোলাতে চকুৰ আগতে সেউজী পাতৰ মাজতে আৰু আটকধুনীয়া মনোমোহা বাংলাতে ডাঙৰ-দীঘল হ’বলৈ দিলে। সুখৰ সংসাৰ এখন এইদৰে চলিব ধৰিলে।

এনেতে চাহাবৰ এদিন বিলাতলৈ যোৱাৰ সময় হ’ল। বাংলা এৰি যাব লগা হোৱাত বাগিচা মজদুৰ লাইনত মাক-জীয়েকৰ থকা-মেলা, খোৱা-বোৱাৰ সকলো ব্যৱস্থা কৰি থৈ যায়। বিদায় পৰত চাহাবে হেনো কনমাণি জীয়েক জুনক কোলাত লৈ আকৌ ঘূৰি অহাৰ কথাকৈ সজন নয়নেৰে তাইক বাৰে বাৰে চুমা খাইছিল আৰু মাকক দুখ নকৰিবলৈ সান্ত্বনা দিছিল।

বিলাতত কিছুদিন থকাৰ পাছত ফ্ৰাংক চাহাব আকৌ বাগিচালৈ ঘূৰি আহে। আহোতে লগত ৰ’জমেৰী নামৰ বিলাতী মেম এগৰাকীক লৈ আহে। লগত বিলাতী মেম লৈ আহিলেও বাগিচাত এৰি থৈ যোৱা ৰক্ষিতা মেমৰ ফালে যে পিঠি দিছিল এনেদৰে ভবাৰ থল বিচাৰি পোৱা নাযায়। বিলাতী মেমৰ লগত হোৱা সাংসাৰিক জীৱনৰ বাধ্যবাধকতাৰ বাবেই হওক অথবা সাংসাৰিক জীৱনত জুই লাগি সন্মানবোধৰ পতন ঘটাৰ ভয়তেই হওক জুনহঁতৰ ওচৰলৈ চাহাব যাব পৰা নাছিল। চাহাবৰ লগত চিংলি-জান চাহ বাগিচাৰ প্ৰকাণ্ড বাংলাত বিলাতী মেম থাকে আৰু মজদুৰ লাইনৰ সৰু পঁজাত ৰক্ষিতা মেম থাকে জীয়েক জুনক লৈ। বিলাতী মেমে জুনহঁতৰ বিষয়ে একো গম পোৱা নাছিল। বিলাতী মেমৰ পৰা সকলোবোৰ কথা চাহাবে বৰ গোপনে ৰাখিছিল। জুনহঁতৰ বিষয়ে একো গম পোৱা নাছিল। বিলাতী মেমৰ পৰা সকলোবোৰ কথা চাহাবে বৰ গোপনে ৰাখিছিল। জুনহঁতৰ ভৰণ-পোষণৰ সকলো খৰচ নিয়মমতে চাহাবে দি থাকে। সিহঁত যাতে কোনো ৰকমৰ আহুকালত নপৰে চাহাবে তাত সদায় দৃষ্টি দিছিল। কিছুদিনৰ পাছত চিংলিজান এৰি বৰবৰুৱাৰ গাতে লাগি থকা জামিৰা চাহ বাগিচালৈ ১২ পৃষ্ঠাত

সেই তাহানিতে বৃটিছৰ আমোলতে বিগত শতিকাৰ ত্ৰিশ দশকতে ডিব্ৰুগড় জিলাৰ চিংলি-জান চাহ বাগিচাত ফ্ৰাংক চেণ্ট জন ক্ৰিষ্টি নামৰ চাহাব এজনে কাম কৰিছিল। বৃটিছৰ দিনত চাহ বাগিচাবোৰৰ চেহেৰাই বেলেগ আছিল। বাগিচাৰ কাম-কাজবোৰো ঠিক নিয়মমতে চলিছিল। তেতিয়া চাহাব-বাবু-শ্ৰমিক কোনেও কামত ফাঁকি দিয়া নাছিল। বগা চাহাবৰ কাঢ়া হুকুমৰ তলত বশৱৰ্তী হৈ সকলোৱে সময়মতে কামত হাজিৰ হৈছিল। নিৰ্ধাৰিত সময়ত কলঘৰত বাজি উঠা ঘণ্টা অথবা বিংগুলৰ আৱাজে সকীয়াই দিছিল সকলোকে কামজাৰি যোৱাৰ সময় হোৱাৰ কথা।



# প্ৰথম মাতৃত্ব আৰু শিশুৰ বাবে মাতৃদুগ্ধৰ উপকাৰিতা



শিশুৰ বাবে মাতৃদুগ্ধই হৈছে সৰ্বোত্তম। জন্মৰ পাছত শিশুটিৰ বয়স ছমাহ হোৱালৈ মাতৃদুগ্ধই পান কৰোৱা উচিত। এই সময়ত শিশুটিক খাদ্য হিচাপে মাতৃদুগ্ধৰ বাহিৰে অন্য একোৱেই দিব নালাগে।

**ডাঃ চৈয়দা চেমিন ইছলাম**

ওপৰোক্ত কথাখিনি প্ৰায় সকলোৰে বাবে জ্ঞাত যদিও কাৰ্য ক্ষেত্ৰত ইয়াৰ ওলোটাটোহে হোৱা পৰিলক্ষিত হয়। কেতিয়াবা যদি ইচ্ছাকৃতভাৱে এনেকুৱা হোৱা দেখা যায়, কেতিয়াবা আকৌ অনিচ্ছাকৃতভাৱেও এনেকুৱা কৰিব লগা হোৱা দেখা পোৱা যায়। কেতিয়াবা হয়তো নতুনকৈ পিতৃ-মাতৃ হোৱা দম্পতীৰ নিজৰ অজ্ঞতাৰ বাবেও শিশুটোৱে নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'বলগীয়া হয়। মুঠতে বিভিন্ন কাৰণত বা অসুবিধাবশতঃ মাতৃগৰাকীয়ে শিশুটিক ছমাহলৈকে একাধাৰে মাতৃদুগ্ধ খুওৱাৰ পৰা বিৰত থাকে বা থাকিবলগীয়া হয়। কিন্তু এই শিশু-মাতৃৰ দুগ্ধৰ প্ৰক্ৰিয়াটো যে দুয়ো পক্ষৰ বাবেই কিমান গুৰুত্বপূৰ্ণ আৰু হানিকাৰক, সেই কথাখিনি মাতৃগৰাকীয়ে নিজে, স্বামী আৰু পৰিয়ালৰ আন সকলো সদস্য তথা মাতৃগৰাকীৰ কৰ্মক্ষেত্ৰৰ মুখিয়াল সকলোৱেও বুজি পোৱা উচিত। এই বিষয়ে আগতেও বহু লিখা প্ৰকাশ পাইছে যদিও সজাগতাৰ অভাৱত শিশুগৰাকীয়ে মাতৃদুগ্ধৰ পৰা বঞ্চিত হ'বলগীয়া পৰিস্থিতি দিনক দিনে বাঢ়ি অহা মহিলাৰ জৰায়ুৰ সমস্যা, অথবা স্তনৰ কৰ্কট ৰোগ আদিৰ বাবে পুনৰ এবাৰ এই বিষয়ে আলোচনা কৰি চোৱাৰ অৱকাশ আছে বুলি ভাবিছো।

বিষয়টো কেৱল মহিলাবেই বিষয় হিচাপে সীমাবদ্ধ নাৰাখি সকলোৱে এই বিষয়ে পুংখানুপুংখভাৱে জনাটো উচিত বুলি ভাবো। এই বিষয়ে সম্পূৰ্ণ জ্ঞাত হ'লেহে তেওঁলোকেও নিজৰ সন্তান-স্ত্ৰী, নাতি-জীয়ৰী, নাতি-বোৱাৰী অথবা কৰ্মক্ষেত্ৰত নিজৰ সহকৰ্মীসকলৰ প্ৰতি নজৰ ৰাখি সহায়ৰ হাত আগবঢ়াব পাৰে বুলি আশা কৰিছো।

বনুৱা বা মজদুৰ শ্ৰেণীৰ মহিলা এগৰাকীয়ে যেনেদৰে পিঠি বা বোকোচাত বান্ধি শিশুটোক নিজৰ লগতে নিজৰ কৰ্মক্ষেত্ৰলৈ লৈ যাব পাৰে, এগৰাকী আধুনিক মহিলাৰ বাবে সেয়া সম্ভৱ নহয়। কেনেবাকৈ কেতিয়াবা শিশুটিক লৈ যোৱা সম্ভৱ হ'লেও দুগ্ধ পান কৰোৱাবলৈ আমাৰ কৰ্মক্ষেত্ৰবোৰত বিদেশৰ দৰে কোনো ধৰণৰ 'ব্ৰেষ্ট ফিডিং ৰুম'ৰ ব্যৱস্থা নাই। সেয়ে, বৰ্তমান সময়ত শিশু-মাতৃৰ এই দুগ্ধপানৰ সমস্যাক একেবাৰে সৰু সমস্যা বুলি নস্যাৎ কৰি পেলালেও পৰৱৰ্তীকালত ইয়েই এক গুৰুতৰ সমস্যাৰ সৃষ্টি কৰি শিশু-মাতৃ উভয়ৰে ঘাতক ৰূপ ল'ব পাৰে। সেয়ে, এই বিশেষ লেখনিটো যুগুতাই আলোচনাৰ বাবে আপোনালোকলৈ আগবঢ়াই দিলো।

শিশুৰ বাবে জন্মৰ পাছত শিশুটিৰ ছমাহ বয়সলৈকে কেৱল মাতৃদুগ্ধই পান কৰিবলৈ দিলে এই প্ৰক্ৰিয়াক এক্সা ক্লুচিভ ব্ৰেষ্ট ফিডিং বুলি কোৱা হয়। এনেদৰে এক্সক্লুচিভ ব্ৰেষ্ট ফিডিং কৰোৱাৰ ফলত শিশুটিৰ শাৰীৰিক আৰু মানসিক বিকাশ, ওজন বৃদ্ধি তথা ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি হয়।

শিশুৰ জন্মগ্ৰহণৰ পাছত দুদিনলৈকে ডাঠ, গাঢ় আৰু ঈষৎ হালধীয়া বৰণৰ দুগ্ধ নিঃসৰণ হয়, যাক ক'ল'ষ্ট্ৰাম বুলি কোৱা হয়। বহু লোকে দুগ্ধ ভাগ বেয়া বুলি বা ইয়ে শিশুটিক অন্যায় কৰিব পাৰে বুলি ভাবি চেপি উলিয়াই পেলাই দিয়ে। শিশুটিক ক'ল'ষ্ট্ৰাম খুওৱাৰ পৰা বঞ্চিত কৰি মৌ খুওৱা দেখা যায়। প্ৰকৃততে, এই ব্যৱস্থা সম্পূৰ্ণ ভুল আৰু একেবাৰে অযুক্তিকৰ। এনেদৰে মৌ খুওৱাৰ ফলত মৌত থকা বিভিন্ন ধৰণৰ বেক্টেৰিয়াৰ দ্বাৰা শিশুটি মাৰাত্মক ডায়েৰীয়া ৰোগত আক্ৰান্ত হোৱাৰহে আশংকা ঘটে।

জন্মৰ পাছতে শিশুক মাকৰ বুকুৰ পৰা দুদিনমানলৈকে নিঃসৰণ হোৱা ক'ল'ষ্ট্ৰাম খুওৱাহে অতি আৱশ্যক। ক'ল'ষ্ট্ৰামে সদ্য নৱজাতকৰ পাচন প্ৰণালীৰ বৃদ্ধি সুচাৰুৰূপে কাৰ্যক্ষম কৰি গঢ়ি তোলাটো সহায় কৰে। ইয়াৰ পাছতে ৩-৪ দিনলৈ মাতৃৰ বুকুৰ ক'ল'ষ্ট্ৰাম পাতল হ'বলৈ ধৰে আৰু গাখীৰলৈ পৰিৱৰ্তিত হয়। এই মাতৃদুগ্ধই শিশুৰ পিয়াহ আৰু ভোক পলোৱাৰ উপৰিও শিশুৱে হজম কৰিব পৰাকৈ কেইবাটিও পুষ্টিকৰ উপাদান থাকে তথা শিশুটোক ৰোগৰ প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰে। শিশুটিৰ বৃদ্ধি আৰু বিকাশৰ বাবে মাতৃদুগ্ধ অতীৱ প্ৰয়োজনীয়। মাতৃদুগ্ধত থকা উপাদানসমূহ এনে ধৰণৰঃ

১) চৰ্বি বা ফেটঃ ফেটি এচিড, পলি আনচেচুৰেইড ফেটি এচিড আদি থাকে।

২) প্ৰোটিন ঃ কেজিন, লেক্টোফেৰিণ, লাইচোজাইম, আলফা লেক্টালবুমিন, চিৰাম এলবুমিন ইত্যাদি থাকে।

৩) শৰ্কৰা, বিশেষকৈ লেক্টজ, অ'লিগোচেকেৰাইডচ থাকে।

৪) মিনাৰেলচ ঃ কেলচিয়াম, ফচফৰাছ, চডিয়াম, পটাছিয়াম, ক্লৰিণ থাকে।

৫) ৰোগ প্ৰতিৰোধ ক্ষমতা বা এণ্টিবডিজ ঃ ইমিউনোগ্ল'বুলিন থাকে। ইয়াত ইমিউনোগ্ল'বুলিন এ ইমিউনোগ্ল'বুলিন জি, ইমিউনোগ্ল'বুলিন এম অন্যতম।

৬) ভিটামিন ঃ থায়ামিন, ৰাইবোফ্লাভিন, নিয়াচিন আৰু পেণ্টথৈনিক এচিড উপলব্ধ হয়।

মাতৃদুগ্ধ পানৰ উপকাৰিতা

কৰ্কট ৰোগ প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰে ঃ ক'ল'ষ্ট্ৰাম বা মাতৃদুগ্ধত থকা এই বিশেষ পুষ্টিকৰ উপাদানসমূহৰ প্ৰটিনত থকা উপাদানসমূহে শিশুৰ আমাশয়ত 'হেমলেট' নামৰ এটা কম্পাউণ্ডৰ সৃষ্টি কৰে, যিটো নেকি ভৱিষ্যতৰ টিউমাৰ কোষ ধ্বংস কৰাৰ ক্ষমতা সম্পন্ন হয়। সেই কাৰণে মাতৃদুগ্ধ পান কৰা শিশুৰ কৰ্কট ৰোগৰ প্ৰতিৰোধ ক্ষমতা বেছি বুলি গণ্য কৰা হয়।

মাতৃ দুগ্ধত থকা উপাদান সমূহে শিশুৰ পাচন কাৰ্য অথবা এপেটাইট সঠিক কৰি ৰাখে। ভোক লগা অথবা ভোক নলগা সকলো সঠিক ৰূপত নিয়ন্ত্ৰণ কৰি ৰাখে, যাৰ কাৰণে শিশুটিৰে পেটৰ সমস্যাত ভোগাৰ পৰা মুক্তি পায়।

সংক্ৰামক ৰোগ হোৱাৰ পৰা বচায় ঃ মাতৃদুগ্ধত হিউমেন মিল্ক অ'লিগোচেকেৰাইড নামৰ এবিধ কাৰ্বোহাইড্ৰেট থাকে যিটো সাধাৰণতে শিশু খাদ্যৰ ফৰ্মুলাত উপলব্ধ নহয়। ইয়াৰ বিশেষত্ব এয়ে যে ইয়াক শিশুৱে হজম কৰিব নোৱাৰে আৰু ই অন্ত্ৰৰ ভিতৰখন গঠন কৰাত সহায় কৰে। এনেদৰে ইয়ে যিকোনো ৰোগৰ বীজাণু শিশুৰ অন্ত্ৰত প্ৰৱেশ কৰিলে সংযুক্ত হোৱাত বাধা প্ৰদান কৰি শিশুটোক সংক্ৰামক ৰোগ হোৱাৰ পৰা বচায়।

শিশুৰ ওজন সঠিকভাৱে বৃদ্ধি হয় ঃ গৱেষণাৰ তথ্যমতে পেকেটৰ দুগ্ধ বা অন্যান্য দুগ্ধ সেৱন কৰা শিশুতকৈ মাতৃদুগ্ধ পান কৰা শিশুসকলৰ ওজন সঠিকভাৱে বৃদ্ধি হোৱাৰ লগতে শৈশৱকালীন স্থূলতাত ভোগাৰ আশংকা ১৫-৩০% কম হয়। এনে মাতৃদুগ্ধ পান কৰাৰ শিশুৰ ক্ষেত্ৰত জীৱনৰ পৰৱৰ্তী কালতো স্থূলতাজনিত ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা কম থাকে। ইয়াৰ অন্যতম কাৰণ হিচাপে মাতৃদুগ্ধ পান কৰা শিশুৰ শৰীৰ অন্ত্ৰত বিশেষ কিছুমান ভাল বেক্টেৰিয়া থাকে, যিয়ে চৰ্বি আদি জমা হোৱাত প্ৰতিৰোধ কৰে।

মাতৃদুগ্ধত থকা পলি আন চেচুৰেটেড ফেটি এচিডত ডিএইচএ নামৰ এবিধ উপাদান থাকে যিয়ে শিশুৰ নিউৰোলজিকেল ডেভেলপমেণ্ট-হিউমেন ব্ৰেইণ, চেৰেব্ৰেল কৰ্টেক্স, ত্বচা আৰু চকুৰ ৰেটিনা নিৰ্মাণ কৰে। ইয়াৰ উপৰিও নিউৰোলজিকেল ফাংচন, যেনে— দৃষ্টি শক্তি, শ্ৰৱণ শক্তি, ঘ্ৰাণ শক্তি আদিকে ধৰি মগজুৰ দ্বাৰা পৰিচালিত সকলো কাৰ্য ক্ষমতা নিয়ন্ত্ৰণ কৰে।

শিশুৰ বুদ্ধি বা মেধাৰ বিকাশ কৰেঃ তথ্য অনুসৰি, অন্যান্য দুগ্ধ সেৱন কৰা শিশুতকৈ মাতৃদুগ্ধ পান কৰা শিশুৰ মেধা আৰু বুদ্ধিৰ বিকাশ তুলনামূলকভাৱে বহুগুণে বেছি হয়। মাতৃদুগ্ধত উপলব্ধ ডিএইচএ নামৰ উপাদান বিধেই শিশুৰ মস্তিষ্কৰ বিকাশ আৰু বুদ্ধি বৃদ্ধি কৰে।

ৰোগ প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰে ঃ মাতৃদুগ্ধত থকা এণ্টিবডি, যাক ইমিউনোগ্ল'বুলিন বুলি কোৱা হয়, ইয়ে দুগ্ধপানৰ জৰিয়তে শিশুৰ দেহলৈ ইমিউনিটি অৰ্থাৎ ৰোগ প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰে।

মাতৃদুগ্ধত থায়ামিন, ৰাইবোফ্লাভিন, নিয়াচিন আৰু পেণ্টথৈনিক এচিড উপলব্ধ থকাৰ বাবে ইয়ে শাৰীৰিক বিকাশ আৰু মানসিক বিকাশত বিশেষভাৱে পুষ্টি যোগায়।

কেলচিয়াম, ফচফৰাছ, চডিয়াম, পটাছিয়াম, ক্লৰিণ আদি মিনাৰেলচ যুক্ত হোৱাৰ বাবে মাতৃদুগ্ধ পান কৰাৰ ফলত শিশুৰ হাড় আৰু মাংসপেশী আদি মজবুত কৰি তোলে। সেয়ে শিশুৱে খোজ কঢ়া, দৌৰা, হাতৰ কাম আদিত সবল আৰু সক্ষম হৈ উঠে।

শিশুৰ ঘ্ৰাণ আৰু স্বাদ গ্ৰহণ শক্তি বৃদ্ধি পায়, কাৰণ মাতৃগৰাকীয়ে বিভিন্ন ধৰণৰ খাদ্য খোৱাৰ কাৰণে বুকুৰ গাখীৰৰ সোৱাদতো বিভিন্নতা আহে। ফলত মাতৃৰ খোৱা খাদ্যৰ পৰাও শিশোৱে বিভিন্ন পুষ্টিকৰ উপাদান পাবলৈ সক্ষম হয়।


কম পক্ষেও ছমাহ পৰ্যন্ত মাতৃদুগ্ধ পান কৰা শিশুসকলৰ ক্ষেত্ৰত এজমা, এলাৰ্জি আদি ৰোগ কমকৈ হোৱা পৰিলক্ষিত হয়।

জন্মৰ পাছত অন্যান্য ফৰ্মুলাৰ দুগ্ধ বা গৰুৰ পান কৰা শিশুৰ তুলনাত মাতৃদুগ্ধ পান কৰা শিশুৰ এলাৰ্জি জনিত সমস্যা কমকৈ হয়। বিজ্ঞানীসকলৰ তথ্য মতে ৰোগ প্ৰতিৰোধক উপাদান চিক্ৰেটৰী ইমিউনোগ্ল'বুলিন ৰ বাবেই এনেকুৱা হোৱা সম্ভৱ হয়। কাৰণ এই উপাদান কেৱল মাতৃদুগ্ধতহে উপলব্ধ থাকে।

চাডেন ইনফাণ্ট ডেথ চিণ্ড্ৰোম হৈছে এনে এক ভয়ানক পৰিস্থিতি য'ত কোনো কাৰণ বা লক্ষণ নোহোৱাকৈ হঠাতে শিশুটিৰ (১ বছৰৰ তলৰ) মৃত্যু ঘটে। মৃত্যুৰ পাছত বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি চালেও ইয়াৰ কাৰণ নিৰ্ধাৰণ কৰিব নোৱাৰি। শিশুৰ এনেদৰে হঠাতে মৃত্যু হোৱা ঘটনা বিশেষকৈ ১-৪ মাহ *১১ পৃষ্ঠাত*



# অনুবাদ গল্প



লেখক পৰিচিতিঃ আৰ্ণেষ্ট হেমিংৱেৰ সম্পূৰ্ণ নাম হ'ল আৰ্ণেষ্ট মিলাৰ হেমিংৱে। ১৮৯৯ চনৰ ২১ জুলাই তাৰিখে জন্মলাভ কৰা আৰ্ণেষ্ট হেমিংৱে কেৱল আমেৰিকাতে নহয় বৰঞ্চ সমগ্ৰ বিশ্বসাহিত্যৰে এগৰাকী প্ৰখ্যাত গদ্যশিল্পী। বিংশ শতিকাৰ গদ্য সাহিত্যত আৰ্ণেষ্ট হেমিংৱেৰ বিশেষ প্ৰভাৱ অনুভূত হয়। আৰ্ণেষ্ট হেমিংৱেই সাতখন উপন্যাস, ছখন গল্পসংকলন আৰু তিনিখন কল্পনাবৰ্জিত গদ্যসংকলন ৰচনা কৰিছিল। জীৱন সম্পৰ্কীয় শক্তিশালী আৰু বিখ্যাত উক্তিসমূহৰ বাবেও আৰ্ণেষ্ট হেমিংৱে অতি জনপ্ৰিয়। ১৯৫৪ চনত আৰ্ণেষ্ট হেমিংৱেই সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰে। সমগ্ৰ বিশ্বকে স্তম্ভিত আৰু শোকস্তব্ধ কৰি ১৯৬১ চনত আৰ্ণেষ্ট হেমিংৱেই আত্মহত্যা কৰে।

হস্ৰকালীন প্ৰেমৰ এটি গল্প ঃ এটা তপত সন্ধিয়া সিহঁতে তাক অট্টালিকাটোৰ ছাদলৈ লৈ গ'ল। ছাদৰ পৰা সি গোটেই চহৰখনৰ সম্পূৰ্ণ দৃশ্যপট দেখা পালে। পিছে সি অধিক সময় এয়া চাই থকাৰ সুযোগ নাপালে। অতি সোনকালেই আন্ধাৰৰ চাদৰে চহৰখন ঢাকি ধৰিলে আৰু ষ্ট্ৰিট লাইটবোৰ জ্বলি উঠিল। লুজ আৰু তাক ছাদতে এৰি বাকীসকল মদৰ বটলৰ সৈতে তললৈ নামি গ'ল। লুজ আৰু সি অলপ পাছতে তলৰ বেলকনিত পাৰ্টি কৰাৰ নামত বাকীসকলে কৰা হুলস্থুলৰ শব্দ শুনিবলৈ পালে। লুজে তাৰবাবে বিছনাখন প্ৰস্তুত কৰিলে। সেই উৎকট, উত্তপ্ত নিশাটোত লুজ আছিল তাৰবাবে এছাটি সজীৱ, শীতল বতাহ।


বিগত তিনিমাহ ধৰি লুজে নাৰ্চ হিচাপে 'নাইট শ্বিফট'ত ডিউটি কৰিছে। নাৰ্চ হিচাপে লুজক পোৱাটো কৰ্তৃপক্ষৰ সোভাগ্য, লুজে তাক 'অপাৰেশ্যন টেবুল'ৰ বাবে সাজু কৰিলে। তাৰ পেট খালী কৰিবৰ বাবে 'এনেমা' প্ৰয়োগ কৰাৰ সময়ত সিহঁতে আনকি 'এনেমা' সম্পৰ্কে প্ৰচলিত বিভিন্ন 'কৌতুক'ৰ বিষয়েও আলোচনা কৰি কৰি হাঁহিলে। তাৰ ওপৰত 'এনাস্থেছিয়া' বা চেতনানাশক প্ৰয়োগ কৰাৰ সময়ত সি অতি সচেতনভাৱে ওঁঠ দুটা জপাই থলে যাতে তাৰ মুখেৰে কোনো নক'বলগীয়া কথা ওলাই নাযায়।

অপাৰেশ্যনৰ পাছত লাহে লাহে সুস্থ হৈ উঠাৰ সময়ত সি সদায় এইটো কথাৰ ওপৰত চকু দিলে যাতে কোঠাটোৰ উষ্ণতাই লুজক অসুবিধা নিদিয়ে। ছাদ এই চিকিৎসালয়খনত মাত্ৰ কেইজনমানহে ৰোগী। ৰোগীসকলৰ প্ৰত্যেকেই ইজনে-সিজনক চিনি পায় আৰু প্ৰত্যেকেই লুজক ভাল পায়।

অপাৰেশ্যনৰ পাছত যেতিয়া সি খোজকাঢ়িব পৰা হ'ল আৰু লুজৰ সাহায্যত যেতিয়া সি দীঘল হলটোত খোজকাঢ়ি ফুৰিবলৈ আৰম্ভ কৰিলে তেতিয়াৰে পৰা লুজক সি নিজৰ বিচনাতো বিচাৰিবলৈ আৰম্ভ কৰিলে আৰু সঁহাৰিও পালে।

■ ড° স্বাতী কিৰণ

কিছুদিনৰ পাছত সি পুনৰ মেজৰ ৰূপে সৈন্যবাহিনীলৈ ঘূৰি যোৱাৰ সময় আহি পৰিল। পিছে ঘূৰি যোৱাৰ আগতে দুয়ো এদিন একেলগে গীৰ্জালৈ গৈ প্ৰাৰ্থনা কৰিলে। ক্ষীণ পোহৰৰ মাজত তাত অনেকে নীৰৱে প্ৰাৰ্থনা কৰি আছিল। সিহঁতে বিয়া পাতিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। পিছে তাৰবাবে প্ৰয়াজন হোৱা সময় আৰু 'বাৰ্থ চাৰ্টিফিকেট' এটাৰো হাতত নাছিল। পিছে আনুষ্ঠানিকভাৱে বিবাহ পাশত আৱদ্ধ নহ'লেও দুয়ো নিজকেই স্বামী-স্ত্ৰীৰূপেই গণ্য কৰিবলৈ আৰম্ভ কৰিলে।



সি সৈন্যবাহিনীলৈ ঘূৰি গ'ল। লুজে তালৈ অজস্ৰ চিঠি লিখিলে। চিকিৎসালয়ৰ অভিজ্ঞতা, তাৰ প্ৰতি তাইৰ সুগভীৰ প্ৰেম, বিচ্ছেদৰ যন্ত্ৰণা আৰু বিশেষকৈ তাৰ সান্নিধ্য অবিহনে পাৰ কৰা নিশাবোৰৰ ছটফটনিৰ কথাৰেই এই চিঠিবোৰৰ পৃষ্ঠাবোৰ ভৰি আছিল। পিছে এই সময়বোৰো এদিন শেষ হ'ল। 'Shor Service'ত সৈন্যবাহিনীলৈ যোৱা তাৰ চাকৰিকাল এদিন সমাপ্ত হ'ল।


সি আৰু লুজে সিদ্ধান্ত গ্ৰহণ কৰিলে যে সি ঘৰলৈ যাব আৰু এটা ভাল চাকৰি বিচাৰিব যাতে অতি সোনকালে সিহঁত আনুষ্ঠানিকভাৱে বিবাহ পাশত আৱদ্ধ হ'ব পাৰে। তাৰ চাকৰি নোহোৱালৈকে লুজ তাৰ ঘৰলৈ নাযায়, প্ৰয়োজনাসাপেক্ষে সি লুজক বিচাৰি নিউয়ৰ্কলৈ আহিব। বন্ধুৰ লগত পাৰ্টি কৰা, মদ খোৱা আদি অৰ্থহীন কাম বাদ দি সি কেৱল একান্তমনে চাকৰি বিচাৰিব। পিছে পাদুৱাৰ পৰা মিলানলৈ ৰেলত যোৱাৰ সময়ত সিহঁতে কেৱল কাজিয়া কৰিলে। আনকি সুদীৰ্ঘ আৰু নিবিড় চুম্বনেৰে মিলানত বিদায় লোৱাৰ সময়তো সিহঁতৰ কাজিয়াৰ অন্ত নপৰিল।

'বিদায় পৰ্ব'টো এনেকুৱা হোৱাৰ বাবে তাৰ মনটো হতাশাৰে ভৰি পৰিল আৰু ইয়াৰ প্ৰভাৱ সিহঁতৰ সম্পৰ্কতো পৰিল।

গেনোৱাত জাহাজত উঠি সি ঘৰলৈ উভতি গ'ল। লুজ এখন চিকিৎসালয়ত কাম কৰিবৰ বাবে পৰডনেলৈ গ'ল। পৰডনেত সৈন্যবাহিনীৰ চাউনী এটা সেই সময়ত আছিল। সেই চাউনীটোৰ মেজৰজনৰ সৈতে শীতৰ নিশা শাৰীৰিক তাড়নাবশতঃ লুজৰ মিলন হ'ল। নিজৰ এই ভুলৰ কথা লুজে তাৰ আগত অকপটে স্বীকাৰ কৰি এখন দীঘল চিঠি লিখিলে। লুজে আশা কৰিলে সি তাইক ক্ষমা কৰি দিব আৰু বসন্তকালত দুয়ো বিবাহ পাশত আৱদ্ধ হ'ব।

পিছে বসন্তকালত লুজ আৰু তাৰ বিয়া নহ'ল। অকল বসন্তকালতেই নহয় আচলতে কেতিয়াও নহ'ল।

সি লুজৰ চিঠিৰ কোনো উত্তৰ নিদিলে। তাৰ পৰিবৰ্তে এখন টেক্সিৰ পিছৰ ছিটত এখন ডিপাৰ্টমেণ্টল ষ্ট'ৰৰ এগৰাকী সুন্দৰী 'ছেলছ গাৰ্ল'ৰ সৈতে অসুৰক্ষিত শাৰীৰিক সম্পৰ্কত লিপ্ত হোৱাৰ পৰিনামস্বৰূপে সি গণৰীয়া নামৰ যৌনৰোগত আক্ৰান্ত হ'ল।



চতুৰ্থ পৃষ্ঠাৰ পৰা

# অসমৰ শাক্ত সাহিত্যৰ ধাৰা

শিৱই পাৰ্বতীৰ আগত ভিন ভিন আখ্যানৰ যোগেদি কোৱা বুলি খ্যাত বিভিন্ন দেৱ-দেৱীৰ পূজাৰ বিধান থকা গ্ৰন্থ। ড০ হৰিনাথ শৰ্মাদলৈয়ে তেওঁৰ ‘অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য’ নামৰ গ্ৰন্থখনত যোগিনীতন্ত্ৰৰ বিষয়ে এইদৰে লিখিছে— ‘চৌষষ্টিখন প্ৰধান তন্ত্ৰৰ ভিতৰত যোগিনীতন্ত্ৰ অন্যতম। এই প্ৰসিদ্ধ তন্ত্ৰখন খুব সম্ভৱ খ্ৰীষ্টীয় ১৪ শ শতিকাৰ কোনো সময়ত কামৰূপতেই নিশ্চিতভাৱে ৰচিত হৈছিল। যোগিনীতন্ত্ৰ অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক ইতিহাসৰ অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ, সৰ্বভাৰতীয় শাক্ত ধৰ্মৰ প্ৰবল স্ৰোততো ইয়াৰ অৱদান বহুত।’

দুটা প্ৰধান ভাগত বিভক্ত যোগিনীতন্ত্ৰৰ প্ৰথমভাগ পূৰ্বখণ্ড আৰু দ্বিতীয়ভাগ উত্তৰখণ্ড। দুয়োটা খণ্ডতে আঠাইছটা পটল থকা তন্ত্ৰখনৰ পূৰ্বখণ্ডত ঊনৈশটা আৰু উত্তৰখণ্ডত নটা পটল আছে। পটল শব্দই গ্ৰন্থৰ অধ্যায় বা ভাগক বুজায়। প্ৰথম অধ্যায়ত ধৰ্মৰ আচৰণত গুৰুৰ মাহাত্ম্য আৰু আৱশ্যকতাৰ কথা শিৱই পাৰ্বতীক কোৱা কথাৰে তন্ত্ৰখন আৰম্ভ হৈছে। দ্বিতীয় আৰু তৃতীয় অধ্যায়ত ক্ৰমে কালিকা-বিদ্যা আৰু মালাজপৰ নিয়মৰ বিষয়ে বিশদ বিৱৰণ দিয়া হৈছে। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত কিছুমান বিশেষ সাধনৰ কথা কোৱা হৈছে। পঞ্চমকাৰৰ সাধন আৰু বন্ধন মুক্তিৰ বিৱৰণ দিয়া হৈছে ষষ্ঠ অধ্যায়ত। সপ্তম অধ্যায়ত স্বপ্নৱতী, মৃতসঞ্জীৱনী আৰু মধুমতী এই তিনিবিধ বিদ্যাৰ ব্যাখ্যা কৰা হৈছে। মহাকালীৰ জ্যোতিৰ পৰা অসংখ্য যোগিনীৰ জন্মৰ কথা কোৱাৰ লগতে দেৱী শক্তিক পৰমা শক্তিৰূপে প্ৰতিষ্ঠা কৰিছে অষ্টম অধ্যায়ত। দেৱীশক্তি মহাকালীৰ পৰাই ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি, আৰু ধ্বংসৰ ক্ষমতা লাভ কৰিছে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। নৱম অধ্যায়ত ইয়াৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। কালীয়ে (শক্তিয়ে) যে পৰমা শক্তি আৰু ব্ৰহ্মাণ্ডৰ মূল সৃষ্টিৰ কাৰণ সেই বিষয়ে দশম অধ্যায়ত বৰ্ণিত হৈছে। কামৰূপৰ শাসনকৰ্তা নৰক, মুনি বশিষ্ঠ আৰু কামৰূপৰ সীমাৰ বৰ্ণনা দিয়া হৈছে একাদশ অধ্যায়ত। ব্ৰাহ্মণৰ মাহাত্ম্য আৰু জপ, বাহ্যিক আৰু আন্তৰিক কৰ্মৰ ফলদায়ক ক্ষমতাৰ বৰ্ণনা দিয়া হৈছে দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ত। সৌমাৰপীঠত শাসন কৰা ইন্দ্ৰবংশৰ ৰজাসকলৰ উৎপত্তিৰ বৰ্ণনা চতুৰ্দশ অধ্যায়ত আৰু যোনী মাহাত্ম্য বৰ্ণনাৰ লগতে অধ্যায়ত শিৱৰ শ্ৰেষ্ঠতা আৰু কালীক পৰম সত্য হিচাপে প্ৰতিষ্ঠা কৰিছে। কুমাৰী পূজাৰ বিধি আৰু ফল, গংগাৰ মহাত্ম্য আৰু কালীৰ মাহাত্ম্যৰ বিষয়ে ক্ৰমে সপ্তদশ, অষ্টাদশ আৰু ঊনবিংশ অধ্যায়ত অতি সুন্দৰকৈ বৰ্ণিত হৈছে।

কামৰূপৰ বিভিন্ন পীঠৰ বৰ্ণনা, কি কি তিথিত, কিকি নক্ষত্ৰত আৰু কি কি বাৰত কি কৰা উচিত বা অনুচিত তাৰ বৰ্ণনা, ১০৮ খন পীঠৰ বৰ্ণনা, প্ৰধান তীৰ্থস্থানৰ বৰ্ণনা, তীৰ্থ ভ্ৰমণৰ ফল, নিৰ্দিষ্ট তিথিত কৰিবলগীয়া ধৰ্মানুষ্ঠান, ধৰ্মগ্ৰন্থ ৰচনা কৰাৰ পদ্ধতি, বিভিন্ন দেৱীৰ পূজাৰ পদ্ধতিৰ বৰ্ণনা আদিৰে উত্তৰখণ্ডৰ নটা অধ্যায় বা পটল সম্পূৰ্ণ কৰিছে।

যোগিনীতন্ত্ৰ সম্পৰ্কে ড০ হৰিনাথ শৰ্মাদলৈয়ে তেওঁৰ ‘অসমত শক্তিসাধনা আৰু শাক্ত-সাহিত্য’ গ্ৰন্থত মন্তব্য কৰিছে এনেদৰে— ‘যোগিনীতন্ত্ৰ মতে দেৱী (শক্তি) জগতৰ পৰম সত্তা— পৰম সত্য। সমগ্ৰ বিশ্বজগত অসত্য, ই কেৱল চিৰ শাশ্বত জগতজননীৰ মায়াৰ অভিব্যক্তি।.... ধৰ্মীয় পদ্ধতিৰ মাজেদি শাস্ত্ৰ-প্ৰণয়ন ব্যৱস্থা, নদ-নদীক দেৱ-দেৱী আৰু মাতৃ জ্ঞান কৰি পূজা-শ্ৰদ্ধা কৰাৰ আদৰ্শ আধ্যাত্মিক উৎকৰ্ষ বা মুক্তি লাভৰ আশাত তীৰ্থ গমনৰ ব্যৱস্থা আদি কথাবোৰ উচ্চস্তৰৰ সমাজ আৰু সংস্কৃতিৰ নিদৰ্শন।’

**কামাখ্যাতন্ত্ৰ ঃ** অসমত ৰচিত হোৱা আন এখনি তন্ত্ৰ শাস্ত্ৰ হৈছে ‘কামাখ্যাতন্ত্ৰ’। ‘যোগিনীতন্ত্ৰ’ ৰচনাৰ পাছত মা-কামাখ্যাৰ কোনো পণ্ডিত ভক্তই এই শাস্ত্ৰখন ৰচনা কৰিছে বুলি ধাৰণা কৰা হয়।

দেৱী কামাখ্যাৰ শক্তি, মাহাত্ম্য, তেওঁৰ পূজাবিধি আৰু সেই পূজাৰ ফল আদিৰ বৰ্ণনাই এই শাস্ত্ৰখনৰ মূল বিষয়বস্তু। এই গ্ৰন্থখনে কামাখ্যাদেৱীক জগতজননী-পৰমেশ্বৰী ৰূপে প্ৰতিষ্ঠা কৰিছে।

**হৰগৌৰী-সংবাদ ঃ** মহাভাৰত খ্যাত কামৰূপৰ ৰজা ভগদত্তৰ পৰা আৰম্ভ কৰি আহোম ৰাজত্বকালৰ শেষ কালৰ ৰজা স্বৰ্গদেউ কমলেশ্বৰ সিংহলৈকে ৰজাসকলৰ বিৱৰণ কম-বেছি পৰিমাণে সংস্কৃত শ্লোকেৰে বৰ্ণনা কৰা হৈছে। এই গ্ৰন্থখনত তেইশটা অধ্যায় আছে আৰু বৰ্ণিত কথাবোৰ শিৱ পাৰ্বতীৰ আগত ভৱিষ্যৎ বাণী কৰাৰ দৰে বৰ্ণিত কৰা হৈছে। সেয়ে এইখন এখন তন্ত্ৰ পৰ্যায়ৰ গ্ৰন্থ।

ত্ৰয়োদশ শতিকাৰ কবি হেম সৰস্বতীৰ নামত অসমীয়া পদত লিখা এখনি ‘হৰগৌৰী-সংবাদ’ পোৱা গৈছে।

**শক্তি সংগম তন্ত্ৰ ঃ** শাক্ত দৰ্শনৰ এইখন এখন উল্লেখযোগ্য গ্ৰন্থ যিখনত কামৰূপৰ মাহাত্ম্য অতি সুন্দৰকৈ লিখকে বৰ নিষ্ঠাৰে সৈতে বৰ্ণনা কৰিছে। শাক্ত ধৰ্মৰ বিষয়ে ভালেমান তথ্য এই গ্ৰন্থত সন্নিৱিষ্ট হোৱা দেখা গৈছে।

শাক্তদৰ্শনৰ আনকেইখনমান উল্লেখযোগ্য গ্ৰন্থ বৰ্তমানলৈ ছপাৰ মুখ নেদেখাকৈ সংৰক্ষিত হৈ আছে। সম্ভৱতঃ পোন্ধৰ শতিকামানত ৰচিত হৈছিল— ‘পুৰশ্চৰণ চন্দ্ৰিকা’। দেৱেন্দ্ৰাশ্ৰম সন্ন্যাসী নামৰ পণ্ডিতে লিখা এই গ্ৰন্থখনে শক্তি সাধনাৰ কিছুমান কথা দাঙি ধৰিছে। ‘পঞ্চ-মন্ত্ৰ-দীক্ষা-কৌমুদী’ আৰু ‘গূঢ়াৰ্থ দীপিকা’ নামৰ দুখন শাক্ত গ্ৰন্থৰ মহাৰাজ নৰনাৰায়ণৰ (১৫৪০-১৫৮৬ খ্ৰীঃ) সভাপণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশে ৰচনা কৰিছিল। কামৰূপৰ এজন পণ্ডিত গদাধৰ তৰ্কলংকাৰে ‘সপ্তশতী চণ্ডী’ৰ ওপৰত এটা টীকা কৰিছিল। ‘সপ্তশতী-চণ্ডীৰ টীকা’ নলবাৰীৰ সঞ্জীৱনী সভাত সংৰক্ষিত হৈ আছে।



**অসমীয়া ভাষাত ৰচিত শাক্ত-সাহিত্য**

পুৰাণ আৰু তন্ত্ৰ, সংস্কৃত সাহিত্যই যদিও শক্তি-সাধনৰ সিদ্ধি লাভৰ ক্ষেত্ৰ হিচাপে ভাৰত বিখ্যাত শক্তিপীঠ অসমৰ নীলাচল পাহাৰত অৱস্থিত কামাখ্যাপীঠৰ কথা উল্লেখ কৰি আহিছে তথাপি অসমীয়া ভাষাত ৰচিত শাক্তদৰ্শনৰ সাহিত্যৰ সংখ্যা যথেষ্ট কম। অসমত কামাখ্যাপীঠ তন্ত্ৰ সাধনাৰ কেন্দ্ৰস্থল হিচাপে পৰিচিত আছিল বাবেই হয়তো সেই সময়ৰ সাধাৰণ অসমীয়া মানুহৰ মাজত ইয়াৰ জনপ্ৰিয়তা আজিকালিৰ দৰে নাছিল।

**অসমীয়া মৌখিক শাক্ত-সাহিত্য ঃ** অতি পুৰণি কালৰ পৰা মানুহৰ মুখে মুখে শাক্ত-সাহিত্যৰ অনুপম ধাৰা বৰ্তমানলৈ প্ৰবাহিত হৈ আছে। সেইবোৰ মৌখিক শাক্ত সাহিত্য হিচাপে জনাজাত। এই মৌখিক সাহিত্যৰ ভিতৰত আইনাম, দেৱী আইৰ গীত, অপেচৰা নাম আৰু লখিমী সবাহৰ গীতেই প্ৰধান। বৰ্তমান কালত এই মৌখিক সাহিত্য ছপা মাধ্যমৰ যোগেদি প্ৰকাশিত হৈ ওলোৱা পৰিলক্ষিত হৈছে।

লিখিত সাহিত্য ঃ অসমীয়া ভাষাৰ লিখিত শাক্ত দৰ্শনৰ প্ৰথম নিদৰ্শন হিচাপে মনসা সাহিত্যকেই কোৱা হয়। মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱৰ নামৰ তিনিজন কবিয়ে এই মনসা কাব্য ৰচনা কৰিছিল। কবি তিনিজনাৰ নামানুসৰিয়েই তেওঁলোকৰ কাব্যৰ নাম মনকৰী দুৰ্গাবৰী আৰু সুকনানী বোলা হয়। মনকৰ আৰু দুৰ্গাবৰ পোন্ধৰ শতিকাৰ শেষভাগৰ কবি আৰু সুকবি নাৰায়ণদেৱ যোল্ল শতিকাৰ মাজভাগৰ কবি আছিল। ড০ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱ আৰু ড০ সত্যেন্দ্ৰনাথ শৰ্মাদেৱে ‘মনকৰী’ আৰু ‘দুৰ্গাবৰী’ কাব্য দুখন সম্পাদনা কৰি প্ৰকাশ কৰি উলিয়াইছে। দৈৱচন্দ্ৰ তালুকদাৰৰ সম্পাদনাত ‘সুকনানী’ প্ৰকাশ হৈ ওলাইছে।

কবি মনকৰ ৰচিত ‘মনকৰী’ কাব্যখনত তিনিটা খণ্ড আছে। সেই তিনিটা খণ্ড হৈছে— সৃষ্টিখণ্ড, হৰগৌৰী বিবাহ খণ্ড আৰু পদ্মা জন্ম খণ্ড। সৃষ্টিখণ্ডত ব্ৰহ্মাৰ সৃষ্টিৰ কাব্যিক বৰ্ণনা, হৰগৌৰী বিবাহ খণ্ডত হৰ-পাৰ্বতীৰ বিবাহৰ বিভিন্ন দিশৰ সন্দৰ্ভত কাব্যিক বৰ্ণনা আৰু পদ্মা জন্ম খণ্ডত— হৰৰ পুষ্পবন যাত্ৰা, দেৱী পদ্মাৰ জন্মকথা, কুচুনী বেশ ধাৰিণী দুৰ্গাৰ দ্বাৰা হৰমোহন আৰু কিছুমান আনুষংগিক ঘটনাৰ কাব্যিক বৰ্ণনা কৰা হৈছে।

কবি দুৰ্গাবৰ ৰচিত ‘দুৰ্গাবৰী’ কাব্যই সমগ্ৰ বেউলা আৰু লখিন্দাৰৰ আখ্যানটোৰ কাব্যিক বৰ্ণনা অতি মনোৰমকৈ দিবলৈ সক্ষম হৈছে। ওজাপালিয়ে সুৰ লগাই গাব পৰাকৈ ৰচনা কৰা এই কাব্যখন গীতিকাব্য ৰূপে পৰিচিত। দুৰ্গাবৰী গীতিকাব্য আৰু মনকৰী মনসা কাব্য দুখন আজিও ওজাপালিয়ে সুৰ ধৰি মনসা পূজাত গায়।

‘সুকনানী’ৰ কবি সুকবি নাৰায়ণদেৱ প্ৰাচীন অসমীয়া সাহিত্যৰ কবিসকলৰ ভিতৰত এজন শ্ৰেষ্ঠ কবি আছিল। দৈৱচন্দ্ৰ তালুকদাৰ সম্পাদিত ‘সুকনানী ঃ পদ্মাৱতী’ ৭৪৯ পৃষ্ঠা জোৰা এখন প্ৰকাণ্ড কাব্য। ‘অসমত শক্তি-সাধনা আৰু শাক্ত-সাহিত্য’ত ড০ হৰিনাথ শৰ্মা দলৈদেৱে এই কাব্যখনৰ বিষয়ে এইদৰে লিখিছে— ‘নাৰায়ণদেৱৰ বিৰাট মনসা-কাব্য (সুকনানী) দুটা প্ৰধান ভাগত বিভক্ত— পদ্মপুৰাণ আৰু ভাইঠেলি।

*১৪ পৃষ্ঠাত*



## ধাৰাবাহিক উপন্যাস

# এজন সিদ্ধ পুৰুষৰ আগমনত

**অলকানন্দা দত্ত**

হাজৰিকাই পত্নীৰ আছুতীয়া কোঠাটোত সোমাই টোকাবহীখন উলিয়াই লোৱাৰ কথা ভাবোতেই পঢ়া টেবুলৰ ড্ৰয়াৰটো খুলি এনেয়ে চাবৰ মন গ'ল। পত্নীক জানিবলৈ তেওঁৰ যে কিমান প্ৰয়াস, আৰু কিমান কথা জানিবলৈ যেন থাকি গ'ল, যিবিলাক কথা জীৱিত কালত তেওঁ এবাৰো ভাবি চাবলৈ কোনো ধৰণৰ মানসিক প্ৰস্তুতিয়েই কৰা নাছিল, এতিয়া তেওঁৰ মনে সেইবিলাককে বিচাৰি বিচাৰি হাবাথুৰি খাবলগীয়া অৱস্থা হৈছে। আৰু যিমানেই তেওঁ জানিবলৈ পাইছে প্ৰত্যেক দিনাই তেওঁ যেন কিবা নহয় কিবা উৎঘাত কৰিয়েই আছে, তাৰ বাবে কিছু জ্ঞান তেওঁৰ আয়ত্ত কৰাৰ দৰে লেগাৰ কাৰণেই জ্ঞান চক্ষুও খোল খাই যোৱাৰ নিচিনা লাগিছে। লগে লগে গুঢ়তম কথাবোৰ তেওঁৰ মনৰ মাজত উজলি উঠিছে, কিছুমানে তেওঁক সুন্দৰকৈ জ্ঞান দিছে, কিছুমানে তেওঁৰ মনটো ভবাই তুলিবলৈ বাধ্য কৰাইছে, কিছুমান কথাৰ বাবে তেওঁৰ মনলৈ অনুশোচনা আহি মন দগ্ধ কৰি পেলাইছে, তথাপিও তেওঁ প্ৰত্যেক দিনাই কিবা নহয় কিবা আহৰণ কৰি মনত সন্তোষ্টি লাভিছে। লাহে লাহে তেওঁ যেন দাৰ্শনিক হৈ পৰিছে। দাৰ্শনিক অৰ্থ হৈছে একেটা বহুতো দিশৰ পৰা চালি জাৰি লৈ নিজৰ মন, বুদ্ধি, আৰু বিবেকক প্ৰস্তুত কৰি তোলা। তেওঁ যেন মানসিক ভাবে নিজকে প্ৰস্তুত কৰিব পাৰিছে, তেতিয়াই বিভিন্ন প্ৰশ্নই মনত থিতাপি লৈছেহি। জীৱনটোনো আচলতে কি, জীৱনটো কেনেকৈ যাপন কৰিব লাগে, জীৱনৰ অৰ্থই বা কি, অলপ গীতাৰ কথা আয়ত্ত কৰিয়েই তেওঁ বুজি উঠিছে, আমাৰ প্ৰত্যেকৰে জীৱনৰ মহা মূল্য আছে। বহু পুণ্যৰ ফলত আমি এই মানৱীয় জীৱন পাই ছো। প্ৰতেকে আমি আমাৰ জীৱনটো কেনেকৈ পাৰ্থক্য কৰিব পাৰি সেই বিষয়ে জানিবলৈ চেষ্টা কৰিব লাগিব। জীৱন মানে জন্মতে আৰম্ভ আৰু মৃত্যুৰেই শেষ নহয়, মৃত্যুৰ পিছতো আমাৰ আমাৰ আত্মা সক্ৰিয় হৈ থাকে। আমাৰ এই জীৱন অনন্ত জীৱন, কাললৈকে আমাৰ আত্মাৰ অস্তিত্ব থাকে। মহাকালে ৰুদ্ৰ ৰূপে লৈ আমাৰ পৃথিৱী ধ্বংস কৰি পেলালেও নিৰাকাৰ ৰূপত আত্মা জীয়াই থাকিব অনন্ত কাললৈ। এইবিলাক জানিবলৈ পোৱাটো কম আচৰিত কথানে? এইকেইদিন মানৰ ভিতৰতে তেওঁ ইমানখিনিয়েই অনুধাৱন কৰিব পাৰিছে। এতিয়ালৈকে যিমানখিনি লৈকে তেওঁ বুজিব পাৰিছে সিমানখিনিলৈকে সন্তোষ্টি হৈ থকাই ভাল নেকি? যেনেকৈ তেওঁ বুজি পাইছে সেইখিনি জানিবলৈ পাই তেওঁৰ বাবে যথেষ্ট যেন লাগিছে। পত্নীৰ আত্মাটো যে এতিয়াও সক্ৰিয় হৈ আছে সেই কথাও অনুমান কৰি ল'ব পাৰিছে। তাতে তেওঁ শান্তি পাইছে। তেওঁৰ জীৱনত এতিয়াৰ কথাবোৰ সম্ভৱ হ'ব পাৰিছে যেন একমাত্ৰ পত্নীৰ আশাসুধীয়া প্ৰচেষ্টাৰ কাৰণে। জীৱনকালত তেওঁৰ কাৰণে কৰিব নোৱাৰা কামবিলাক এতিয়া যেন পত্নীয়ে কৰি আছে। দূৰৰ পৰাই যেন পত্নীৰ উপস্থিতিৰ সুখকণ তেওঁ অনুভৱ কৰি আছে, কাৰণ মৃত্যুৰ পাছত পত্নী চন্দ্ৰলোকত আছে, কাৰণ তেওঁ পুণ্যাত্মা। তাত থকাজনে হেনো পৃথিৱীৰ কথা নিকটতম আত্মীয়জনৰ ভালৰ কাৰণে কাম কৰি থাকিব পাৰে। সেয়ে



হাজৰিকাৰ অমৰনাথৰ সন্ন্যাসীজনক পুনৰ আকৌ এবাৰ লগ পাবৰ মন যায়। আৰু বহু কথা তেওঁৰ পৰা জানিবৰ মন যায়। জীৱনকালতে তেওঁৰ এই ইচ্ছাপূৰণ নহবনে বাৰু? পত্নীয়ে তাৰ সুব্যৱস্থা নিশ্চয় কৰিব। সেই আশাই তেওঁৰ মনত মাজত অহৰহ ক্ৰিয়া কৰিয়েই থাকে। কথাবোৰ বাবি থকাৰ কাৰণে বহুত সময় তেওঁ জায়েৰীৰ পাতবোৰ লুটিয়াবলৈ পাহৰিয়েই গৈছিল। পুণৰ তেওঁ ডায়েৰীৰ পাতবোৰ লুটিয়াই থাকোতে এঠাইত ৰৈ যাবলগীয়া হ'ল। তাৰিখটো চাই ধৰিব পাৰিলে অমৰনাথলৈ যোৱাৰ কেইদিনমানৰ আগতে লিখা। এইবাৰ তেওঁ বৰ মনোযোগেৰে চাবলৈ ধৰিলে। পত্নীয়ে লিখিছিল এনেদৰে— যোৱা কিছুদিনৰ পৰা মোক মোৰ ষষ্ঠ ইন্দ্ৰিয়ই যেন কৈ আছিল, মই এই পৃথিৱীত বৰ বেছিদিনৰ আলহী নহয়, বিশেষকৈ মই জপ কৰি উঠাৰ পাছত মোৰ মনটো খেলিমেলি হৈ থাকে, আগৰ নিচিনা দৃঢ় নহয়, কোনোবা নেদেখা ঠাইৰ পৰা যেন মোলৈ অহৰহ কিবা সংকেত মানে বাৰ্তা আহি থকাৰ দৰে লাগে। কোনোবাই মানে হয়তো দেৱলোকৰ পৰা মোলৈ কিবা প্ৰেৰণ কৰিব খুজিছে। সেয়ে মই ভাবি থাকিবলৈ ধৰিলো, মোৰ মনৰ ইচ্ছা কিবা পূৰ্ণ হৈ যাবনে, নে আন কিবা এটা কথাৰ সন্মুখীন হ'ব লাগিব? মনটো মোৰ মাজে মাজে কৰবালৈ উৰাই লৈ যায়গৈ, মই মোৰ মানস চকুৰে দেখি থাকো, বৰফে ঢকা এখন পাহাৰ, তাৰ মাজত এটা মন্দিৰ, বতাহত যেন অউম, অউম ধ্বনি অবিৰাম গতিত প্ৰতিধ্বনি হৈ আছে। মোক যেন মন্দিৰৰ দেৱতাই বাৰে বাৰে মাতি আছে। কি মন্দিৰ সেইটো বাৰু? বৈষ্ণো দেৱী মন্দিৰ নহয়, তালৈ লৰাহঁতৰ লগত এবাৰ গৈছো। এইবাৰ মই লৰাহঁতৰ লগত নাযাও, যদি যাবলগীয়া হয় স্বামীৰ লগত যাব বিচাৰো। কিন্তু ই কি সম্ভৱ হ'ব? স্বামী জানো মান্তি হ'ব? একমাত্ৰ প্ৰভুক মিনতি কৰাৰ বাদে মোৰ আৰু কোনো উপায় নাছিল। মই একান্ত মনেৰে ভগৱানক ভাবি থাকিবলৈ ধৰিলো, এইটোৱেই নিশ্চয় মোৰ জীৱনৰ শেষ আশা, শেষ অভিপ্ৰায় হ'ব। কিয় বাৰু ইমান চেষ্টা কৰিও দীৰ্ঘকাল একেলগে থাকিও মই স্বামীৰ মনৰ পৰিৱৰ্তন আনিব নোৱাৰিলো। কোনে জানে মোৰ জীৱনৰ শেষ বয়সত কিবা এটা মিৰাকুল মানে অলৌকিক ধৰণৰ ঘটনা ঘটেই কিজানি? ইফালে এনে লাগিছে যেন মোৰ সময়ো চুটি হৈ আহিছে, এই কম সময়ত মনৰ ভিতৰতে ভাবি থকা সকলো কৰ্মৰ সফল পৰিণতি ঘটাবই লাগিব। কাৰণ আৰু কিছু দিনৰ পিছতেই মোৰ নিশ্চয় মৃত্যু ঘটিব, মৃত্যুলৈ মই সমূলি ভয় কৰা নাই, যেতিয়াই সময় আহিব এই মায়াময় পৃথিৱীখন এৰি যাবই লাগিব। তেতিয়া স্বামীৰ কি হ'ব? জীৱন লগৰীক জানো এনেকৈ অকলে এৰি থৈ মই যাব পাৰিম? কাৰণ স্বামীয়ে এই বয়সলৈকে কিমানবোৰ কথা জানিবলৈ, বুজিবলৈ থাকি গ'ল? মোৰ অবিহনে মানুহজনৰ কি দশা হ'ব? পুত্ৰ বোৱাৰীহঁতৰ কাৰো তেওঁৰ প্ৰতি কোনো মৰম, শ্ৰদ্ধা বা হেঁপাহ নাই, মাথো মই লগত থকা কাৰণে যিখিনি নকৰিলে নহয় তাকে কোনোমতে কৰি আছে। মানুহজনৰ বাহিৰত কিছুমান দুৰ্নাম ওলাই থাকে, যিবিলাক পুত্ৰ-বোৱাৰীহঁতে সহ্য কৰিব নোৱাৰে, নিয়মমতে ময়ো তেনে ব্যৱহাৰেই স্বামীৰ প্ৰতি কৰিব লাগিছিল, কিন্তু মই কৰিব পৰা নাই। মই তেখেতক হাড়ে হিমজুৰে বুজি পাওঁ, তেখেতৰ স্বভাৱৰ লেটিপেটি থাকিব পাৰে, কিন্তু চৰিত্ৰ তেওঁৰ ভাল বুলি মোৰ বিশ্বাস আছে। বাহিৰৰ বেলেগ নাৰীৰ লগত মিলা-মিচা কৰাটো তেওঁৰ বাবে একেবাৰে বাহ্যিক, মানুহক দেখুৱাবলৈ কৰে তেখেতে, তেনে কৰি দেখুৱায় মানুহজনে বাহাদুৰি অনুভৱ কৰে। মই সেইবিলাক কথাত লাগি নাথাকো। কাৰণ মই মোৰ স্বামীক ভাল পাওঁ। এই ভালপোৱা আমাৰ জন্ম জন্মান্তৰৰ আছিল। আগৰ জন্মতো মই তেওঁক পাইছিলো। মোৰ বিশ্বাস পৰৱৰ্তী জীৱনতো তেওঁক পুনৰ পাব বিচাৰো। হয়তো আগৰ জন্মত সেইবাৰ মই তেওঁৰ প্ৰতি যেনেকৈ ধ্যান দিব লাগিছিল তেনেদৰে দিব পৰা নাছিলো। সেয়ে এইবাৰ তেওঁ মোৰ প্ৰতি দিব পৰা নাই। গীতাই মতে তুমি যেনেকুৱাই কাম নকৰা পুনৰ তোমাৰ গালৈকে ঘূৰি আহিব। এইবোৰ কথা মই সদায় নিজৰ যুক্তিৰে মানি আহিছো বাবেই সুখী হৈ থাকিব পাৰিছো। গীতাৰ মোক ইমান কথা শিকাইছে যে মই সকলো কথা গীতাৰ আৰ্হিৰেহে মানিবলৈ চেষ্টা কৰো। তাৰ কাৰণে মই সকলো কথা বুজি পাওঁ। সকলোৱে মানুহজনক দোষী সাব্যস্ত কৰিলেও মই তেখেতক কৰিব নোৱাৰো। কিয় জানো মোৰ তেখেতক দুখ দিবৰ মন নাযায়। সৰুকালছোৱা তেখেতে কিমান কষ্টৰে কটালে সেইকথা মোৰ মনলৈ আহি থাকে। সৰু কালচোৱা বৰ দুখত কটাবলগীয়া হোৱাৰ কাৰণে পুঞ্জীভূত বেদনা আৰু ক্ষোভে তেওঁক খুলি খুলি খাই থকাৰ বাবেই বিদ্ৰোহী হৈ উঠিছিল আৰু ভগৱানৰ প্ৰতি একেবাৰে আস্থা নাছিল, সেইকথা মই ভালদৰে বুজি পোৱাৰ বাবে বেয়া পাব পৰা নাছিলো। কিবা ভাগ্যবশতঃ তেখেতৰ পঢ়াটোৱে লগ এৰা নাছিল, একমাত্ৰ মোমায়েকৰ তেখেতৰ প্ৰতি আন্তৰিকতা থকাৰ বাবে। তথাপিও ইমান দুখীয়া পৰিয়াল এটাৰ পৰা গৈ তেখেতে হেনো ইঞ্জিনিয়াৰিং পঢ়িবলৈ সাহস কৰিব পাৰিছিল একমাত্ৰ বীণা মেধি নামৰ লগতে এজনী ছোৱালীৰ কাৰণে, সেই কথা অসাৱধানতা বশতঃ মোৰ আগত তেখেতে অকণমানকৈ কৈ মুখখন বন্ধ কৰি থৈ দিছিল। এই কাহিনীটো মই উটঘাতন কৰিব পাৰিছিলো। বীণা মেধিক মই লগ পাইছিলো বহু কথা পাতিছিলো, মোৰ তেওঁৰ প্ৰতি কোনো ক্ষোভ নাছিল বৰঞ্চ মই তেওঁক শ্ৰদ্ধা কৰিবলৈ শিকিছিলো।

পত্নীৰ কথাখিনি হাজৰিকাই বৰ আগ্ৰহেৰে পঢ়ি আছিল। হঠাতে বীণা মেধিৰ নামটো ওলোৱাৰ লগে লগে বিমামেঘে ব্ৰজপাত পৰাৰ দৰে লাগিল, অলপ সময়লৈ তেওঁ নিথৰ হৈ ৰৈ যাব লগা হ'ল। অলপ সময়ৰ পাছতহে তেওঁৰ সম্বিত ঘূৰাই অহাৰ দৰে লাগিল যদিও মনৰ মাজত এটা উজুটি বাৰুকৈয়ে খালে। বুকুখনো ঢপঢপাই থকাৰ দৰে লাগিল। প্ৰেচাৰটোৱে উঠা নমা কৰিছে নেকি, নহ'লে তেওঁৰ কিয় এনেকুৱা লাগিছে? উপায় নাপায় শোৱাকোঠালৈ আহি একে সোহাই পানী এগিলাচ খাই নিজকে সুস্থিৰ অৱস্থালৈ আনিবলৈ চেষ্টা কৰিলে। তেওঁ নিজৰ মনকে প্ৰশ্ন কৰিলে, কিয় এই নামটোৱে তেওঁক একপ্ৰকাৰ ঘাইল কৰি পেলালে, দীৰ্ঘদিন তেওঁৰ যিটো নাম মনলৈ অহাই নাছিল। নিজকে বিচাৰকৰ আগত হাজিৰ হোৱা কয়দীৰ নিচিনা লাগিল। আজি তেওঁৰ বিচাৰত কি ওলাই তেওঁ নিজে নাজানে, তথাপিও জীৱন্ত পত্নীৰ আগত মুখামুখি হোৱাৰ দৰে মনটো কঁপি থাকিল। এতিয়াও নাজানে পিছৰখিনিত কি লিখা আছে? তথাপিও বাকীখিনি কথা পঢ়িবলৈ ইচ্ছা কৰি চছমাজোৰ পিন্ধি পুনৰ ডায়েৰীখন পঢ়িবলৈ ধৰিলে, মানে য'ৰ পৰা এৰি থৈ গৈছিল।

মাক-দেউতাক নথকা একেবাৰে দুখীয়া মানুহৰ পৰা ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ যোৱাটো কম ডাঙৰ কথা নাছিল, সম্ভৱ হৈছিল বীণা মেধি নামৰ সৰুৰে পৰা একেলগে পঢ়া সৰলচেতিয়া এজনী ছোৱালীৰ আন্তৰিক প্ৰচেষ্টাৰ বাবেহে। বীণা মেধি আমাৰ এখেতৰ মোমায়েকহঁতৰ একেখন গাঁৱৰে ছোৱালী আছিল। পাঁচটা ককায়েক ভায়েকৰ মাজত একেবাৰে নুমলীয়া সন্তান আছিল তাই। সেয়ে ঘৰখনৰ মানুহে তাইক বৰ আদৰ কৰি ডাঙৰ কৰিছিল। তাইৰ দেউতাক আছিল পি, ডব্লিও, ডি বিভাগৰ ৰাস্তাৰ মহৰী, সেয়ে আন আন গাঁৱৰ মানুহবিলাকতকৈ সিহঁতৰ ঘৰৰ অৱস্থা কিছু উন্নত আছিল বাবে আমাৰ এখেতক বীণাই বহুত সহায় কৰি আহিছিল। আটাইতকৈ ডাঙৰ সহায় কৰিছিল যেতিয়া এখেতে ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ হেঁপাহ কৰিলে। তেতিয়া বীণা মেধিয়ে আই.এ.পাছ কৰিয়েই গাঁৱৰ প্ৰাইমেৰী স্কুলত মাষ্টৰণী হিচাপে চাকৰিত সোমাই লৈছিল যাতে এখেতক টকা-পইচাৰে সহায় কৰিব পাৰে। এইখিনি কথা মই মোৰ স্বামীৰ পৰাই জানিব পাৰিছিলো। আচলতে কিবা কথা প্ৰসংগত পৰি ক'বলগীয়া হৈছিল। ময়ো তেতিয়া বিশেষ একো নভবাকৈয়ে হাঁহি হাঁহি স্বামীক প্ৰশ্ন কৰিছিলো, 'আপোনাক বীণাই তাৰমানে ভাল পাই পেলাইছিল নেকি? মানে প্ৰেমত পৰিছিল নেকি?' তৎমুহূৰ্তেতে তেখেতে উত্তৰ দিছিল, 'নাই নাই হ'বই নোৱাৰে, তাই মোৰ খুব ভাল বন্ধু আছিল। ইয়াত প্ৰেমৰ প্ৰশ্ন উঠিবই নোৱাৰে, তেনে এটা পৰিৱেশ কেতিয়াও গঢ়ি উঠাই নাছিল। কশ্ৰেণীৰ পৰা একেলগে পঢ়া ছোৱালীজনীৰ লগত প্ৰেম হ'ব পাৰে নেকি? অৱশ্যে তাই মোক প্ৰাইমাৰী স্কুলৰ পৰাই মৰমৰ চকুৰে চাই আহিছিল। সেই সময়ত আমি ফলি পুথিবোৰ হাততে জাপি লৈ স্কুললৈ গৈছিলো। বীণাই কিন্তু স্কুললৈ সদায় বেগ লৈ যোৱাত লগৰ ল'ৰাবিলাকে তাইক খুব জোকাইছিল। পিছতহে জানিব পাৰিছিলো তাই বেগটো নিছিল মোৰ কাৰণে। প্ৰায়ে মাকে বনোৱা লাড়ু পিঠা আদি বেগটোতে মোলৈ লৈ আহি টিপতে দিছিল। সেইকাৰণে বেগটো আনিব লগা হৈছিল। তাই ধৰিয়েই লৈছিল মোমাইদেউৰ ঘৰত মই ভাল বস্তু খাবলৈ নাপাও। ময়ো তাই অনা বস্তুবোৰ খাবলৈ নোপোৱাৰ দৰে হামোৰ কামোৰকৈ খাইছিলো। সেই কণমান বয়সত ময়েইনো কি বুজি পাইছিলো, মুঠতে কিবা বস্তু খাবলৈ পোৱাৰ আশাত বাট চাই আছিলো। হাইস্কুল পোৱাৰ পাছৰ পৰা তাই মোৰ ওপৰত কিছু কৰ্তৃত্ব খটাবলৈ ভাল পাইছিল যদিও মই একেবাৰে কথাটো ভালপোৱা নাছিলো। আৰু কিবা খোৱাবস্তু টিপতে দিব খুজিলেও মই অমান্তি হৈছিলো। এইট, নাইন মানত খেতিৰ দিনত হাল-কোৰ মাৰি যোৱা বাবে কেতিয়াবা ডিঙি, হাতৰ কিলাকুটি বা ডিঙিৰ ওচৰত বোকা লাগি থকা দেখিলে তাই নিজে চিলনীজনী যেন হৈ আহি মোক মোহাৰি দিছিল, মই তেতিয়া খুব অশান্তি পাইছিলো যদিও টানকৈ ক'ব পৰা নাছিলো, কাৰণ বিপদ-আপদত পৰিলে টকা-পইচা দৰকাৰ হ'লে তাই মোক দি সহায় কৰিছিল।

*ক্ৰমশ....*

সপ্তম পৃষ্ঠাৰ পৰা

# প্ৰথম মাতৃত্ব আৰু শিশুৰ বাবে মাতৃদুগ্ধৰ উপকাৰিতা

বয়সৰ ভিতৰত আৰু ৯০% এই ঘটনা ঘটে। গৱেষণাৰ তথ্যমতে, মাতৃদুগ্ধ সেৱন কৰোৱা শিশুৰ ক্ষেত্ৰত এই SIDS বা অকাল মৃত্যুৰ আশংকা প্ৰায় ৭৩% কমি যায়।

মাতৃদুগ্ধ পান কৰোৱাৰ ফল স্বৰূপে মাতৃ আৰু শিশুৰ মাজত মানসিক ভাৱে এটা নিবিড় সম্পৰ্ক স্থাপন হয়, যিটোৱে অদূৰ ভৱিষ্যতেও মাতৃ আৰু শিশুৰ সম্পৰ্কে সুদৃঢ় কৰাত সহায়ক হয়। বৈজ্ঞানিকভাৱে শিশুক দুগ্ধপান কৰোৱাৰ ফলত এক বিশেষ হৰমোনৰ নিঃসৰণ হৈ এই ইতিবাচক ক্ৰিয়া কৰে বুলি গণ্য কৰা হৈছে।

সেয়ে, মাতৃদুগ্ধ সদ্যোজাত শিশুৰ বাবে অমৃতসম হয় আৰু ইয়াৰ প্ৰভাৱ শিশুটিৰ বাবে আজীৱন থাকি যায়।

মাতৃৰ বাবে

মাতৃদুগ্ধৰ পান কৰোৱাটো শিশুৰ ক্ষেত্ৰত যেনেকৈ উপকাৰী হয়, সমান্তৰালভাৱে মাতৃগৰাকীৰ ক্ষেত্ৰতো সমানেই উপকাৰ কৰে। স্তনপান কৰালে সৌন্দৰ্য নষ্ট হোৱাৰ আশংকাতো বহুতো আধুনিক মাতৃয়ে শিশুক মাতৃদুগ্ধ পান কৰোৱাৰ পৰা বিৰত থাকে। দৰাচলতে, এই কাৰ্য একেবাৰেই যুক্তিসংগত নহয়। হয়তো নতুনকৈ মাতৃত্ব লভা মাতৃগৰাকীয়ে নিজৰ অজ্ঞতাৰ বাবেই নিজৰ আৰু নিজৰ গৰ্ভজাত সন্তানটিৰ জীৱনলৈ এনে বিপদসমূহক আহ্বান জনায়। প্ৰতি গৰাকী বিবাহিতা নাৰীৰেই 'মাতৃত্বৰ গৌৰৱ' একান্তই কাম্য যদিও 'শাৰীৰিক সৌন্দৰ্য'ক প্ৰাধান্য দি বৃথা সুখ লভিবলৈ চেষ্টা কৰা সেইসকল মাতৃয়ে নিজৰ সন্তানক দুগ্ধপান কৰোৱাটো যে নিজৰ জীৱনৰ কাৰণেও কিমান অপৰিহাৰ্য সেয়া বুজি পোৱা উচিত। 'বৃথা সুখ' বুলি এই কাৰণেই ক'লো, কাৰণ যি শাৰীৰিক সৌন্দৰ্য অটুট ৰখাৰ খাতিৰত শিশুক স্তনপান কৰোৱাৰ পৰা বিৰত থাকে, অৱশেষত সেয়ে গৈ দুয়োৰে জীৱনলৈ ভয়ানক শংকা কঢ়িয়াই আনিব পাৰে। জীৱনৰ শংকাৰ ওচৰত শাৰীৰিক সৌন্দৰ্যৰ কিবা মূল আছে জানো?

সেয়ে, মাতৃগৰাকীৰ অজ্ঞতাৰ বাবেই হওক বা কৰ্ম ব্যস্ততাৰ বাবেই হওক, বা অন্য কোনো অসুবিধাৰ কাৰণেই হওক, শিশুক স্তনপান কৰোৱাৰ পৰা বিৰত হোৱা আপোনালোকৰ পৰিলক্ষিত হ'লেই সকলোৱে এই বিষয়ত চোকা দৃষ্টি নিক্ষেপ কৰি তেখেতসকল এই বিষয়ে বিস্তাৰিতভাৱে বুজাই দিয়ে যেন।

আহকচোন, মাতৃগৰাকীৰ উপকাৰিতাৰ বিষয়েও কিছু কথা জানি লওঁ।

সদ্যোজাত শিশুক ক'লষ্ট্ৰাম খুওৱা আৰম্ভ কৰাৰ লগে লগেই মাতৃ গৰাকীৰ প্ৰসৱৰ পাছত হোৱা ৰক্তক্ষৰণ ৰোধ কৰে। যাৰ বাবে পিছলৈ ৰক্তাল্পতা বা এনেমিয়াত ভোগাৰ আশংকা কম হয়। ই এক প্ৰকাৰৰ হৰমোনজনিত প্ৰক্ৰিয়া।

হৰমোনজনিত কাৰকৰ প্ৰভাৱৰ বাবেই শিশুক মাতৃদুগ্ধ পান কৰোৱাৰ ফলত মাতৃগৰাকীৰ সন্তান গৰ্ভত থকা অৱস্থাত ডাঙৰ হোৱা গৰ্ভাশয় সংকুচিত হ'বলৈ ধৰে।

শিশুক নিয়মিতভাৱে দুগ্ধপান কৰালে মাতৃৰ স্বাস্থ্য ভালে থাকে তথা ভৱিষ্যতলৈ সুৰক্ষিত হয়। স্তনৰ সৰু সৰু গ্ৰন্থিসমূহত উৎপন্ন হোৱা দুগ্ধ শিশুটিক নিয়মীয়াকৈ খুওৱাৰ ফলত সম্ভাব্য ৰোগ, যেনে— স্তন ফুলি উঠা, টান আৰু গৰম হৈ বিষোৱা, মেষ্টাইটিচ, ব্ৰেষ্ট এবচেছ আদিৰ পৰাও পৰিত্ৰাণ পাবলৈ সক্ষম হয়।

শিশুৰে মাতৃদুগ্ধ পান কৰাৰ ফলত পৰৱৰ্তীকালত মাতৃগৰাকীয়ে 'স্তন, জৰায়ু আৰু ডিম্বকোষৰ কৰ্কট ৰোগ' হোৱাৰ প্ৰায় ২৬-৩৭% সম্ভাৱনা কমে।

গৱেষণাৰ উপলব্ধ তথ্যমতে শিশুৰে মাতৃদুগ্ধ পান কৰাৰ ফলত মাতৃগৰাকীয়ে পৰৱৰ্তীকালত পোষ্ট মেনোপজেল অষ্টিওপোৰোচিচ অৰ্থাৎ মহিলাৰ 'মাহেকীয়া ঋতুচক্ৰ বন্ধ হোৱাৰ পিছত শৰীৰৰ হাড়ৰ ঘনত্ব কমি যোৱা ৰোগ' হোৱাৰ সম্ভাৱনা কমে। মাকে যেতিয়া নিজৰ শিশুক মাতৃদুগ্ধ পান কৰোৱায় তেতিয়া মাতৃ গৰাকীৰ শৰীৰেও বিশেষভাৱে কাৰ্যক্ষম হৈ কেলচিয়াম শোষণ কৰি লয়। ফলত শিশুৰ লগতে মাতৃগৰাকীও এই প্ৰক্ৰিয়াৰে উপকৃত হয়।

মাতৃদুগ্ধ পান কৰোৱা মাতৃসকলে শৰীৰৰ ওজনজনিত সমস্যাৰ পৰাও পৰিত্ৰাণ পাব পাৰে। দুগ্ধপান কৰোৱাৰ ফলত শিশুৰ জন্মৰ তিনিৰ পৰা ছয় মাহৰ ভিতৰত সন্তান জন্মৰ পূৰ্বে শৰীৰত জমা হোৱা অতিৰিক্ত চৰ্বিসমূহ পুৰিবলৈ আৰম্ভ কৰে আৰু ফলত তেতিয়াৰ পৰাই লাহে লাহে অতিৰিক্ত ওজনো হ্ৰাস হ'বলৈ আৰম্ভ হয়। ইয়াৰ লগত অৱশ্যে খাদ্যভ্যাস আৰু ব্যায়ামৰ কথাও জড়িত হৈ থাকে। এনেদৰে ওজন হ্ৰাস হোৱাৰ বাবে অ'বেচিট, ডায়েবেটিচ আদি ৰোগ হোৱাৰ সম্ভাৱনা কমে।



মাতৃদুগ্ধ শিশুৰ বাবে অতি নিৰাপদ খাদ্য। সেয়ে, শিশুৰ ছমাহ বয়সলৈকে সকলো মাতৃৰ বাবেই শিশুক এই মাতৃদুগ্ধ খুৱাবলৈ পোৱাটো শিশু আৰু মাতৃ উভয়ৰে বাবেই সৌভাগ্যজনক হয়।

গৰু, ছাগলী বা পেকেটৰ গাখীৰ বটলৰ দ্বাৰা খুওৱাতে ইনফেকচন হোৱাৰ ভয়ৰ বাবে যিখিনি কষ্ট বা সাৱধানতা অৱলম্বন কৰিব লগা হয়, মাতৃদুগ্ধ পান কৰালে সেই দুশ্চিন্তাৰ পৰাও সহজতে মুক্ত হ'ব পাৰি। সময় আৰু অৰ্থ-দুয়োটাই ৰাহি হয়।

নিজৰ সন্তানক নিজৰ দুগ্ধ পান কৰোৱাৰ ফলত শিশু আৰু মাতৃৰ মাজত যি এক নিবিড় সম্পৰ্ক স্থাপন হয়, সেয়া জন্মৰ পাছত কান্দি থকা শিশুটোক মাকে কোলাত তুলি লোৱাৰ লগে লগে চুপ হৈ পৰা কথাটোৰ পৰাই অনুমান কৰিব পাৰি। পৰৱৰ্তীকালত শিশুটো ডাঙৰ হোৱাৰ পাছতো বাধ্য সন্তানসকলে মাকৰ এই ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰা কথাষাৰৰ স্বীকৃতি দিয়ে।

হৰমোনজনিত কাৰকৰ প্ৰভাৱত মাতৃগৰাকীয়ে শিশুক দুগ্ধপান কৰাবলৈ আৰম্ভ কৰাৰ লগে লগে এক ধৰণৰ সুকীয়া মানসিক আনন্দ লাভ কৰিবলৈ সক্ষম হয়, যাৰ কাৰণে তুলনামূলকভাৱে হতাশাজনিত ৰোগত আক্ৰান্ত হোৱাৰ আশংকা কম হয়।

সবাতোকৈ প্ৰয়োজনীয় কথাটো হৈছে— শিশুক মাতৃদুগ্ধ পান কৰোৱাটো যেনেকৈ দৰকাৰ, ঠিক একেদৰে শিশুটোক 'কেনেকৈ' দুগ্ধপান কৰাব সেই কথাটো জনাও বহুত প্ৰয়োজন।

শিশুটোক দুগ্ধপান কৰোৱাৰ আগতে পৰাপক্ষত প্ৰত্যকবাৰেই নিপল অংশ পৰিষ্কাৰ কৰি ল'ব লাগে। (ৰাতি শোৱাৰ সময়ত সম্ভৱ নহ'বও পাৰে) পৰিষ্কাৰ কৰি লোৱাৰ পাছত বুকুখন নিজেই চেপি তৰল জুলীয়া অংশ পেলাই দিব লাগে। তাৰ পাছত গাখীৰ অংশ দেখা পোৱাৰ পাছতহে শিশুক সেই গাখীৰ পান কৰিবলৈ দিব লাগে। নহ'লে তৰল অংশই শিশুটোৰ কেৱল পিয়াহহে পলুৱাব পাৰে, ভোক নোৱাৰে।

তদুপৰি কৰ্মৰত মহিলাসকলৰ ক্ষেত্ৰত বহুত সময় বিৰতিৰ পাছত দুগ্ধপান কৰিব লগা হ'লেও ওপৰত উল্লেখ কৰা ধৰণে এনেকুৱা কৰা উচিত। ই শিশুৰ পেট আৰু সুস্বাস্থ্যৰ বাবে নিৰাপদ হয়।

মাতৃগৰাকীয়ে বুকুৰ এফালে এবাৰ সম্পূৰ্ণকৈ দুগ্ধপান কৰোৱাৰ পাছতহে আনফালে দুগ্ধপান কৰোৱা উচিত। এনে কৰিলে মাতৃগৰাকীয়ে দুগ্ধপানৰ সময়ছোৱাত ভুগিব লগা হোৱা নানান ধৰণৰ স্তনজনিত সমস্যাৰ পৰা পৰিত্ৰাণ পাব পাৰিব। পৰৱৰ্তীকালত ব্ৰেষ্ট এবচেছ অথবা ব্ৰেষ্ট কেন্সাৰ হোৱাৰ আশংকাও কমিব।

শাৰীৰিক ভাৱে অসুস্থ মাতৃসকলে শিশুক নিজৰ দুগ্ধ পান কৰাবলৈ সক্ষম নহ'লে চিকিৎসকৰ পৰামৰ্শ লোৱা উচিত। পাৰিলে শিশুটিকো গৰু, ছাগলী অথবা পেকেটৰ গাখীৰ নুখুৱাই অন্য মাতৃদুগ্ধহে পান কৰোৱাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। কাৰণ— 'Human milk is the best milk for a baby.'

লেখনিটোৰ জৰিয়তে পুৰুষ আৰু মহিলা— সকলোকেই মাতৃ আৰু শিশুৰ এই দুগ্ধপানৰ সমস্যা তথা উপকাৰিতাৰ কথাখিনি হৃদয়ংগম কৰিবলৈ অনুৰোধ জনালো। লগতে তেনেকুৱা মাতৃ আৰু শিশুসকলৰ প্ৰতি অলপ সদয় আৰু সহানুভূতিশীল হোৱাৰ বাবে প্ৰাৰ্থনা জনালো।



# ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনা

গীতাঞ্জলী শইকীয়া

**সূচনা ঃ**

আধুনিক বিশ্বত ৰাষ্ট্ৰৰ উন্নয়নত অৰ্থনৈতিক পৰিকল্পনাই এক গুৰুত্বপূৰ্ণ ভূমিকা দখল কৰি আহিছে। ৰাজনৈতিক স্বাধীনতাৰ পিচতে অৰ্থনৈতিক পৰিকল্পনাৰ স্থান। ৰাষ্ট্ৰদ্বাৰা নিৰ্দ্ধাৰিত নীতি অনুযায়ী অৰ্থনৈতিক কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰি দেশৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নয়নৰ বাবে যি সুনিৰ্দিষ্ট পৰিকল্পনা হাতত লোৱা হয়, সেয়ে অৰ্থনৈতিক পৰিকল্পনা।

**ভাৰতৰ বিভিন্ন অৰ্থনৈতিক পৰিকল্পনা ঃ**

ভাৰতৰ প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ ভাৰতৰ পৰিকল্পনা আয়োগ প্ৰতিষ্ঠা কৰা হয় ১৯৫০ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখে। ভাৰতত প্ৰথম পঞ্চম বাৰ্ষিক পৰিকল্পনা আৰম্ভ কৰা হয় ১৯৫১ চনৰ ১ এপ্ৰিলৰ পৰা। তেতিয়াৰে পৰা এই আয়োগে নিয়মীয়াকৈ অৰ্থনৈতিক পৰিকল্পনা প্ৰস্তুত কৰা তথা কাৰ্য্যকৰী কৰা সম্পৰ্কীয় সকলো দায়িত্ব বহন কৰি আহিছে। ইতিমধ্যে ভাৰতত সাতটা পঞ্চবাৰ্ষিক পৰিকল্পনা সম্পূৰ্ণ কৰা হৈছে আৰু অষ্টম পৰিকল্পনাৰ কাৰ্য্যকাল চলিছে।

**প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ (এপ্ৰিল' ৫১ ৰ পৰা মাৰ্চ' ৫৬ লৈ)** উদ্দেশ্যসমূহক প্ৰধানকৈ দুভাগত ভগাব পাৰিঃ

ক) যুদ্ধ আৰু দেশ বিভাজনৰ ফলত অৰ্থনীতিত সৃষ্টি হোৱা ভাৰসাম্যহীনতা দুৰীকৰণ।

খ) জাতীয় আয়ৰ বৃদ্ধি আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণ।

এইদুটা মুখ্য উদ্দেশ্য আগত ৰাখি প্ৰথম পৰিকল্পনাত খাদ্য আৰু কেঁচা সামগ্ৰীৰ নাটনি দুৰীকৰণ, শৰণাৰ্থীৰ পুনৰ সংস্থাপন আৰু পৰিবহন ব্যৱস্থাৰ উন্নতি সাধনত অগ্ৰাধিকাৰ দিয়া হয়। কৃষি ক্ষেত্ৰত জলসিঞ্চন ব্যৱস্থাৰ আৰু জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণত গুৰুত্ব আৰোপ কৰা হয়। মুদ্ৰাস্ফীতি ৰোধ আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে অৰ্থনৈতিক উন্নয়নৰ আধাৰশিলা স্থাপনৰ প্ৰতিও এই পৰিকল্পনাত যথেষ্ট গুৰুত্ব দিয়া হয়।

**দ্বিতীয় পৰিকল্পনাত (এপ্ৰিল' ৫৬ ৰ পৰা মাৰ্চ' ৬১ লৈ)** খৰতকীয়া অৰ্থনৈতিক উন্নয়ন আৰু সমাজতান্ত্ৰিক আৰ্হিৰ সমাজ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা লক্ষ্যসমূহ হ'ল ঃ

ক) জাতীয় আয়ৰ বৃদ্ধিৰ হাৰ দ্ৰুততৰ কৰা।

খ) দ্ৰুত উদ্যোগীকৰণ আৰু গধুৰ উদ্যোগৰ ওপৰত অধিক গুৰুত্ব দি শিল্পৰ উন্নয়নৰ ভেঁটি সুদৃঢ় কৰা।

গ) আয় আৰু সম্পদ বিতৰণৰ অসমতা দূৰ আৰু অৰ্থনৈতিক ক্ষমতা বিতৰণৰ ক্ষেত্ৰত সমতা স্থাপন কৰা।

দ্বিতীয় পৰিকল্পনাৰ উদ্দেশ্যসমূহ তিনিটা দিশত প্ৰথম পৰিকল্পনাৰ উদ্দেশ্য সমূহতকৈ পৃথক আছিল।

ক) কৃষিৰ ঠাইত উদ্যোগৰ ওপৰত গুৰুত্ব প্ৰদান।

খ) সমাজতান্ত্ৰিক আৰ্হিৰ অৰ্থব্যৱস্থা স্থাপন কৰা।

গ) ব্যক্তিগত খণ্ডৰ গুৰুত্ব হ্ৰাস।

**তৃতীয় পৰিকল্পনাৰ (এপ্ৰিল' ৬১ ৰ পৰা মাৰ্চ' ৬৬ লৈ)** উদ্দেশ্যসমূহ দ্বিতীয় পৰিকল্পনাৰ অনুৰূপ। এই পৰিকল্পনাৰ উদ্দেশ্য সমূহ হ'ল ঃ

ক) পাঁচ বছৰৰ ভিতৰত জাতীয় আয়বৃদ্ধিৰ হাৰ শতকৰা বছৰি ৫ ভাগলৈ বৃদ্ধি কৰা।

খ) খাদ্য শস্যত আত্মনিৰ্ভৰশীলতা অৰ্জন আৰু উদ্যোগ তথা ৰপ্তানিৰ প্ৰয়োজন পূৰাব পৰাকৈ কৃষি উৎপাদন বৃদ্ধি কৰা।

গ) তীখা, ইন্ধন তথা শক্তি আদি মূল উদ্যোগসমূহৰ সম্প্ৰসাৰণ আৰু যন্ত্ৰ-পাতি তৈয়াৰ কৰিব পৰা সামৰ্থ আহৰণ কৰা; যাতে পৰৱৰ্তী দহ বছৰৰ ভিতৰত দেশৰ সম্পদেৰে উদ্যোগীকৰণত সফলতা লাভ কৰিব পৰা যায়।

ঘ) দেশৰ জন সম্পদৰ সৰ্বাধিক সদ্ব্যৱহাৰ আৰু নিয়োগৰ সুবিধা বৃদ্ধি।

ঙ) আয় আৰু সম্পদ বিতৰণৰ সমতা স্থাপন আৰু অৰ্থনৈতিক ক্ষমতাৰ সমবিতৰণ।

এপ্ৰিল' ৬৬ চনৰ পৰা মাৰ্চ' ৬৯ চনলৈ তিনিটা বাৰ্ষিক পৰিকল্পনাৰে কাম চলোৱা হয়। ইয়াক "পৰিকল্পনা বিৰতি কাল" বুলিও কোৱা হয়।

**চতুৰ্থ পৰিকল্পনাৰ (এপ্ৰিল' ৬৯ ৰ পৰা মাৰ্চ' ৭৪ লৈ) উদ্দেশ্যসমূহ হ'ল ঃ**

ক) সুস্থিৰতাৰ লগতে অৰ্থনৈতিক উন্নয়ন।

খ) আত্মনিৰ্ভৰশীলতা অৰ্জন।

গ) সামাজিক ন্যায় প্ৰতিষ্ঠাৰ জৰিয়তে সমতা স্থাপন কৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ অৱস্থাৰ উন্নতি সাধন।

ঘ) নিয়োগৰ সুবিধা সৃষ্টি কৰা।

ঙ) বিভিন্ন ৰাজ্য তথা অঞ্চলৰ মাজত থকা ভাৰসাম্যহীনতা দুৰীকৰণ।

**পঞ্চম পৰিকল্পনাৰ (এপ্ৰিল' ৭৪ ৰপৰা মাৰ্চ ৭৮ লৈ)** উদ্দেশ্যসমূহ হ'ল ঃ

ক) দৰিদ্ৰতা দুৰীকৰণ।

খ) আত্মনিৰ্ভৰশীলতা অৰ্জন।

১৯৭৮-৭৯, ১৯৭৯-৮০ বছৰ দুটাত বাৰ্ষিক পৰিকল্পনা হাতত লোৱা হয়।

**ষষ্ঠ পৰিকল্পনাৰ (এপ্ৰিল' ৮০ ৰ পৰা মাৰ্চ' ৮৫ লৈ)** উদ্দেশ্য সমূহ হ'ল ঃ

ক) সম্পদব্যৱহাৰৰ ক্ষেত্ৰত দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰি অৰ্থনৈতিক বিকাশৰ হাৰ বৃদ্ধি কৰা।

খ) অৰ্থনৈতিক আৰু প্ৰযুক্তিগত বিদ্যাত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ বাবে আধুনিকৰণৰ ওপৰত অধিক গুৰুত্ব।

গ) দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ দুৰীকৰণ।

ঘ) শক্তিৰ উৎসবিলাকৰ দ্ৰুত উন্নয়ন লগতে ইয়াৰ সংৰক্ষণ আৰু সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব।

ঙ) নূন্যতম প্ৰয়োজনীয় আঁচনিৰ জৰিয়তে জনসাধাৰণৰ বিশেষকৈ অৰ্থনৈতিক আৰু সামাজিকভাৱে পিচপৰা লোকৰ জীৱনৰ মান উন্নীত কৰা।

চ) অৰ্থনৈতিক বিকেন্দ্ৰীকৰণত গুৰুত্ব প্ৰদান।

ছ) কৃষি, উদ্যোগ, কৰ্মসংস্থান দিব পৰা আঁচনিত গুৰুত্ব প্ৰদান।

**সপ্তম পৰিকল্পনাৰ (এপ্ৰিল' ৮৫ ৰ পৰা মাৰ্চ' ৯০ লৈ)** উদ্দেশ্যসমূহ হ'ল ঃ

ক) অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি কৰা।

খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমন্বয়েৰে আধুনিকীকৰণ।

গ) ৰপ্তানিৰ প্ৰসাৰ আৰু আমদানি হ্ৰাসৰ জৰিয়তে আত্মনিৰ্ভৰশীলতা অৰ্জন।

ঘ) দৰিদ্ৰতা দুৰীকৰণৰ বাবে বিশেষ আঁচনি, নিয়োগৰ সৃষ্টি, পুষ্টি, বাসস্থান, পানীৰ সুবিধা, গ্ৰাম্য অঞ্চলৰ জীৱন ধাৰণৰ মান উন্নয়নৰ জৰিয়তে সামাজিকন্যায়প্ৰতিষ্ঠাৰ লক্ষ্য কাৰ্য্যকৰী কৰা।

এপ্ৰিল ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনলৈ দুটা বাৰ্ষিক পৰিকল্পনা হাতত লোৱা হয়।

**অষ্টম পৰিকল্পনাৰ (এপ্ৰিল' ৯২ ৰ পৰা মাৰ্চ' ৯৭ লৈ)** উদ্দেশ্য সমূহ হ'ল ঃ

ক) চলিত শতিকাৰ অন্তত পূৰ্ণ পৰ্য্যায়ৰ নিয়োগ অৱস্থা প্ৰাপ্তিৰ বাবে প্ৰয়োজনীয় নিয়োগ ব্যৱস্থা সৃষ্টি কৰা।

খ) বিভিন্ন আঁচনিৰ জৰিয়তে জনসংখ্যা বৃদ্ধি কৰা।

গ) ১৫ ৰ পৰা ৩৫ বছৰীয়া লোকৰ মাজত নিৰক্ষৰতা দুৰীকৰণ আৰু প্ৰাথমিক শিক্ষাৰ বহুল প্ৰচাৰ।

ঘ) গ্ৰাম্যাঞ্চলত বিশুদ্ধ খোৱা পানী আৰু প্ৰাথমিক চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা।

ঙ) কৃষিৰ উৎপাদনত স্বাৱলম্বী হোৱাৰ প্ৰচেষ্টা।

চ) ৰপ্তানি বৃদ্ধিত অৰিহণা যোগাবৰ বাবে শক্তি উৎপাদন, পৰিবহন, যোগাযোগ আৰু জলসিঞ্চন আদিৰ উন্নতি সাধন।

**সামৰণি ঃ**

ভাৰতৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধি, নিবনুৱা, দৰিদ্ৰতা, শিক্ষা, যোগোযোগ, খাদ্য সমস্যাৰে জৰ্জৰিত এখন দেশ। সেয়েহে অৰ্থনৈতিক পৰিকল্পনাৰ জৰিয়তে এই সমস্যাসমূহ দূৰ কৰি জনসাধাৰণৰ মাজত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাই ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাৰ মুখ্য উদ্দেশ্য। উন্নত দেশসমূহৰ তুলনাত ভাৰতে পলমকৈ হ'লেও পৰিকল্পনা কাৰ্য্য হাতত লৈছে। ইয়াৰ ফলত ভাৰতে বহু ধৰণৰ সুবিধাও লাভ কৰিছে। পশ্চিমৰ দেশবোৰত গঢ়ি তোলা উৎপাদন পদ্ধতি আৰু কৌশলৰ ভাগ ভাৰতে সহজে আয়ত্ব কৰিব পাৰিছে। আকৌ ইউৰোপৰ দেশসমূহত উদ্যোগীকৰণৰ সময়ত আভ্যন্তৰীণ মূলধনৰ আশ্ৰয় ল'ব লগা হৈছিল। কিন্তু ভাৰতে আভ্যন্তৰীণ মূলধনৰ পৰিপূৰক হিচাপে বিদেশী মূলধনো লাভ কৰিছে। আনহাতে, পশ্চিমীয়া দেশবোৰে নিজৰ দেশৰ ভিতৰতে কাৰিকৰী কৌশলৰ সৃষ্টি কৰিব লাগিছিল। তাৰবাবে বহু ত্যাগ আৰু ধৈৰ্য্যৰ আৱশ্যক হৈছিল; কিন্তু ভাৰতে বৰ্তমান সহজে বিদেশী কাৰিকৰী কৌশলৰ সাহায্যও লাভ কৰিব পাৰে। এইটো অৰ্থনৈতিক পৰিকল্পনাৰ কালত লাভ কৰা এটা ডাঙৰ সুবিধা।

ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ দুটা প্ৰধান অন্তৰায় হ'ল মূলধন আৰু দক্ষতাপূৰ্ণ শ্ৰমৰ অভাৱ। অৱশ্যে লাহে-লাহে ইয়াৰ নিৰাময়ৰ চেষ্টা চলাই থকা হৈছে। প্ৰাকৃতিক সম্পদত ভাৰত, কানাডা, আমেৰিকা, আদিৰ দৰে চহকী নহ'লেও জাপান, চুইজাৰলেণ্ড আদিতকৈ যথেষ্ট চহকী। বৰ্তমান অৱস্থাত প্ৰগতিৰ মূল তিনিটা উৎস কয়লা, লোৰ খনি আৰু জলবিদ্যুৎ শক্তি সম্পদত ভাৰত যথেষ্ট চহকী।

(ভাৰতে ২০১২ৰ পৰা ২০১৭ লৈ দ্বাদশ পৰিকল্পনাৰ কাম হাতত লয় যদিও ২০১৫ চনৰ ১ জানুৱাৰীত নিটি আয়োগৰ দ্বাৰা অৰ্থনৈতিক উন্নয়নৰ কাম হাতত লয়।) ■

ষষ্ঠ পৃষ্ঠাৰ পৰা

# অস্কাৰ বঁটা প্ৰাপক 'জুলি'

চাহাব বদলি হোৱাত তালৈ যাব লগা হয়। জামিৰালৈ গৈ বিলাতী মেমে গম নোপোৱাকৈ জুনহঁতকো সেইখন বাগিচালৈ লৈ আহে আৰু তাতো লাইনৰ ঘৰত থকা-মেলাৰ ব্যৱস্থা কৰি দিয়ে।

লাহে লাহে ডাঙৰ হৈ জুনৰ স্কুল যোৱাৰ বয়স হ'ল। চাহাবে তেতিয়া উজ্বল ভৱিষ্যৎ জীৱনৰ কথা চিন্তা কৰি তাইক জামিৰাৰ পৰা নি গুৱাহাটীৰ ছাত্ৰীবাৰীত থকা খ্ৰীষ্টান ছাত্ৰী-নিবাসত ৰাখি স্কুলত নাম লগাই দিলে। তাতে থাকি জুন স্কুল কলেজ পঢ়ি বি.এ. পাছ কৰিলে। বি.এ. পাছ কৰি জুন কলকাতালৈ গৈ মেথিডিষ্ট চেপেলত টাইপিং গ্ৰহণ কৰে।

ইতিমধ্যে বিলাতী মেমে নিজৰ সন্তান দুটিৰ শিক্ষা-দীক্ষাৰ তদাৰকৰ প্ৰতি লক্ষ্য ৰাখি বিলাতলৈ গুচি যায়। ইফালে কলকাতাত শিক্ষা সাং কৰি জুন জামিৰা চাহবাগিচালৈ ঘূৰি আহে। বিলাতী মেম বিলাতলৈ যোৱাত লাইনৰ ঘৰৰ পৰা জুন আৰু মাকক চাহাবে বাংলালৈ লৈ আহে। বাংলাত থাকি জুনে বাগিচাৰ টাইপিং কামবোৰ কৰি দি বাপেকক সহায় কৰে। বন্ধৰ দিনত মাক-জীয়েক দুয়োকে লৈ চাহাব ফুৰিবলৈ যায়। আৱশ্যকীয় সকলো বস্তুৰ বজাৰ কৰি দিয়ে। কোনোদিনে সিহঁতক দুখ অভাৱ-অনুভৱ কৰিবলৈ নিদিয়ে। মাক-জীয়েকৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি চাহাবে সদায় চকু ৰাখিছিল। এই কথা সেই সময়ত বাগিচাখনত কাম কৰা বৃদ্ধা কৰ্মচাৰী এজনৰ পৰা জনা যায়।

মাকৰ মৃত্যুৰ পাছত ১৯৬০ চনত মাতৃহাৰা জুনক লগত লৈ বাগিচা এৰি ফ্ৰাংক চাহাব স্পেইনলৈ গুচি যায়। স্পেইনৰ মালাগা নামে ঠাইত কিছুদিন থকাৰ পাছত ইংলেণ্ডলৈ যায়। বিলাতী মেমে এদিন জুনহঁতৰ লগত থকা চাহাবৰ সম্পৰ্কৰ কথা জানিব পাৰি সময়ত দুয়োৰে মাজত বিবাহ বিচ্ছেদ হয়। এফালে জুলি আৰু ক্লাইভক লৈ বিলাতী মেম থাকে আৰু আনফালে জুনক লৈ ফ্ৰাংক চাহাব থাকে। এখন সংসাৰ দুখন হৈ প্ৰবাহিত হ'ব ধৰে তেওঁলোকৰ জীৱন গতি।

জুন সৰুৰে পৰা হৃদৰোগত ভোগী আছিল। বহু চিকিৎসা কৰিও কোনো ফলপোৱা নাছিল। বেমাৰ ভাল হওঁক চাৰি দিনক দিনে বেছি হ'বহে ধৰিলে। অৱশেষত অস্ত্ৰোপচাৰ কৰিব লগা হোৱাত হস্পিতালত কিছুদিন পৰ্যৱেক্ষণত থাকিব লগা হয়। পৰিতাপৰ বিষয় যে ১৯৬৩ চনৰ কোনো এক দিনত হস্পিতালতৰ পৰা ভাল হৈ তাই হাঁহি বাপেকৰ ওচৰলৈ যেতিয়া আহিছিল নিয়তিৰ কি বিধান সেইদিনাখনেই ল'নত ঘাঁহ কাটি থাকোতে হাৰ্টএটেক হৈ বাপেকৰ মৃত্যু হয়। এফালে কিমান আনন্দ মনেৰে এমোকোৰা হাঁহি লৈ জীয়েক বাপেকৰ কাষলৈ আহিছে আৰু আনফালে বাপেকে জীৱন ত্যাগ কৰি অনন্তধামলৈ গতি কৰিছে। দুৰ্ভগীয়া জুনৰ জীৱন বুৰঞ্জীত কি যে কপালৰ লীলা খেলা।

ঘাটমাউৰা জুন তেনেই অকলশৰীয়া হৈ পৰিল। মাহীমাকে তাইৰ কোনো খবৰ নোলোৱা হ'ল। জুলি আৰু ক্লাইভেও নলয়। বৰ দুখ-কষ্টৰ মাজেৰে তাই দিনবোৰ পাৰ কৰিব ধৰিলে। বাপেকৰ মৃত্যুৰ পাছত মাহীমাকে তাইক কোনো পৈতৃক সম্পত্তিৰ ভাগ নিদিলে। আনকি ইংলেণ্ডত থাকিবলৈ নিজৰ এটুকুৰা ঘৰ নোহোৱাত স্পেইনত থকা বাপেকৰ ঘৰটোত হ'লেও থাকিবলৈ দিবৰ বাবে হেজাৰ কাকুতি-মিনতি কৰাতো সেই ঘৰটোতো মাহীয়েকে তাইক থাকিবলৈ নিদিল। ভাগ্য ভাল যে বাপেকে তাইৰ নামৰ বেংকত পাঁচ হেজাৰ পাউণ্ড জমা কৰি থৈ যোৱা ধনখিনিহে কেৱল পালে।

বাপেকৰ মৃত্যুৰ পাছত জুনৰ থাকিবলৈ ঘৰ নোহোৱা হ'ল। বন্ধুদিন ধৰি এগৰাকী বান্ধৱীৰ ঘৰত মজিয়াত শুই দিন কটাব লগা হৈছিল আৰু বান্ধৱীগৰাকীয়ে যি পাৰে তাইক সহায় কৰিছিল। এইদৰে কষ্টৰ মাজেৰে দিন অতিবাহিত কৰি W.C.S. কলেজৰ পৰা তাই নাৰ্ছিং শিক্ষা লয়। নাৰ্ছিং শিক্ষাৰে শিক্ষিত হৈ ওৰে জীৱন তাই মানৱ সেৱাৰ কামতে ব্ৰতী হৈ পৰে। নাৰ্ছিং সেৱাৰে নাইটিংগেলে যিদৰে সহস্ৰ জনৰ হৃদয় জয় কৰি মানৱ সেৱাতে জীৱন পাৰ কৰিছিল ঠিক সেই একে ধৰণেৰে মানৱ সেৱাত ব্ৰতী হৈ জুনেও জীৱন পাৰ কৰে। বিদেশত থাকিও স্বদেশৰ কথা নাপাহৰা জুনে চাহবাগিচাৰ চিনাকী জনলৈ চিঠি লিখি খা-খবৰ লোৱাৰ কথা জনা যায়।

এটি কলি দুটি পাতৰ ৰাজ্য অসম মুলুকৰ পৰা সাত সাগৰ তেৰ নদীৰ সিপাৰে থকা বগা চাহাবৰ দেশত গৈ মানৱ সেৱাতে জীৱন পাত কৰা এই গৰাকী মানৱদৰদী মহীয়সী নাৰী নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ ২০০৫ চনৰ ১১ জানুৱাৰীত ৭০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে।

## মহানগৰীৰ পানী যোগান

| | |
|---|---|
| পাণবজাৰ পি এইচ ই | ০৩৬১-২৫৪৬২৭০ |
| জি এম চি | ০৩৬১-২৫৪০৩৭০ |
| শৰণীয়া | ০৩৬১-২৫৪৪৬৩৭ |
| উজানবজাৰ | ০৩৬১-২৫৪৫২০১ |
| বি কে এণ্টাৰপ্ৰাইজ, লাখটকীয়া | ০৩৬১-২৫১৩৪৭ |

## মহানগৰীৰ বিজুলী যোগান

| | |
|---|---|
| দিছপুৰ | ০৩৬১-২২৬১৬৭৫ |
| বশিষ্ঠ | ০৩৬১-২২৬১৭৫১ |
| ছয় মাইল | ০৩৬১-২৩৩১১৪৫ |
| জু-ৰোড | ০৩৬১-২২০১০৪৬ |
| বামুণীমৈদাম | ০৩৬১-২৫৫০৫৫৪ |
| চান্দমাৰী | ০৩৬১-২৬৬০১০৩ |
| ফাঁচী বজাৰ | ০৩৬১-২৬০১৭২২ |
| গড়ভাংগা | ০৩৬১-২৩০১৮২২ |
| হেদ্যায়েটপুৰ | ০৩৬১-২৬৬৪৮৬২ |
| জালুকবাৰী | ০৩৬১-২৫৭০৪৬০ |
| জৱাহৰনগৰ | ০৩৬১-২২৬১৭৫১ |
| কুমাৰপাৰা | ০৩৬১-২৫৪১৬১৮ |
| মাছখোৱা | ০৩৬১-৪৭৪১১০ |
| নাৰেংগী | ০৩৬১-৬৪০৭৬৬ |
| পল্টনবজাৰ | ০৩৬১-২৫৪০১০৯ |
| সোণাপুৰ | ০৩৬১-২৭৮৬২৮৮ |
| উলুবাৰী | ০৩৬১-২৫৪০১৫৫ |
| উজানবজাৰ | ০৩৬১-২৫৪৮৩৬৭ |

## গুৱাহাটীৰ উল্লেখযোগ্য চিকিৎসালয়

স্বাগত ছুপাৰ স্পেচিয়েলিটি হস্পিতাল
৯৪৩৫৫-৮৮৮০০

ক্ৰীটিকেল কেয়াৰ হস্পিতাল
এণ্ড ৰিৰ্ছাচ ইনস্টিটিউট
৭০৮৬০-২৩৩৪০

নাৰায়ণা ছুপাৰ স্পেচিয়েলিটি হস্পিতাল
১৮৬০২০৮০২০৮

হেল্থ চিটি হস্পিতাল
০৩৬১-৭১০৫০০০

আয়ুৰসুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটি হস্পিতাল
০৩৬১-৭১১১০৮০

এক্সেল কেয়াৰ হস্পিতাল
০৩৬১-৭১৪০১০১

আকাংক্ষা হস্পিতাল
০৩৬১-৭১৬১১০০


হায়াত হস্পিতাল
০৩৬১-২৪৭৫৫৫১

## এম্বুলেন্স সেৱা

| | |
|---|---|
| মৃত্যুঞ্জয় | ১০৮ |
| আৰ্য হস্পিতাল, উলুবাৰী | ০৩৬১-২৬০৬৮৮৮ |
| ডাউন টাউন হস্পিতাল | ০৩৬১-২৩৩৬৯১১ |
| জি এন আৰ চি | ৯৮৬৪০-১০০০০ |
| জি এন আৰ চি ম'বাইল | |
| আই চি ইউ (লাইফ ফাৰ্ষ্ট) | ৯৪৩৫৩-৪৪৪৪৪ |
| গুৱাহাটী মেডিকেল কলেজ | ০৩৬১-২৫২৯৪৫৭ |
| জি এল পি ছ'চিয়েল চাৰ্কোল | ০৩৬১-২৭৩৭৩৭৩ |
| ইণ্ডিয়ান ৰেডক্ৰছ | ০৩৬১-২৬৬৫১১৪ |
| লাইন'ছ ক্লাব | ০৩৬১-২৫৪১২৩৫ |
| মাৰোৱাৰী যুৱ মঞ্চ | ০৩৬১-২৫৪২০৭৪ |

## মহানগৰীৰ ২৪ ঘণ্টাৰ ফাৰ্মাচী

| | |
|---|---|
| হেল্পলাইন ড্ৰাগ্‌ছ, চান্দমাৰী | ০৩৬১-২৬৬২৩৭২ |
| আইডিয়েল ফাৰ্মাচী, উজানবজাৰ | ০৩৬১-২৫১১৯৫১ |
| লাচিত মেডিকোজ, ভঙাগড় | ০৩৬১-২৪৫৮৫৩০ |
| লাইফ ফাৰ্মাচী, উলুবাৰী | ০৩৬১-২৪৫৮৮১৭ |
| নিউ চক্ৰেশ্বৰ মেডিকেল, মালিগাঁও | ০৩৬১-২৬৭৩০৮৮ |
| নিউ বিশাল মেডিকোজ, ৰাজগড় ৰোড | ০৩৬১-২৪৫৬০৯৬ |
| পূৰ্বাঞ্চল ড্ৰাভছ, ভঙাগড় | ০৩৬১-২৫২৯৭৭৪ |
| আৰ্য হস্পিতাল, উলুবাৰী | ০৩৬১-২৬০৬৮৮৮ |
| ডাউন টাউন হস্পিতাল ফাৰ্মাচী | ০৩৬১-২৩৩০৬৫৯ |
| জি এন আৰ চি মেডিছ'প, গণেশগুৰি | ০৩৬১-২২৩০৫৪১ |




## গুৱাহাটীৰ উল্লেখযোগ্য চিকিৎসালয়

| | |
|---|---|
| জি এম চি এইচ | ০৩৬১-২৫২৯৪৫৭/২৫২৮৪১৭ |
| এ এম চি এইচ | ০৩৬১-২৫৪১৪৭৭/২৫৪৩৯৯৮ |
| ডাউন টাউন হস্পিতাল | ০৩৬১-২৩৩২৭৪১/২৩৩৪১৬৮ |
| জি এন আৰ চি | ০৩৬১-২২২৭৭০০/৯৮৬৪০-৬৪৪৩৭ |
| দিছপুৰ হস্পিতাল | ০৩৬১-২২৩৫৭৫৯/২২৩৫৬৯৯ |
| নেমকেয়াৰ হস্পিতাল | ০৩৬১-২৪৫৫৯০৬/২৫২৮৫৮২ |
| প্ৰতীক্ষা | ০৩৬১-২৩৩৭২৬০/২৩৩৭১৩৮ |
| আৰ্য হস্পিতাল | ০৩৬১-২৬০৬৮৮৮/২২৬০৬৬৫ |
| বি বৰুৱা কেন্সাৰ ইনস্টিটিউট | ০৩৬১-২৪৭২৩৬৪/৬৬ |
| ব্ৰহ্মপুত্ৰ হস্পিতাল | ০৩৬১-২৪৫১৬৩৪/৬৭৮ |
| মিলিটাৰী হস্পিটাল | ০৩৬১-২৩০৪৬১৭/০৩৫১ |
| ৰেলৱে চেণ্ট্ৰেল হস্পিতাল | ০৩৬১-২৬৭১০২৫ |
| ৰেডক্ৰছ হস্পিটাল | ০৩৬১-২৬৬৫১১৪ |
| টি বি হস্পিতাল | ০৩৬১-২৫৪০১৯৩ |
| মিডলেণ্ড হস্পিতাল | ০৩৬১-২২০২৩৩৮ |
| সঞ্জীৱনী হস্পিটাল | ০৩৬১-২৬৭৪৮৯২ |
| ছাত্ৰীবাৰী খ্ৰীষ্টান হস্পিটাল | ০৩৬১-২৬০০০৫১ |

## কামৰূপ (মহানগৰ) জিলাৰ আৰক্ষী থানা

| | |
|---|---|
| চিটি পুলিচ ক'ণ্ট্ৰল | ০৩৬১-২৫২৫৬৩৮ |
| পাণবজাৰ | ০৩৬১-২৫৪০১০৬ |
| ফাঁচী বজাৰ | ০৩৬১-২৫৪০২৮৫ |
| লতাশিল | ০৩৬১-২৫৪০১৩৬ |
| পল্টনবজাৰ | ০৩৬১-২৫৪০১২৬ |
| ভৰলুমুখ | ০৩৬১-২৭৩১১৯৯ |
| উত্তৰ গুৱাহাটী | ০৩৬১-২৬৯০২৫৫ |
| ফটাশিল আমবাৰী | ০৩৬১-২৪৭১৪১২ |
| জালুকবাৰী | ০৩৬১-২৫৭০৫৮৭ |
| আজাৰা | ০৩৬১-২৮৪০২৮৭ |
| চান্দমাৰী | ০৩৬১-২৬৬০২০৪ |
| গীতানগৰ | ০৩৬১-২৪১৭৩২৩ |
| নুনমাটি | ০৩৬১-২৫৫০২৮১ |
| দিছপুৰ | ০৩৬১-২২৬১৫১০ |
| বশিষ্ঠ | ০৩৬১-২৩০২১৫৮ |
| ক্ষেত্ৰী | ০৩৬১-২৭৮৭২২০ |
| প্ৰাগজ্যোতিষপুৰ | ০৩৬১-২৭৮৫২৩৭ |
| সোণাপুৰ | ০৩৬১-২৭৮৬৩২৬ |
| জি এম চি এইচ | ০৩৬১-২৫২৮৪১৭ |
| হাতীগাঁও | ০৩৬১-২২৩১০৬০ |
| সাতগাঁও | ০৩৬১-২৬৪২০১৮ |
| গড়চুক | ০৩৬১-২২৭০১৫১ |

### অগ্নিনিৰ্বাপক বাহিনী

| | |
|---|---|
| অগ্নি জৰুৰীকালীন | ১০১, ২৬৩৭৬৮০ |
| গুৱাহাটী | ০৩৬১-২৭৩৪১৯১ |
| এয়াৰপৰ্ট | ০৩৬১-২৬৩৮৩৮৬ |
| চানমাৰি | ০৩৬১-২৬৩৭৬৯০ |
| দিছপুৰ | ০৩৬১-২২৬০২২১ |
| নিউ গুৱাহাটী | ০৩৬১-২৫৫০১৬৮ |
| নুনমাটি (শোধনাগৰ) | ০৩৬১-২৫৫৮৪৫৪ |
| পাণবজাৰ | ০৩৬১-২৫৪০২২২ |
| পাণ্ডু | ০৩৬১-২৬৭৪৮১৭ |
| ৰেলৱে ষ্টেচন | ০৩৬১-২৫৪০১১৭ |
| শান্তিপুৰ | ০৩৬১-২৬৩৭৬৮০ |
| লখৰা | ০৩৬১-২২৭৯৯০৭ |
| উত্তৰ গুৱাহাটী | ০৩৬১-২৬৯০৭৬৮ |

## গুৱাহাটীৰ চলচ্চিত্ৰ গৃহ

অনুৰাধা
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১
ফোন ঃ ০৩৬১-২৬৫৬৯৬৮
+৯১৯৯৫৪৫৪৪৭৩৮

অপ্সৰা
জি এছ ৰোড, মণিপুৰীবস্তি,
গুৱাহাটী-৭৮১০০৭
ফোন ঃ ০৩৬১-২৬৫৬৯৬৮

প্ৰাগ্‌জ্যোতিষ
মালিগাঁও
গুৱাহাটী-৭৮১০১১
ফোন ঃ ৯৮৬৪৯৬০০৩৩

ফান চিনেমা
হাব, জি এছ ৰোড, গুৱাহাটী
ফোন ঃ +৯১৮৮৭৬৫৬৫০০১,
+৯১৮৮৭৬৫৬৫০০২

গ'ল্ড চিনেমা
এ এছ টি চি কমপ্লেক্স, পল্টনবজাৰ, গুৱাহাটী
ফোন ঃ ০৩৬১-২৭৩৫২৮১
+৯১৯৮৫৪০৬৬১৬৬

গ'ল্ড চিনেমা
ছলাছৰ বিল্ডিং, এছ এছ ৰোড,
লাখটকীয়া, গুৱাহাটী
ফোন ঃ ০৩৬১-২৭৩৫৩৬৭
+৯১৯৪৩৫০৮৫২৩১

গ'ল্ড চিনেমা
এল জি টাৱাৰ, নাৰেংগী তিনিআলি
ফোন ঃ +৯১৮৮১১০০১৮৯৮
+৯১৯২০৭০৪২৮৩১

মেঘদূত
পল্টনবজাৰ, গুৱাহাটী-৭৮১০০১
ফোন ঃ ০৩৬১-২৫৪৩৫৯৫

বন্দনা
নুনমাটি, গুৱাহাটী-৭৮১০২১
ফোন ঃ ০৩৬১-২৫৫০৬২,
০৩৬১-২৫৫০৫৩৭

নৱম পৃষ্ঠাৰ পৰা

# অসমৰ শাক্ত সাহিত্যৰ ধাৰা



অসমীয়া ভাষাৰ শাক্ত সাহিত্যৰ আন এখনি উল্লেখনীয় গ্ৰন্থ হ'ল ড০ নিৰ্মল প্ৰভা বৰদলৈৰ 'দেৱী' গ্ৰন্থ। এই গ্ৰন্থখন ১৯৮৬ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত প্ৰকাশ হৈ ওলায়। এই গ্ৰন্থখন শক্তি সম্বন্ধীয় প্ৰায় সকলো দিশেই সামৰি ল'বলৈ প্ৰচেষ্টা কৰিছে। ছয়টা ভাগত বিভক্ত 'দেৱী' গ্ৰন্থখনত— প্ৰথম ভাগত দেৱীৰ অভিব্যক্তি, দ্বিতীয় ভাগত অসমৰ স্থানীয় দেৱীসমূহ, তৃতীয় ভাগত অসমৰ জনজাতীয় দেৱীসকলৰ বৰ্ণনা, চতুৰ্থ ভাগত তান্ত্ৰিক সাধনা পদ্ধতি আৰু শক্তিতত্ব সম্পৰ্কীয় আলোচনা, পঞ্চম ভাগত শক্তি সাধনাৰ ঐতিহাসিক আলোচনা আৰু ষষ্ঠ ভাগত শাক্ত সাহিত্যৰ আলোচনা আগবঢ়াইছে।

প্ৰথম খণ্ডটো সৃষ্টিতত্ত্বক লৈ আৰম্ভ হৈ পদ্মাৱতীৰ বিবাহ-বৰ্ণনত শেষ হৈছে। দ্বিতীয় খণ্ডটো চম্পক নগৰৰ বিখ্যাত সদাগৰ চান্দৰ জন্ম-আখ্যানেৰে আৰম্ভ হৈ পুত্ৰসকলৰ লগত হোৱা মিলনত শেষ হৈছে।' ইয়াৰ উপৰিও অসমৰ ভৌগোলিক অৱস্থান, অসমৰ সমাজ আৰু লোকবিশ্বাসৰ লগত সামঞ্জস্য ৰাখি বহুকথা ইয়াৰ লগত সন্নিৱিষ্ট কৰিছে ফলত এই কাব্য গ্ৰন্থখনে পুৰাণৰ পৰ্যায় পাবলৈ সক্ষমতা লাভ কৰিছে। পুৰাণ শাস্ত্ৰৰ আদৰ্শ আৰু লক্ষণ আগত ৰাখি সুকবি নাৰায়ণদেৱে মনসাক দেৱীৰূপে প্ৰতিষ্ঠা কৰাবলৈ অসমীয়া ভাষাত এই বৃহৎ শাক্ত গ্ৰন্থখন ৰচনা কৰি উলিয়াইছিল।

সাম্প্ৰতিক কালত ড০ বাণীকান্ত কাকতিয়ে ইংৰাজী ভাষাত ৰচনা কৰা তেওঁৰ 'মাডাৰ গডেছ কামাখ্যা'ত নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ, কামাখ্যা দেৱীৰ উৎপত্তি আৰু জনপ্ৰিয়তাৰ বিকাশ সম্পৰ্কে অতি সুন্দৰ তাত্ত্বিক আলোচনা আগবঢ়াইছে। ড০ কাকতিৰ আন এখন গ্ৰন্থ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা'ৰ কিছু অংশত শাক্ত ধৰ্ম আৰু শক্তি তত্ত্বৰ বিষয়ে আলোচনা কৰা দেখা গৈছে।


সাম্প্ৰতিক কালৰ শাক্ত দৰ্শনৰ সন্দৰ্ভত আন এখনি অতি নিৰ্ভৰযোগ্য উল্লেখনীয় গ্ৰন্থ হ'ল— ড০ হৰিনাথ শৰ্মা দলৈৰ ১৯৮৩ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত প্ৰকাশিত গ্ৰন্থ 'অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য'। ড০ হৰিনাথ শৰ্মা দলৈয়ে— 'Saktism and Sakta Literature in Assam' নামৰ এই গৱেষণা গ্ৰন্থখন লিখাৰ বাবেই ১৯৭১ খ্ৰীষ্টাব্দত গুৱাহাটী বিশ্ববিদ্যালয়ে হৰিনাথ শৰ্মা দলৈক ডক্টৰেট উপাধি প্ৰদান কৰিছিল। সেই গৱেষণা গ্ৰন্থৰেই অসমীয়া ৰূপান্তৰ 'অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য'। দলৈদেৱে এই গ্ৰন্থখনৰ 'প্ৰাক্কথন'ত এইদৰে লিখিছে। '...... বৰ্তমানৰ 'অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য' এই ধৰণৰ সদাশয়সকলৰেই পৰামৰ্শ ফল। এই গ্ৰন্থখন প্ৰস্তুত কৰোতে মূল গ্ৰন্থখনৰ কিছুমান কথা বিশেষকৈ দাৰ্শনিক অংশৰ বহুত কথা অৱশ্যে বাদ দিয়া হৈছে।' গ্ৰন্থখন দহটা ভাগ বা অধ্যায়ত বিভাজিত হৈছে। গ্ৰন্থখনত থকা আলোচনাসমূহ এনেদৰে আলোকিত হোৱা দেখা গৈছে— কামৰূপৰ শক্তি সাধন ক্ষেত্ৰৰ আলোচনা, অসমত শক্তি সাধনৰ ঐতিহ্য আৰু পৰম্পৰাৰ বিষয়ে আলোচনা, তান্ত্ৰিকতা, ইয়াৰ ঐতিহ্য আৰু উদ্ভৱ স্থান সম্পৰ্কে বিশেষ বৰ্ণনা, শক্তিৰ বিভিন্ন অভিব্যক্তি, উপাসনাৰ ধৰণ আৰু স্বৰূপৰ বিষয়ে বিশদ বিশ্লেষণ, পৰম সত্য— মুক্তিলাভ প্ৰসংগত আলোকপাত, অসমৰ শক্তিপীঠবোৰৰ বৰ্ণনা, শক্তি সাধনাত লৌকিক দেৱীৰ স্থান সম্পৰ্কে আলোচনা, শক্তিবাদৰ প্ৰভাৱ, সংস্কৃত শাক্ত-সাহিত্য আৰু অসমীয়া শাক্ত-সাহিত্যৰ আলোচনা।

অসমীয়া ভাষাৰ শাক্ত সাহিত্যৰ আন এখনি উল্লেখনীয় গ্ৰন্থ হ'ল ড০ নিৰ্মল প্ৰভা বৰদলৈৰ 'দেৱী' গ্ৰন্থ। এই গ্ৰন্থখন ১৯৮৬ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত প্ৰকাশ হৈ ওলায়। এই গ্ৰন্থখন শক্তি সম্বন্ধীয় প্ৰায় সকলো দিশেই সামৰি ল'বলৈ প্ৰচেষ্টা কৰিছে। ছয়টা ভাগত বিভক্ত 'দেৱী' গ্ৰন্থখনত— প্ৰথম ভাগত দেৱীৰ অভিব্যক্তি, দ্বিতীয় ভাগত অসমৰ স্থানীয় দেৱীসমূহ, তৃতীয় ভাগত অসমৰ জনজাতীয় দেৱীসকলৰ বৰ্ণনা, চতুৰ্থ ভাগত তান্ত্ৰিক সাধনা পদ্ধতি আৰু শক্তিতত্ব সম্পৰ্কীয় আলোচনা, পঞ্চম ভাগত শক্তি সাধনাৰ ঐতিহাসিক আলোচনা আৰু ষষ্ঠ ভাগত শাক্ত সাহিত্যৰ আলোচনা আগবঢ়াইছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড০ মুকুন্দ মাধৱ শৰ্মাই 'দেৱী' গ্ৰন্থখনৰ বিষয়ে এনেদৰে মন্তব্য আগবঢ়াইছে— 'সময়ে সময়ে দেৱী পূজা অথবা শক্তি পূজাৰ বিৰুদ্ধে প্ৰবল প্ৰকিক্ৰিয়া হৈ অহা সত্ত্বেও আজি পৰিমিত ভাৰতীয় জনমানসৰ বাবে দেৱী আৰাধনাৰ আকৰ্ষণ কমি যোৱা নাই। এই কথা ৰহস্যপূৰ্ণ। নাৰী পুৰুষ উভয়ৰ বাবে অথবা বাল-বৃদ্ধ নিৰ্বিশেষে সকলোৰে বাবে মাতৃৰ যি পৰম আত্মীয়তা আৰু চৰম স্নেহ সেইটোও হয়তো অন্যতম কাৰণ। ভাৰতীয় তথা অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত যুগে যুগে দেৱীৰ যি বৈচিত্ৰ্যপূৰ্ণ চিত্ৰণ আৰু গুৰুত্বপূৰ্ণ স্থান লক্ষ্য কৰা যায় সেই বিষয়ে তথ্য সম্বলিতভাৱে বৰ্তমান গ্ৰন্থত সুন্দৰভাৱে আলোচনা কৰা হৈছে। .... তেখেতৰ পৰিণত প্ৰজ্ঞাৰ স্বাক্ষৰ বহন কৰা 'দেৱী' নামৰ সাৰ্থক সৃষ্টিৰ বাবে অভিনন্দন।'

**অনূদিত শাক্ত শাহিত ঃ** সময়ে সময়ে সংস্কৃত সাহিত্যৰ পৰা অসমীয়ালৈ অনূদিত হোৱা কেইবাখনো অসমীয়া শাক্ত সাহিত্য গ্ৰন্থ আছে। প্ৰথমেই পীতাম্বৰ দ্বিজৰ 'শ্ৰীশ্ৰীচণ্ডী'ৰ নাম উল্লেখযোগ্য। ১৫৪০ খ্ৰীষ্টাব্দৰ পৰা ১৫৭১ খ্ৰীষ্টাব্দৰ ভিতৰত কোচৰজা নৰনাৰায়ণৰ ভাতৃ বীৰ চিলাৰায়ৰ অনুৰোধ মতে পীতাম্বৰ দ্বিজে চণ্ডীৰ অসমীয়ালৈ মুকলি অনুবাদ কৰিছিল। আন এখন শাক্ত সাহিত্যৰ অনূদিত গ্ৰন্থ হ'ল অনন্ত আচাৰ্যদেৱৰ 'আনন্দ লহৰী'। আহোম স্বৰ্গদেউ শিৱসিংহ আৰু বৰ ৰজা ফুলেশ্বৰীৰ (১৭০৪-১৭৪৪ খ্ৰীষ্টাব্দ) নিৰ্দেশত সেই সময়ৰ প্ৰসিদ্ধ কবি অনন্ত আচাৰ্যই শংকৰাচাৰ্যৰ 'সৌন্দৰ্য লহৰী'ৰ অসমীয়াত ভাঙনি কৰি 'আনন্দ লহৰী' নাম দিয়ে। দেৱীৰ মাহাত্ম্য আৰু ৰংপুৰ নগৰ মনোৰম বৰ্ণনাৰ যোগেদি কবিৰ কাব্য প্ৰতিভা বিকশিত হৈ উঠিছিল। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫১-১৭৬০ খ্ৰীষ্টাব্দ) প্ৰখ্যাত কবি ৰুচিনাথ কন্দলীয়ে 'শ্ৰীশ্ৰীচণ্ডী'ৰ অসমীয়াত কাব্যানুবাদ কৰে। সেই কাব্যখনৰ নাম 'ৰুচিনাথ কন্দলীৰ চণ্ডী' হিচাপে প্ৰখ্যাত। ওঠৰ শতিকাৰ কামাখ্যা নিবাসী শাক্ত কবি ৰংগনাথ চক্ৰৱৰ্তী মাৰ্কেণ্ডেয় চণ্ডী গ্ৰন্থখন অসমীয়ালৈ অতি সুন্দৰভাৱে অনুবাদ কৰিছিল। সেই কাব্যখন 'ৰংগনাথ ঃ শ্ৰী শ্ৰী চণ্ডী' হিচাপে জনাজাত। আহোম সেনাপতি কনচেং বৰপাত্ৰ গোহাঁইৰ বংশধৰ ৰামচন্দ্ৰ বৰপাত্ৰই বোধহয় ১৬৮৬ খ্ৰীষ্টাব্দ মান বিখ্যাত সংস্কৃত গ্ৰন্থ যোগিনীতন্ত্ৰৰ মুকলি অনুবাদ কৰি পদ ৰচনা কৰে। ইয়াৰ উপৰিও কালিকাপুৰাণ, তলা কাব্য আৰু হৰগৌৰী সংবাদ আদি কেইখনমান শাক্ত গ্ৰন্থৰ অসমীয়ালৈ অনুবাদ হৈছিল।


এনেদৰেই অসমীয়া ভাষাত মৌলিক আৰু অনুদিত শাক্ত গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈছিল।

আজিকালি অসমৰ সকলো নগৰ, মহানগৰ, চহৰ আদিত শাৰদীয় দুৰ্গা পূজা বৰ জাকতজমকভাৱে পালন কৰিবলৈ লৈছে। এয়া বৰ শুভ লক্ষণ। নগৰ, মহানগৰত অনুষ্ঠিত হোৱা প্ৰায়বোৰ দুৰ্গা পূজা উদযাপন সমিতিয়ে আজিকালি অতি সুন্দৰকৈ শাৰদীয় পূজা উপলক্ষে একোখনকৈ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা দেখা গৈছে। এই স্মৃতিগ্ৰন্থবোৰত চিন্তাগধুৰ দেৱী উপাসনাৰ সুন্দৰ সুন্দৰ প্ৰবন্ধ প্ৰকাশে শাক্ত সাহিত্যৰ বিস্তাৰত যথেষ্ট অৰিহণা যোগোৱা পৰিলক্ষিত হৈছে। সময়ত উপযুক্ত বুলি বিবেচিত প্ৰবন্ধবোৰ একত্ৰিত কৰি গ্ৰন্থাকাৰে ছপালে এই শাক্ত সাহিত্য সম্পদ স্থিৰস্থায়ী হৈ ৰ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।



# ৰাজ্যিক মহিলা আয়োগৰ ৱেবছাইট, ফেচ বুক পেজ মুকলি

**গুৱাহাটীঃ** অসম ৰাজ্যিক মহিলা আয়োগে যোৱা শুনিবাৰে নিজৰ আধিকাৰিক ৱেবছাইটো মুকলি কৰে। www.ascw.org.in ৱেবছাইটটোৰ জৰিয়তে আয়োগে এতিয়া অধিক সংখ্যক লোকৰ কাষ চপাৰ মানস কৰিছে। আয়োগৰ মুখ্যালয়ত আয়োজিত এটি অনুষ্ঠানত, ৱেবছাইটটো মুকলি কৰে সমাজ কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহুৰে। অনুষ্ঠানটিত উপস্থিত থাকে আয়োগৰ অধ্যক্ষ চিকিমিকি তালুকদাৰ, সদস্যা সচিব কাৰেৰী বৰকাকতি শৰ্মা আৰু আয়োগৰ অন্যান্য সদস্যসকল। এই নতুন ৱেবছাইটোত, বিপদত পৰা যিকোনো মহিলাই অসমৰ যিকোনো ঠাইৰ পৰা অনলাইন অভিযোগ দাখিল কৰিব পাৰিব। ইয়াৰ দ্বাৰা ন্যায় প্ৰদানৰ ম্যাদ যথেষ্টখিনি হ্ৰাস পাব। ৱেবছাইটটোত আয়োগৰ কাৰ্যক্ৰমণিকা তথা বিতং তথ্য পোৱা যাব। ৱেবছাইটটো মুকলি কৰি, চাহু কয়, ‘আজি আয়োগৰ বাবে এটি উল্লেখযোগ্য দিন। ডিজিটেল আৰু সামাজিক মাধ্যমৰ জৰিয়তে আয়োগ এতিয়া অধিক সংখ্যক মহিলাৰ ওচৰ চাপিবলৈ সক্ষম হ’ব। ইয়াৰ লগে লগে আমি অভিযোগ সমাধান প্ৰক্ৰিয়াটো অধিক উন্নত কৰি গৈ থাকিব লাগিব।’ এই উপলক্ষে, তালুকদা কয়, ‘আমাৰ আধিকাৰিক ৱেবছাইট তথা সংযুক্ত অভিযোগ দাখিল ব্যৱস্থাৰ শুভাৰম্ভণিৰ লগত জড়িত হৈ মই নথৈ আনন্দিত। ইয়াৰ জৰিয়তে আমাৰ সংস্থাৰ প্ৰসাৰ অসমৰ চুকে-কোণে সম্ভৱ হ’ব।’ উদ্বোধনী অনুষ্ঠানত, শৰ্মা কয়, ‘আয়োগৰ ৱেবছাইট তথা অভিযোগ দাখিল ব্যৱস্থাৰ উন্নয়নৰ লগত জড়িত হৈ মই যথেষ্ট সুখী। মই ভাৱো এই মাধ্যম মহিলা সবলীকৰণৰ দিশত এক বলিষ্ঠ পদক্ষেপ হিচাবে পৰিগণিত হ’ব।’ একেটি অনুষ্ঠানতে, মহিলাৰ মাজত অধিক সজাগতা সৃষ্টিৰ বাবে আয়োগে নিজৰ ফেচবুক পেজ আৰু টুইটাৰ প্ৰ’ফাইল মুকলি কৰে। ফেচবুক পেজটো হ’ল— https://m.facebook/Assam-State-Commission-for-Women-100206948654055 আৰু টুইটাৰ প্ৰ’ফাইলটো হ’ল— http://twitter.com/ASCW Assam। আয়োগৰ বেৱছাইট, ফেচবুক পেজ আৰু টুইটাৰ প্ৰ’ফাইলটো নিৰ্মাণ কৰি উলিয়াইছে গুৱাহাটীস্থিত প্ৰতিষ্ঠান ‘প্ৰাগ অসমীয়ে’।




# অভিশপ্ত এপাহ শেৱালি

চিত্ৰলেখা ঠাকুৰীয়া চৌধুৰী



‘সিদিনা আছিল দেওবাৰ, ঘৰৰ সকলো কাম-কাজৰ পৰা আজৰি হৈ বাতৰিকাকতখন পঢ়ো বুলি চকু ফুৰাওতেই হঠাৎ বাতৰিৰ এটি শিৰোনামাই মোক আচৰিত কৰি তুলিলে। ‘ছয়গাঁৱৰ ওচৰৰ কালাবাকাৰ গাৱঁত, শেৱালি নামৰ জনজাতীয় মহিলা এগৰাকীক ডাইনী সজাই হত্যা কৰা হ’ল।’ বুকুখন চিৰিংকৈ উঠিল। ‘এইজনী মোৰ স্কুলীয়া বান্ধৱী শেৱালি নহয়তো।’ খৰধৰকৈ বাতৰিটো পঢ়ি পেলালো। হয় , মই যি সন্দেহ কৰিছিলো সেইটোৱে সত্য। তাই শান্ত, অমায়িক ছোৱালী আছিল শেৱালি ৰাভা। অল্পভাষী, লাজকুৰীয়া, মৰমীয়াল, শেৱালিজনীক ডাইনী সজালে কোনে? মই সিহঁতক চিঞৰি চিঞৰি কবৰ মন গ’ল তাই নিৰপৰাধী, নিষ্পাপ এজনী সহজ-সৰল জনজাতীয় মহিলা, একালৰ মোৰ নলে গলে লগা বান্ধৱী শেৱালি। তাইৰ সান্নিধ্য মই আজিও পাহৰিব পৰা নাই।

আমি হাইস্কুলত একেলগে পঢ়িছিলো। পঞ্চম শ্ৰেণীত নামভৰ্তি কৰিবৰ দিনাই তাই আৰু মোৰ প্ৰথম পৰিচয় হৈছিল। ‘তোমাৰ নাম কি? কোন্ স্কুলৰ পৰা আহিছা?’ তাই মোক সোধা প্ৰশ্নৰ উত্তৰত— ‘মই চুমি বৰুৱা আৰু যোৰহাট শংকৰদেৱ শিশু নিকেতনৰ পৰা অহা বুলি ক’লো। দেউতা ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসক হিচাপে বদলি হৈ আহিছে। যোৰহাটৰ পৰা অহা আজি এসপ্তাহ মানহে হ’ল।’ ময়ো তাইৰ পৰিচয় সোধাত ক’লে যে ছয়গাঁৱৰ ওচৰৰ কালাবাকাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা আহিছে হেনো আৰু নাম তাইৰ শেৱালি ৰাভা। ছয়গাঁৱৰ ওচৰৰ গোৱৰ্দ্ধন পাহাৰৰ দাতিত হেনো তাইৰ ঘৰ। নিৰ্জু, অমায়িক, শান্ত প্ৰকৃতিৰ শেৱালিক মোৰ প্ৰথম দেখাতেই ভাল লাগি গ’ল। তাইৰ ভদ্ৰতা, সৰলতা আৰু আত্মীয়তাত মই বাৰুকৈয়ে মোহিত হৈ পৰিলো। সদায় ‘ক্লাছত’ মই তাইৰ লগত পঢ়া-শুনাৰ লগতে বিভিন্ন বিষয় আলোচনা কৰো। শেৱালিৰ পঢ়া-শুনাত বৰ মনোযোগ ময়ো সৰুৰেপৰাই পঢ়া-শুনা ভালদৰে কৰিছিলো, সেয়ে আমি দুয়ো অন্তৰংগ বান্ধৱী হৈ পৰিলো। আমি বন্ধত মাজে মাজে ফুৰিবলৈ যাওঁ, কেতিয়াবা মই তাইৰ ঘৰলৈ যাওঁ আৰু তায়ো আমাৰ ঘৰলৈ আহে। এদিন তাই মোক ছয়গাঁৱৰ ঐতিহাসিক কীৰ্তি চিহ্নবোৰ দেখুৱাবলৈ লৈ গ’ল। ছয়গাঁও চম্পকনগৰৰ চান্দ সদাগৰৰ মেৰঘৰৰ ভগ্নাৱশেষবোৰ দেখি মই সেই সময়ৰ এখন কল্পনা ৰাজ্যত বিচৰণ কৰিবলৈ ধৰিলো। সতী বেউলাৰ স্বামী ভক্তিৰ নিদৰ্শন এই ভগ্নাৱশেষবোৰে যুগ যুগ ধৰি যেন বহন কৰি আছে। এই সকলোবোৰ সতী বেউলাৰ ত্যাগৰ প্ৰতিমূৰ্তি। মন প্ৰাণ এক বুজাব নোৱাৰা আনন্দৰে ভৰি পৰিল। সঁচাকৈয়ে চাবলগীয়া এই মেৰঘৰৰ ভগ্নাৱশেষবোৰ, লগতে আছে নৱনিৰ্মিত মন্দিৰ। ইয়াৰ উপৰিও অলপ আঁতৰত থকা চণ্ডিকা দেৱালয়লৈ শেৱালিয়ে মোক লৈ গ’ল। তাত দৰ্শন হৈ উঠি যাত্ৰা আৰম্ভ কৰিলো শ্ৰীকৃষ্ণৰ গোৱৰ্দ্ধন পাহাৰলৈ, য’ত আছে শিলৰ ওপৰত শ্ৰীকৃষ্ণৰ ভৰিৰ খোজ। গোৱৰ্দ্ধন পাহাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰায় কাষতে, ছয়গাঁৱৰ পৰা প্ৰায় ১ কিলোমিটাৰ পশ্চিমে অৱস্থিত। জনবিশ্বাস আছে শ্ৰীকৃষ্ণই হেনো এই গোৱৰ্দ্ধন পাহাৰত গৰু চৰাইছিল। এই পৌৰাণিক আখ্যান সমৃদ্ধ গোৱৰ্দ্ধন পাহাৰৰ পৰা নামি আহি পোনে পোনে কালাবাকাৰ গাঁৱৰ শেৱালিহঁতৰ ঘৰলৈ গ’লো। শেৱলিহঁত জনজাতীয় মানুহ, সিহঁতৰ ঘৰৰ অৱস্থা ভাল নহয়। তাইৰ মাক-দেউতাকে ঘৰতে কুকুৰা, গাহৰি আদি পোহে আৰু চুলাই মদ ঘৰতে তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰি যি দুপইচা পাই তাৰে ঘৰখন চলাই আছে আৰু একমাত্ৰ সন্তান শেৱালিক স্কুলত পঢ়াই আছে। ধনৰ দুখীয়া হ’লেও তেওঁলোক কিন্তু মনৰ দুখীয়া নহয়। শেৱালিৰ মাক-দেউতাক অত্যন্ত সৰল আৰু মৰমীয়াল মানুহ। মোৰ ঘৰ ক’ত, কেনেকৈ ছয়গাঁৱত থাকিবলগীয়া হ’ল ইত্যাদি সকলো কথা পাতি, ঘৰতে পোহা কুকুৰাৰ মাংসৰে ভাত খাবলৈ দিলে। জিৰণি লৈ উঠি আবেলি পৰত সিহঁতৰ বাৰীৰ মধুৰিয়াম আৰু আনাৰস আনি শেৱালিৰ মাকে কাটি খুৱালে আৰু আমাৰ ঘৰলৈ দি পঠিয়ালে! জনজাতীয় মানুহবোৰ সঁচাই ইমান সহজ-সৰল আৰু মৰমীয়াল। মই ঘৰলৈ আহি মাৰ আগত শেৱালিহঁতৰ ঘৰখনৰ বিষয়ে সকলো কলো। শেৱালিজনী পঢ়া-শুনাত ভাল আৰু শান্ত বাবে মোৰ মায়েও তাইক বৰ মৰম কৰে। শেৱালি দুখীয়া ঘৰৰ হ’লেও তাইৰ মেধাশক্তি আছিল প্ৰখৰ। আমি দুয়ো ‘ক্লাছবোৰত’ সদায় প্ৰথম, দ্বিতীয় হৈ আগবাঢ়িবলৈ ধৰিলো। এনেদৰে আমি পঢ়া-শুনা কৰি অষ্টম শ্ৰেণী পাওতেই দেউতাৰ চাকৰীৰ বদলিৰ নিৰ্দেশ আহিল। দেউতাক নাহৰকটীয়া স্বাস্থ্য কেন্দ্ৰলৈ বদলি কৰিলে। ছয়গাঁও ঠাইখন যে মোৰ কিমান আপোন হৈ পৰিছিল, মই তাক ভাষাৰে বুজাব নোৱাৰিম। ছয়গাঁৱৰ পৌৰাণিক কীৰ্তিচিহ্নবোৰে মোক এক অলৌকিক জগতত ডুবাই ৰাখিছিল। শেৱালি আৰু মোৰ স্কুলৰ ‘চাৰ’ বাইদেউ আৰু অন্যান্য সকলোকে এৰি যাবলগীয়া হোৱাত মই দুখত ভাগি পৰিলো। মই যে ছয়গাঁৱৰ মোহ এৰিব নোৱাৰো, কিন্তু উপায় নাই, নাহৰকটীয়ালৈ ছয়গাঁৱৰ পৰা বহুদূৰ, গতিকে দেউতা আহি থাকিব নোৱাৰিব, সেয়ে আমি যাবই লাগিব। শেৱালিয়েও মোক হেৰুওৱাৰ দুখত ভাগি পৰিল আৰু বিদায় বেলাত জনজাতীয় পোছাক এযোৰ মোক উপহাৰ দিলে। শেৱালিহঁতক আৰু ছয়গাঁৱৰ চিনাকী মানুহবোৰক মাত লগাই নাহৰকটীয়ালৈ যাত্ৰা আৰম্ভ কৰিলো।



শেৱালিয়ে চিঠিৰে মোক সকলো খবৰ বাতৰি জনাই থাকে। এনেতে হঠাৎ এদিন খবৰ আহিল শেৱালিৰ মাক-দেউতাকৰ ভীষণ জ্বৰ, শেৱালিয়ে ঔষধ-পাতি খুৱাইও জ্বৰ কমাব পৰা নাই। গোটেই ৰাতি মাক-দেউতাকৰ কাষতে বহি উজাগৰে কটাই দিলে। পিছদিনা কাৰোবাৰ পৰা টকা ধাৰ লৈ ডাক্তৰ আনিম বুলি ভাবি থাকোতে ঢল পুৱাতেই দুয়োজনে হেনো চকু মুদিলে। নিয়তিৰ কি পৰিহাস! শেৱালি একেবাৰে অকলশৰীয়া হৈ পৰিল। মই চিঠিখন পঢ়ি কেইবাদিনলৈ স্বাভাৱিক হ’ব পৰা নাছিলো। মনতে ভাব হৈছিল— ‘আমি যদি তাত থাকিলোহেঁতেন, শেৱালিৰ মাক-দেউতাকক বচাব পাৰিলোহেঁতেন! মোৰ দেউতা ডাক্তৰ, কত মানুহৰ জীৱন তেওঁ ৰক্ষা কৰিছে কিন্তু মোৰ একমাত্ৰ মৰমৰ বান্ধৱী শেৱালীৰ মাক-দেউতাকে চিকিৎসাৰ অভাৱত মৃত্যুক শাৱটি ল’লে। বহুত দুখ পালো অন্তৰত, কিন্তু উপায় নাই, শেৱালিক নাহৰকটীয়ালৈ লৈ আহিম বুলি দেউতা আৰু মই ছয়গাঁৱলৈ ৰাওনা হ’লো। কিন্তু শেৱালিক মাথো সমবেদনা জনাই উভতি আহিবলগীয়া হ’ল। তাই সম্বন্ধীয় খুৰাক এজনে আনিব নিদিলে। দুখে-বেজাৰে তাইক এৰি থৈ আহিলো। তাইৰ পঢ়া-শুনাও সিমানতে ইতি পৰিল। কোনে পঢ়াব তাইক, খুৰাকজনৰো একেই অৱস্থা। সম্পূৰ্ণ এটা বছৰ বাগৰি যোৱাৰ পাছত চিঠি পালো তাইক হেনো সম্পৰ্কীয় খুৰাকজনে এজন জনজাতীয় ল’ৰালৈ বিয়া দিলে। তাই চিঠিত লিখিছিল, ল’ৰাজন হেনো বৰ মদাহী, তাইৰ অকনো ভাল নালাগে কিন্তু তাইৰ উপায় নাই। শেৱালিক ল’গ পাবলৈ মনটোৱে কেতিয়াবা হাঁহাকাৰ কৰি উঠে।

মই ‘মেট্ৰিক পাছ’ কৰি ‘কলেজ’ পালো। লাহে লাহে ‘ইউনিভাৰচিটি’ৰ দেওনা পাৰ হ’লো, তাৰ পাছতেই মা-দেউতাই মোৰ বিয়া পাতিলে ডুলীয়াজান ‘অইন ইণ্ডিয়াৰ’ এজন অভিযন্তাৰ লগত, তেওঁ ডিব্ৰুগড়ৰ স্থায়ী বাসিন্দা। মই সংসাৰৰ বান্ধোনত সোমাই পৰিলো। বহু বছৰ পাৰ হৈ গ’ল— ডুলীয়াজানত ল’ৰা-ছোৱালী দুটিৰ সৈতে মোৰ সংসাৰৰ এশ এবুৰি লেঠাত পৰি শৈশৱৰ বান্ধৱী শেৱলিৰ কথা পাহৰাৰ দৰেই হৈছিল। হঠাৎ সিদিনা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ‘ডাইনী সন্দেহত হত্যা ছয়গাঁৱৰ শেৱালি ৰাভা’ শীৰ্ষক বাতৰিটো পঢ়ি হঠাৎ আজি ত্ৰিশ বছৰ আগৰ কথাবোৰ চকুৰ আগত ভাহি উঠিছে। সিদিনা খবৰটো পঢ়িয়েই অনুসন্ধানত কৰি গম পালো যে শেৱালি হেনো কিছুবছৰ আগতে বিধবা সাজ পিন্ধিবলগীয়া হৈছিল, বিয়াৰ বহু বছৰৰ পাছত জন্ম হোৱা একমাত্ৰ পুত্ৰ সন্তানটিক বুকুত সাৱটি জীয়াই আছিল। কিন্তু এদিন হঠাৎ একমাত্ৰ পুত্ৰ সন্তানটিও কলেৰাসদৃশ ৰোগত মৃত্যুক সাৱটি ল’লে। সন্তানটিৰ মৃত্যুৰ পাছতে তাই হেনো বলিয়াৰ দৰে হৈ পৰিল। একমাত্ৰ মৰমৰ সন্তানটিৰ মৃতদেহটো হেনো কাকো চুবলৈ নিদি তাক সাৱটি ধৰি থাকিছিল। ওচৰ চুবুৰীয়াই তাইক এৰুৱাই স্থানীয় শ্মশানত মৃতদেহটো পুতি থোৱাত তাই হেনো দিনে ৰাতিয়ে পুতেকক পুতি থোৱা ঠাইত বহি থকা হ’ল। কোনোবাই তাইক আনিব খুজিলেও হেনো তাই শ্মশানৰ পৰা নাহে। দিন দুপৰতে মানুহে তাইক দেখি ভয় কৰা হ’ল। আউলি-বাউলি চুলিৰে তাই মানুহে অহা-যোৱা কৰা ৰাস্তাৰ কাষতে থকা মৰিশালিখনিত বহি থকা দেখি, সৰু ল’ৰা-ছোৱালীবোৰৰ উপৰি ডাঙৰ মানুহেও ভয় খোৱা হ’ল। মানুহবোৰে দিন যোৱাৰ লগে লগে তাই হেনো ডাইনী বুলি সন্দেহ কৰিব ধৰিলে। ‘প্ৰথমে মাক-দেউতাকক খালে, তাৰ পিছত গিৰিয়েকক আৰু উৱশেষত কাইৰ সন্তানটিকো শেৱলি ডাইনীয়ে মাৰি পেলালে।’ এই বুলি সকলোৱে তাইক ‘শেৱালি ডাইনী’ বুলি ক’ব ধৰিলে। তাইৰ পৰা গঞা ৰাইজৰ কিবা অপকাৰ হ’ব পাৰে বুলি ভাবি এদিন কোনো এটি অভিশপ্ত নিশা, তাইৰ গাত কেৰাচিন তেল ঢালি হেনো সেই মৰিশালিতে গাত জুই লগাই তাইক জীৱন্তে দগ্ধ কৰি হত্যা কৰিলে। উস! কি যে অসহনীয়, কি যে নিষ্ঠুৰতা, ভাবিলেই গাৰ নোম শিয়ৰি উঠে। এপাহ শুভ্ৰ শেৱালি মৰহি গ’ল। সেই শেৱালিৰ শুভ্ৰতাৰ সুবাস মই পাইছিলো, দেখিছিলো, জানিছিলো আৰু বুজিছিলো। কিন্তু অন্ধবিশ্বাসী এচাম মানুহৰ নিষ্ঠুৰতাৰ বলি হ’ল মোৰ এসময়ৰ অন্তৰংগ বান্ধৱী মৰমৰ শেৱালি। শৰতৰ নিশা, শাৰদীয় জোনাকত ফুলা শুভ্ৰ শেৱালিপাহ, নিশাৰ শেষত সৰি পৰিল তলসৰা শেৱালি হৈ আৰু নিষ্ঠুৰ মানৱে ভৰিৰে গছকি তাক নিঃশেষ কৰি পেলালে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssplghy@gmail.com

Editor: Baikuntha Nath Goswami